● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

যিটো শুদ্ধ সেইটো কৰাৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিবলৈ কেতিয়াও আপোনাৰ নৈতিক অনুভূতিক সুযোগ নিদিব।

আইজাক এছিম'ভ
*আমেৰিকাৰ লেখক*



www.dainikagradoot.in

৭ ২০২৩ত বিশ্বৰ জনসংখ্যা আঠ বিলিয়নলৈ বৃদ্ধি
১৫ আজি ভাৰত-ইংলণ্ডৰ প্ৰথম এদিনীয়া
৪ মাননীয় সহমৰ্মিতাই সাম্প্ৰদায়িক সম্প্ৰীতিৰ আধাৰ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৭২তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ২৭ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১২ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 12 July 2022 মূল্য ঃ ৯.০০ টকা

■ হাৰিয়ানা-ৰাজস্থানৰ পাছতে ১৭.২ শতাংশৰে অসমৰ স্থান ■ কৃষিখণ্ডতে সৰ্বাধিক নিবনুৱাৰ সৃষ্টি

# তৃতীয় সৰ্বাধিক নিবনুৱাৰ ৰাজ্য অসম



বানাক্ৰান্তৰ সমস্যাৰ বুজ লৈছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই, হোজাইত সোমবাৰে।

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১১ জুলাই ঃ ৰাজ্যৰ লাখ লাখ নিবনুৱাৰ উচ্চ হাৰে অসমত কৰ্মসংস্থাপনহীনতাৰ উদ্বেগজনক পৰিস্থিতি পুনৰ স্পষ্ট কৰিছে। নিবনুৱাক সংস্থাপনৰ বাবে যে কাৰ্যকৰী কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই সেয়া ইয়াৰ দ্বাৰাই উন্মোচিত হৈছে। চেণ্টাৰ ফৰ মণিটৰিং ইণ্ডিয়ান ইকন'মি (চি এম আই ই)ৰ শেহতীয়া তথ্যই অসমৰ নিবনুৱা সমস্যাৰ ভয়াৱহ ছবিখন আকৌ এবাৰ প্ৰকট কৰিছে। শেহতীয়াকৈ সংস্থাটোৱে প্ৰকাশ কৰা প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে ভাৰতত যোৱা জুনত নিবনুৱাৰ হাৰ আছিল ৭.৮ শতাংশ। ৰাষ্ট্ৰীয় এই হাৰৰ বিপৰীতে অসমৰ হাৰ হ'ল ১৭.২ শতাংশ। অসমৰ এই হাৰ দেশৰ ৰাজ্যবোৰৰ ভিতৰতে ১০ পৃষ্ঠাত চাওক

## প্ৰতিষ্ঠান ধ্বংস-সমাজ ধ্বংস (৬)

■ সঞ্জীৱ সভাপণ্ডিত



আমাৰ নাজিৰাৰ ঘৰৰ চুবুৰিটোত এটা পুথিভঁৰাল আছিল। নাম আছিল আমোলাপট্টি পুথিভঁৰাল। স্থাপিত-১৯৬১। মহেন্দ্ৰ হাজৰিকা নামৰ এজন মানুহে তেওঁৰে বাৰীৰ ৰাস্তাৰ ফালে থকা মাটি এটুকুৰাতে এই ৰাজহুৱা প্ৰতিষ্ঠানটো পাতিবলৈ অনুমতি দিছিল।

সাধাৰণ বেৰ বা টকৌপাতৰ চালৰ, বাঁহৰ বেৰৰ, মাটিৰ লেপনেৰে, ১০ পৃষ্ঠাত চাওক

## ৰাজ্যত এদিনত জে ইত ১২ জন আক্ৰান্ত, দুজনৰ মৃত্যু

চলিত মাহত ৯৮ জন আক্ৰান্ত, মৃত্যু ১০ জনৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১১ জুলাই ঃ** ৰাজ্যত সংক্ৰমণে উদ্বেগজনক ৰূপ ধাৰণ কৰা জাপানী এনকেফেলাইটিছ (জে ই )ত আজি পুনৰ ১২ জন লোক আক্ৰান্ত ১০ পৃষ্ঠাত চাওক

ৰাষ্ট্ৰপতি ভৱনৰ অত্যাধুনিক সুৰংগক কেন্দ্ৰ কৰি শ্ৰীলংকাত চাঞ্চল্য

## বিকল্প চৰকাৰৰ তৎপৰতাৰ মাজতে ডুবাইলৈ উৰা মাৰিলে ৰাজাপক্ষই!

■ নিউজ ব্যুৰ'

**কলম্বো, ১১ জুলাই ঃ** অহা বুধবাৰে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি পদ এৰিব বুলি পলাতক গোটাবায়া ৰাজাপক্ষই ঘোষণা কৰাৰ পাছতে দেশ পৰিচালনাৰ বাবে সৰ্বদলীয় অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰিবলৈ সন্মত হয় ৰাজনৈতিক দলসমূহ। একে সময়তে বিক্ষোভকাৰীয়ে প্ৰধানমন্ত্ৰী ৰণিল বিক্ৰমসিংঘেৰ পদত্যাগ দাবী কৰিছে। প্ৰতিবাদকাৰীৰ অভিযোগ অনুসৰি ১০ পৃষ্ঠাত চাওক



## বানত সম্পূৰ্ণ বাসগৃহ ক্ষতিগ্ৰস্তই পাব ৯৫ হেজাৰকৈ টকা ঃ ঘোষণা মুখ্যমন্ত্ৰীৰ


হোজাইত কপিলীৰ পাৰত ৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ হ'ব ঃ শৰ্মা

**অগ্ৰদূত বাৰ্তা**


**হোজাই, ১১ জুলাই ঃ** আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা হোজাইত উপস্থিত হৈ শেহতীয়া বানে ক্ষতিগ্ৰস্ত কৰা অঞ্চলসমূহ পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে হেলিকপ্টাৰেৰে পূব যোগীজান হাইস্কুল ১০ পৃষ্ঠাত চাওক

■ হেঙেৰাবাৰীতো উৱলি যোৱা মৃতদেহ

## মহানগৰীত বস্তাত উদ্ধাৰ ২০ বছৰীয়া যুৱকৰ মৃতদেহ, ঘাতক পিতৃৰ আত্মসমৰ্পণ








**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১১ জুলাই ঃ** আৰু এটি নৃশংস হত্যাকাণ্ডই জোকাৰি গ'ল গুৱাহাটী মহানগৰীক। মাতৃ-ভগ্নীৰ অনুপস্থিতিত যোৱা নিশা ১১-৩০ বজাত পিতৃৱে সৃষ্টি হোৱা সংঘাতৰ ফলত ২০ বছৰীয়াই পুত্ৰই প্ৰাণ হেৰুওৱালগীয়া হোৱা ঘটনাই জোঁকাৰণিৰ সৃষ্টি কৰিছে। টিংকল শৰ্মা (২০) নামৰ যুৱকজনৰ মৃতদেহ আৰক্ষীয়ে আজি বিয়লি চান্দমাৰিৰ পি ডব্লিউ ডি কল'নীৰ পথত চিমেণ্টৰ বস্তাৰে মেৰিয়াই ১০ পৃষ্ঠাত চাওক




## ভূমিস্খলনত মৃত অভিযন্তাৰ শেষকৃত্য সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**আগমনী, ১১ জুলাই ঃ** মণিপুৰৰ ভূমিস্খলনত সন্ধানহীন হৈ থকা ধুবুৰীৰ কালডোবাৰ ৰেল বিভাগৰ অভিযন্তা কমলেশ তালুকদাৰৰ মৃতদেহ ১২ দিনৰ ১০ পৃষ্ঠাত চাওক

## মণিপুৰত আৰু দুই শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ





**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ১১ জুলাই ঃ** মণিপুৰৰ ভূমিস্খলনত সন্ধানহীন মৰিগাঁও জিলাৰ লাহৰীঘাটৰ কুশতলী অঞ্চলৰ আৰু দুই ১০ পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী, ১২ জুলাই, ২০২২ মঙলবাৰ পৃষ্ঠা তিনি

# নগাঁও জিলাত ডায়েৰীয়াৰ প্ৰাদুৰ্ভাৱ ৪০ জনৰো অধিক লোক আক্ৰান্ত

**তিনি ৰোগীৰ মৃত্যু**

বিশেষ সংবাদদাতা

**নগাঁও, ১১ জুলাই ঃ** নগাঁও জিলাৰ বান আক্ৰান্ত কেতবোৰ অঞ্চলত পানী শুকাবলৈ আৰম্ভ কৰাৰ লগে লগে তাত ডায়েৰীয়া ৰোগৰ ভয়ংকৰ প্ৰাদুৰ্ভাৱ ঘটিছে। জিলা স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি সংশ্লিষ্ট অঞ্চলত বৰ্তমানলৈকে ৪০ গৰাকীতকৈ অধিক লোক ডায়েৰীয়াত আক্ৰান্ত ছয় পৃষ্ঠাত চাওক

# লালুকত পথ দুৰ্ঘটনা ঃ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**লালুক, ১১ জুলাই ঃ** লালুক থানাৰ অন্তৰ্গত বাৰমাইলত আজি পুৱা সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত এগৰাকী অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকে কৰুণ মৃত্যুক আঁকোৱালি লোৱা ঘটনাই সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পেলাইছে। ঘটনাৰ সন্দৰ্ভত স্থানীয় লোক আৰু আৰক্ষীয়ে জনোৱা মতে, লালুক থানাৰ অন্তৰ্গত দলহাট আৰক্ষী চকীৰ অধীনস্থ ছয় পৃষ্ঠাত চাওক

# ঈদৰ নিশা ভৱানীপুৰত দুৰ্বৃত্তই দলিয়ালে গোমাংস

বিশেষ সম্বাদদাতা

**পাঠশালা, ১১ জুলাই ঃ** কালি ঈদ-উজ-জোহাৰ দিনাখন অঘটন ঘটিল ভৱানীপুৰ সমষ্টিৰ সৰুপেটা আৰক্ষী চকীৰ অন্তৰ্গত পূৱ কৰ্দৈগুৰি ৰাজহ গাঁৱৰ অজাসাস্তৰ বড়ো চুবা আৰু খেলুৱাপাৰা গাঁৱত। উল্লেখ্য যে ঈদ-উজ-জোহাৰ দিনাই পূৱ কৰ্দৈগুৰি ৰাজহ গাঁৱৰ অজাসাস্তৰ বড়ো চুবাত নিশাৰ ভাগত বুদ্ধ স্বৰ্গীয়াৰী নামৰ এজন লোকৰ ভূমিত এটা কটা গো-মুণ্ড কোনো দুষ্কৃতিকাৰীয়ে থৈ যোৱাৰ উপৰি কালি বিয়লি খেলুৱাপাৰা গাঁৱত অৰূপ তালুকদাৰ নামৰ এজন লোকৰ বাসগৃহলৈ গো-মাংস দলিওৱা ঘটনা সংঘটিত হয়। এই ঘটনাত অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়া আৰু উত্তেজনাৰ সৃষ্টি হৈছে। আজি পুৱাৰ ভাগত অজাসাস্তৰ বড়ো চুবাত গাঁওখনৰ বাসিন্দা বুদ্ধ স্বৰ্গীয়াৰীৰ ভূমিত এটা কটা গো মুণ্ড পৰি থকা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰে। ইয়াৰ লগে লগে অঞ্চলজুৰি হুৱাদুৱাৰ তথা তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। ঘটনাস্থলীত আৰক্ষী প্ৰশাসনৰ লোক উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। উল্লেখ্য যে কালি ঈদ-উজ-জোহাৰ কোৰবানি দি ভক্ষণ কৰা গৰুৰ কটা মুণ্ডটো কোনো দুষ্কৃতিকাৰীয়ে অজাসাস্তৰ বড়ো চুবা গাঁৱত লোকৰ ভূমিত থৈ যোৱাৰ সন্দেহ প্ৰকাশ কৰিছে ৰাইজে। আনহাতে, কালি ঈদ-উজ- ছয় পৃষ্ঠাত চাওক

**শিক্ষা সন্মিলনীৰে শিক্ষামন্ত্ৰী পেগুৰ বৈঠকত একাধিক সিদ্ধান্ত**

# শিক্ষাৰ্থীক দিব জোতা-মোজা-ছুৱেটাৰ

## ৩১ আগষ্টৰ পূৰ্বে পাঁচটা মূল সমস্যা সমাধানৰ সময়সীমা নিৰ্ধাৰণ

অগ্ৰদূত বাৰ্তা

**আজাৰা, ১১ জুলাই ঃ** আজি দিছপুৰ সচিবালয়স্থিত শিক্ষামন্ত্ৰীৰ সভা কক্ষত দিনৰ এক বজাৰ পৰা অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ অধ্যক্ষতাত, প্ৰাথমিক শিক্ষা সচিব, সৰ্বশিক্ষাৰ মিছন সঞ্চালক, প্ৰাথমিক শিক্ষা সঞ্চালককে ধৰি শিক্ষা বিভাগৰ উচ্চপদস্থ বিষয়ববীয়াৰ উপস্থিতিত প্ৰায় দুঘণ্টা সময় প্ৰাথমিক শিক্ষা আৰু শিক্ষকৰ সমস্যাৰ ওপৰত আলোচনা হয়। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ হৈ উপস্থিত থাকে সভাপতি অখিল চন্দ্ৰ নাথ, উপ-সভাপতি ভৈৰৱ মহন্ত, নীলাক্ষী গগৈ, প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামী, উপ-সম্পাদক শৈলেন কলিতা, সৰ্বভাৰতীয় সদস্য মোহন হালৈ। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষা সন্মিলনীৰ সভাপতি অখিল চন্দ্ৰ নাথ আৰু প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে সদৰী কৰা মতে আলোচনাত বন্ধ হৈ থকা মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি আঁচনিৰ পৰীক্ষা পুনৰ অনুষ্ঠিত কৰা, ছাত্ৰ-ছাত্ৰীক প্ৰতি বিষয়ত কমেও ছয় পৃষ্ঠাত চাওক



# দিব্যাংগসকলৰ চৰকাৰী শিক্ষানুষ্ঠানৰ সুপৰিচালনাৰ বাবে বিভাগক নিৰ্দেশ

**গুৱাহাটী দৃষ্টিহীন উচ্চ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন মন্ত্ৰী হাজৰিকাৰ**

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১১ জুলাই ঃ** অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৰলীকৰণ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি গুৱাহাটীৰ বশিষ্ঠস্থিত গুৱাহাটী দৃষ্টিহীন উচ্চ মাধ্যমিক বিদ্যালয় ভ্ৰমণ কৰি বিদ্যালয়খনৰ আন্তঃগাঁথনিকে আদি কৰি আন সুবিধাসমূহৰ বুজ লয়। বিভাগৰ প্ৰধান সচিব মুকেশ চাহু আৰু সঞ্চালক কিশোৰ ঠাকুৰীয়াক লগত লৈ মন্ত্ৰীজনে আজি আগবেলাতে বিদ্যালয়খনত উপস্থিত হৈ বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী আৰু আন শিক্ষকসকলৰ স'তে বিদ্যালয়খনৰ পৰিচালনাৰ বিষয়ে আলোচনাত মিলিত হয়। উল্লেখযোগ্য ছয় পৃষ্ঠাত চাওক

**মাননিৰ পৰিৱৰ্তে মজুৰি প্ৰদানৰ দাবীত মহানগৰীত প্ৰতিবাদ**

# প্ৰাপ্যৰ দাবীৰে দেশজুৰি অংগনৱাড়ী কৰ্মী-সহায়িকাৰ প্ৰতিবাদ



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১১ জুলাই ঃ** অংগনৱাড়ী কৰ্মী-সহায়িকাক মাননিৰ সলনি মাহিলি ২১ হেজাৰ টকা মজুৰি প্ৰদান কৰা, কৰ্মী-সহায়িকাসকলক কৰ্মচাৰীৰূপে স্বীকৃতি দিয়া, উচ্চতম ন্যায়ালয়ৰ ৰায় অনুসৰি কৰ্মী-সহায়িকাক গ্ৰেচুইটি প্ৰদান কৰা, মিনি অংগনৱাড়ী কৰ্মীক সাধাৰণ কৰ্মীৰ সমানে সুবিধা প্ৰদান কৰা, অন্য ঠাইৰ ছয় পৃষ্ঠাত চাওক

# তেজপুৰত জনসংখ্যা সমাধান ফাউণ্ডেছনৰ সমদল, প্ৰধানমন্ত্ৰী-গৃহমন্ত্ৰীলৈ স্মাৰকপত্ৰ

**কঠোৰ আইন আনি জনসংখ্যা বিস্ফোৰণ ৰোধৰ দাবী**

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১১ জুলাই ঃ** বিশ্ব জনসংখ্যা দিৱস উপলক্ষে আজি জনসংখ্যা সমাধান ফাউণ্ডেছনৰ শোণিতপুৰ জিলা সমিতিয়ে তেজপুৰত সমদল উলিয়াই দেশত কঠোৰ আইন বলৱৎ কৰি জনসংখ্যা বিস্ফোৰণ ৰোধৰ দাবী জনায় । আজি দিনৰ ১১ বজাত জনসংখ্যা সমাধান ফাউণ্ডেছনৰ শোণিতপুৰ জিলা সমিতিয়ে তেজপুৰ চহৰৰ মাজমজিয়াত সমদল উলিয়ায় আৰু এই সমদলৰ অন্তত শোণিতপুৰৰ উপায়ুক্তৰ জৰিয়তে ছয় পৃষ্ঠাত চাওক

# শ্ৰীৰামপুৰত আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ গাঞ্জাসহ ট্ৰাক জব্দঃ এজনক আটক

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ১১ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শিমুলটাপু আৰক্ষী চকীৰ অন্তৰ্গত শ্ৰীৰামপুৰত আজি আবেলি ৩১ নম্বৰ (গ) ৰাষ্ট্ৰীয় ঘাইপথত আৰক্ষীয়ে গোপন সূত্ৰে লাভ কৰা তথ্যৰ ভিত্তিত অভিযান চলাই এইছ আৰ-৫৫ ভি-৫১৬৯ নম্বৰৰ এখন ট্ৰাক আটক কৰি তালাচী চলোৱাত ট্ৰাকখনৰ পৰা বৃহৎ পৰিমাণৰ গাঞ্জা উদ্ধাৰ হয়। ট্ৰাকখনত বিশেষভাৱে লুকুৱাই অনা গাঞ্জাখিনি আৰক্ষীয়ে জব্দ কৰাৰ লগতে চালক গোবিন্দ কুমাৰ ঝাক গ্ৰেপ্তাৰ কৰে। ধৃত চালকজন বিহাৰৰ মধুবনীৰ বাসিন্দা। গাঞ্জাসমূহ ত্ৰিপুৰাৰ আগৰতলাৰ পৰা ছয় পৃষ্ঠাত চাওক

# বিষাক্ত সৰ্প দংশনৰ পাছত সুস্থ হৈ ঘৰলৈ উভতিল আঠমহীয়া হেমন্তিকা

**আধুনিক চিকিৎসাৰ সুফল**

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১২ জুলাই ঃ** অন্ধবিশ্বাসৰ পৰিৱৰ্তে উপযুক্ত আধুনিক চিকিৎসাৰ দ্বাৰা বিষাক্ত সৰ্পই দংশন কৰা লোকৰ জীৱন ৰক্ষা কৰিব পাৰি। এই বাস্তৱ আৰু সুচিন্তাৰ বাবেই বিষাক্ত সৰ্পৰ দংশনত আক্ৰান্ত এটি মাত্ৰ আঠমহীয়া শিশু তেজপুৰস্থিত ব্যপ্তিষ্ট মিছন হাস্পতালত উপযুক্ত ছয় পৃষ্ঠাত চাওক

# বুদুচৰ দৈনিক বজাৰ পট্টনৰ নামত ব্যাপক দুৰ্নীতি

**মুখ্য কাৰ্যবাহী বিষয়াৰ মইমতালিৰ বাবে হেৰুৱাবলগীয়া হৈছে ১.৮৫ লাখ টকাৰ ৰাজহ**

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১১ জুলাই ঃ** হাট-বজাৰ, মীন মহল পট্টনৰ নামত সম্প্ৰতি গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া এণ্ড কোম্পানীয়ে ব্যাপক দুৰ্নীতিত লিপ্ত হোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। ইপিনে, বিভাগীয় নিয়ম উলংঘাৰে মুখ্য কাৰ্যবাহী বিষয়াজনে শকত ধনৰ লেনদেনৰ বিনিময়ত তৃতীয় পক্ষক কিছুমান হাট-বজাৰৰ অস্থায়ী খাজনা আদায়ৰ দায়িত্ব অৰ্পণ কৰা বুলি এক গুৰুতৰ অভিযোগ উঠিছে। প্ৰাপ্ত ছয় পৃষ্ঠাত চাওক

পৰিবহণ বিভাগ

অসমৰ বিভিন্ন পথত বাহনৰ সৰ্বোচ্চ গতিসীমা*



| বাহনৰ শ্ৰেণী | ৪-লেনযুক্ত পথ | অন্যান্য পথ | পৌৰ সীমাৰ ভিতৰৰ পথ |
|---|---|---|---|
| ব্যক্তিগত বাহন (চালকক বাদ দি সৰ্বাধিক ৮ গৰাকী যাত্ৰী কঢ়িওৱা) | ১০০ কি:মি: / ঘণ্টা | ৭০ কি:মি: / ঘণ্টা | ৬০ কি:মি: / ঘণ্টা |
| বাণিজ্যিক বাহন (চালকক বাদ দি সৰ্বাধিক ৮ গৰাকী যাত্ৰী কঢ়িওৱা) | ৮০ কি:মি: / ঘণ্টা | ৭০ কি:মি: / ঘণ্টা | ৬০ কি:মি: / ঘণ্টা |
| ব্যক্তিগত আৰু বাণিজ্যিক বাহন (চালকক বাদ দি ৯ বা তাতোধিক যাত্ৰী কঢ়িওৱা) | ৮০ কি:মি: / ঘণ্টা | ৬০ কি:মি: / ঘণ্টা | ৬০ কি:মি: / ঘণ্টা |
| মালবাহী বাহন | ৭০ কি:মি: / ঘণ্টা | ৬০ কি:মি: / ঘণ্টা | ৪০ কি:মি: / ঘণ্টা |
| মটৰ চাইকেল | ৮০ কি:মি: / ঘণ্টা | ৬০ কি:মি: / ঘণ্টা | ৫০ কি:মি: / ঘণ্টা |
| তিনিচকীয়া বাহন (ব্যক্তিগত/বাণিজ্যিক) | ৫০ কি:মি: / ঘণ্টা | ৫০ কি:মি: / ঘণ্টা | ৪০ কি:মি: / ঘণ্টা |

২০২০ চনত অসমত ১৮৯৯ জন লোকৰ মৃত্যু তীব্ৰগতিত বাহন চলোৱাৰ ফলত হৈছিল

"তীব্ৰগতি ত্যাগ কৰক
নিজৰ লগতে আনৰো
জীৱন সুৰক্ষিত কৰক"

গতিসীমা উলংঘা কৰাৰ জৰিমনা
এল.এম.ভি: ২০০০ টকা
এইছ.এম.ভি/এম.এম.ভি: ৪০০০ টকা

*চৰকাৰৰ অধিসূচনা নং TMV.47/2021/Vol.-IV/145 - A ৰ অনুসৰি

@TransportAssam 9531107518

জনসংযোগ/ডি/৭৩২১/২২

দৈনিক অগ্ৰদূত

গুৱাহাটী মঙলবাৰ ২৭ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১২ জুলাই ২০২২

# কেৱল চমক?


অসমৰ প্ৰতিখন চহৰকে আৱৰ্জনামুক্ত কৰি তুলিবলৈ বিজেপিয়ে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি পৌৰ নিৰ্বাচনত প্ৰতিশ্ৰুতি দিছিল। কোৱা হৈছিল যে ৰাজ্যৰ প্ৰতিখন চহৰক আৱৰ্জনামুক্ত কৰিবলৈ দৈনিক জমা হোৱা আৱৰ্জনা নিষ্কাসনৰ ব্যৱস্থা কৰা হ'ব, যাতে সকলো চহৰ-নগৰ নিকা হৈ থাকে। কিন্তু বাস্তৱত পৌৰ প্ৰশাসন দখলৰ পাছত এই দিশত কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। গুৱাহাটীকে ধৰি ৰাজ্যৰ প্ৰায় প্ৰতিখন চহৰ-নগৰৰে অন্যতম এটি সমস্যা হৈছে বৰ্ধিত আৱৰ্জনা আৰু প্ৰদূষণ। প্লাষ্টিকৰ অত্যধিক ব্যৱহাৰৰ লগে লগে আৱৰ্জনাৰ সমস্যাটোৱে অতি গুৰুতৰ ৰূপ ধাৰণ কৰিছে। এই ক্ষেত্ৰত গুৱাহাটীৰ কথাকে ক'ব পাৰি। গুৱাহাটীত আৱৰ্জনাৰ এই সমস্যাটো কিমান ভয়াৱহ, সেয়া প্ৰতিজন মহানগৰবাসীয়ে অনুভৱ কৰি আহিছে। পৌৰ প্ৰশাসনে কিন্তু আজিলৈকে গুৱাহাটীক আবৰ্জনামুক্ত নিকা চহৰত পৰিণত কৰিবলৈ সফল নহ'ল। এইটো নহয় যে গুৱাহাটী পৌৰ নিগমে গুৱাহাটীক আৱৰ্জনামুক্ত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা নাই। সময়ে সময়ে নিগমে নানা নিয়ম-নীতি তথা ব্যৱস্থা প্ৰৱৰ্তনৰে আৱৰ্জনাৰ কবলৰ পৰা মহানগৰখনক মুক্ত কৰাবলৈ উদ্যোগ গ্ৰহণ কৰিছে ঠিকেই, কিন্তু আজিও প্ৰকৃতাৰ্থত গুৱাহাটী এখন নিকা-পৰিচ্ছন্ন চহৰ হিচাপে স্বীকৃত হ'ব নোৱাৰিলে।

দৰাচলতে এখন চহৰ-নগৰ পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিবলৈ হ'লে প্ৰথমে পৌৰ প্ৰশাসন সক্ৰিয় তথা কঠোৰ হ'ব লাগিব আৰু একে সময়তে বাসিন্দাসকলো পৰিচ্ছন্নতাৰ সন্দৰ্ভত সজাগ আৰু আগ্ৰহী হ'ব লাগিব। আমাৰ ৰাজ্যত এই দুয়োটাৰে অভাৱ প্ৰত্যক্ষ হৈ আহিছে। যিদৰে পৌৰ প্ৰশাসনে এই ক্ষেত্ৰত গা এৰা মনোভাৱ প্ৰদৰ্শন কৰি আহিছে, একেদৰে চহৰ-নগৰৰ বাসিন্দাসকলেও আৱৰ্জনা আৰু অপৰিচ্ছন্নতাক আওকান কৰি আহিছে। গুৱাহাটীক নিকা-পৰিচ্ছন্ন কৰিবলৈ পৌৰ নিগমে ৰাজহুৱা স্থান, ৰাজপথৰ দাঁতিত আৱৰ্জনা পেলোৱা নিষিদ্ধ কৰি ঘৰে ঘৰে আৱৰ্জনা সংগ্ৰহৰ ব্যৱস্থা কৰিছিল; কিন্তু এতিয়া এই ব্যৱস্থাৰ কি হ'ল? মহানগৰীৰ প্ৰায়বোৰ অঞ্চলতে এতিয়া ঘৰৰ পৰা আৱৰ্জনা সংগ্ৰহৰ এই আঁচনি ভেঁকোভাওনাত পৰিণত হ'ল। কোনো অঞ্চলত আৱৰ্জনা সংগ্ৰহ কৰা হ'লেও সেয়া নিয়মীয়া নহয়। ফলত পথৰ কাষৰ পৰা ডাষ্টবিন আঁতৰাই নিলেও তেনেবোৰ স্থানতে আৱৰ্জনা পেলাবলৈ গুৱাহাটীবাসী বাধ্য হৈছে। বহু অঞ্চলত এইটোও প্ৰত্যক্ষ হৈ আহিছে যে ঘৰৰ পৰা আৱৰ্জনা সংগ্ৰহ কৰা নিগমৰ বাহনে পূৰ্বৰ ডাষ্টবিন ৰখা স্থানতে পথৰ ওপৰতে আৱৰ্জনাবোৰ দ'মাই থয়। এইদৰেই গুৱাহাটীখন আৱৰ্জনাৰে কদৰ্য হৈ আছে। অৱশ্যে গুৱাহাটীক এইদৰে আৱৰ্জনাৰে ভৰাই তোলাত একাংশ মহানগৰবাসীও জগৰীয়া। অসচেতন নাগৰিকে য'তে-ত'তে প্লাষ্টিকৰ পেকেট, বটল, অন্য আৱৰ্জনা, থুই-পিক্ পেলোৱা গুৱাহাটীক কদৰ্যময় কৰি তুলিছে। একোখন চহৰৰ বাসিন্দাসকল যদি স্বচ্ছতা তথা পৰিচ্ছন্নতা ৰখাৰ প্ৰতি সচেতন আৰু আগ্ৰহী নহয়, তেন্তে সেই চহৰক নিকা-সুন্দৰ কৰি তোলা পৌৰ প্ৰশাসনৰ বাবে কম প্ৰত্যাহ্বানমূলক নহ'ব। গুৱাহাটীৰ ক্ষেত্ৰতো আজি এই সমস্যাটোৱে হৈছে।

চৰকাৰ তথা প্ৰশাসনে সময়ে সময়ে এনেবোৰ সমস্যাৰ সমাধানত গুৰুত্ব দি সক্ৰিয়তা প্ৰদৰ্শন কৰে, কিন্তু অসুবিধাটো হ'ল প্ৰশাসনে ধাৰাবাহিকতা ৰক্ষা নকৰে। দুদিনমান ব্যৱস্থা গ্ৰহণ কৰিয়ে পুনৰ মূৰ পোলোকা দিয়াৰ ফলত গুৱাহাটীখন জাকত-জিলিকা কৰাটো বাস্তৱত সম্ভৱ হৈ উঠে। মাত্ৰ এবছৰমান পূৰ্বে গুৱাহাটীত অত্যাধুনিক ৰূপত কে'বাখনো 'ফুট ব্ৰীজ'ৰ নিৰ্মাণ কৰা হৈছিল; কিন্তু এতিয়া প্ৰয়োজনীয় চোৰাচিতাৰ অভাৱত 'ফুটব্ৰীজ' অৱস্থা প্ৰায় অচল হৈছে। এনে 'ফুট-ব্ৰীজ'খন বহুদিন ধৰি পৰিষ্কাৰ নকৰাৰ ফলত ধূলিৰে কদৰ্য হৈছে যদিও প্ৰশাসনে কোনো ব্যৱস্থা লোৱা নাই। সাধাৰণ 'ফুট-ব্ৰীজকেইখনকে সচল-পৰিষ্কাৰ কৰি ৰাখিব নোৱাৰিলে সমগ্ৰ গুৱাহাটীক স্বচ্ছ চহৰত প্ৰশাসনে পৰিণত কৰিব কেনেকৈ? কোনো ৰাষ্ট্ৰীয় নেতাৰ ভ্ৰমণ উপলক্ষে গুৱাহাটীৰ বাট-পথ ৰং কৰি নানাৰঙী আলোকৰে সজ্জিত কৰি তোলা হয়, কিন্তু প্ৰশ্ন হ'ল কেৱল এইসকলৰ আগমনতহে চহৰখন চাফা কৰা হয় কিয়? পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ এনে পদক্ষেপৰ ধাৰাবাহিকতা কিয় পৌৰ প্ৰশাসনে ৰক্ষা কৰিব নোৱাৰে? ৰাজ্যৰ চহৰক আৱৰ্জনামুক্ত কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ পৰিৱৰ্তে প্ৰশাসনে এই দিশত কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলেহে আমাৰ চহৰ-নগৰসমূহ স্বচ্ছ-নিকা হৈ উঠিব। অন্যথা স্বচ্ছতা আমাৰ ৰাজ্যত এক চমক হৈয়ে ৰ'ব।

## খোলা মঞ্চ

### অৰ্ধ শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা



৫০ বছৰ আগৰ অসমৰ যি সামাজিক আৰু শৈক্ষিক পৰিৱেশ, তাত বাতৰি কাকত এখন প্ৰকাশ কৰাৰ চিন্তা এক বৌদ্ধিক বিলাসিতাৰ বাহিৰে আন একো নাছিল। লগতে আছিল ভাষাপ্ৰেমৰ আৰু জাতীয়তাবাদৰ আত্মিক দংশন। সেই সময়ত তেনে এক উদ্ভট যেন লগা চিন্তাধাৰাৰেই জন্ম হৈছিল তিনিদিনীয়া 'অগ্ৰদূত' কাকতখন। প্ৰকাশক আৰু সম্পাদক আছিল কনকসেন ডেকা। শিক্ষাবৃত্তিৰ লগে লগে অসম মাতৃৰ সেৱা, ভাষা জননীৰ সেৱাৰ আকুলতাই তেওঁক হেঁচুকি নিছিল বাতৰি কাকত প্ৰকাশৰ দিশলৈ। তেতিয়ালৈকে সমাজ জীৱনৰ বিভিন্ন বা-বাতৰি, খেলা-ধূলাৰ বা-বাতৰি আৰু নগৰ-চহৰৰ বিভিন্ন সমস্যা প্ৰকাশেই আছিল বাতৰি কাকতৰ মূল বিষয়বস্তু।

'অগ্ৰদূত'ৰ প্ৰকাশৰ কেইবছৰমানৰ ভিতৰতে ৰীণা ডেকা নামৰ এগৰাকী ছোৱালীৰ চাঞ্চল্যকৰ হত্যাৰ ধাৰাবাহিকভাৱে সংবাদ পৰিৱেশনেৰে 'অগ্ৰদূত' কাকতখন অনুসন্ধানমূলক বা-বাতৰিৰ ক্ষেত্ৰত এক নতুন ধাৰাৰ বাটকটীয়া হৈ পৰে। লগে লগে সেই উপজি পুৱাতে 'অগ্ৰদূত' অসমৰ চুকে-কোণে লোকৰ এৰাব নোৱৰা বৌদ্ধিক সংগী হৈ পৰে।

**প্ৰদীপ কুমাৰ শৰ্মা,** লেখক

বাতৰি কাকত একোখন জাতীয় চিন্তা-চেতনাৰ দাপোণ স্বৰূপ। নিৰ্ভীক আৰু স্পষ্টবাদিতা হৈছে ইয়াৰ মূল উপজীব্য। ছবছৰীয়া অসম আন্দোলনৰ সময়ত অগ্ৰদূতে জাতীয় দায়িত্ব নিৰ্ভীকতাৰে পালন কৰা দেখা গৈছিল। অসম আন্দোলনৰ ঔচিত্য আৰু গুৰুত্ব দেশবাসীৰ সন্মুখত তুলি ধৰাৰ যি দায়িত্ব তাক কাৰ্পণ্যহীনভাৱে পালন কৰিছিল; কিন্তু আৱেগৰ জোৱাৰতো কোনোদিন উটি-ভাহি যোৱা নাছিল। আন্দোলনৰ ভুল-ভ্ৰান্তি আৰু নেতৃত্বৰ দুৰ্বলতাক সমালোচনা কৰাৰ ক্ষেত্ৰতো 'অগ্ৰূদত' কোনোদিনে পিছ হোঁহকা নাছিল।

অসম আন্দোলনৰ লগে লগে অসমত আলফাৰ জন্ম হ'ল। অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন আৰু অসমীয়া জাত্যাভিমানৰ বিস্ফোৰণ হৈছে আলফা। কিছু ডেকা ল'ৰাই অহিংস প্ৰথাৰে অসমৰ সমস্যা যে সমাধান হ'ব, তাত সন্দিহান হৈ সশস্ত্ৰ আন্দোলনৰ পোষকতা কৰি সশস্ত্ৰ গোট আলফাৰ জন্ম দিয়ে। প্ৰথমতে যদিও এওঁলোকৰ উদ্দেশ্য আৰু পথ ভ্ৰান্তিহীন আছিল কিন্তু আলফাই সংগ্ৰামখন আগুৱাই নিয়াৰ স্বাৰ্থতে জধে-মধে কৰা সদস্যভুক্তি, আপোচহীন মানসিকতা, মাৰণাস্ত্ৰৰ ব্যৱহাৰত সংযমহীনতা আৰু থলুৱা অৰ্থনীতিক গতি দিব পৰা দিক নিৰ্ণায়ক ভূমিকাৰ অভাৱৰ বাবে লাহে লাহে আত্মিকভাৱে আলফাৰ গণ বিচ্ছেদ ঘটিল। অগ্ৰদূতে জাতিৰ অভিভাৱকৰ দায়িত্ব পালন কৰি আলফাৰ সমাজবিৰোধী কাৰ্যকলাপসমূহক আঙুলিয়াই দি থাকিল। পৰিণতিত সম্পাদকলৈ প্ৰাণ নাশৰ ভাবুকিও আহিল। তথাপি অগ্ৰদূতে নতি স্বীকাৰ কৰা আমাৰ চকুত নপৰিল।

জনমত গঠন আৰু জনমত প্ৰকাশৰ উচ্চ নৈতিক দায়িত্বৰ পৰম্পৰা বাতৰি কাকতসমূহে পালন কৰা উচিত, অগ্ৰদূতে সেই দায়িত্ব যোৱা ৫০ বছৰৰ অধিক কাল নিষ্ঠা সহকাৰে পালন কৰি আহিছে। তিনিদিনীয়া 'অগ্ৰদূত'ৰ ২৫ বছৰ পাছত 'দৈনিক অগ্ৰদূত' কাকতৰ জন্ম হ'ল। অসমীয়া দৈনিক কাকতত ই এটা যুগান্তৰ আনিলে। অভিলেখ সংখ্যক ৫০ বছৰতকৈও অধিক কাল 'অগ্ৰদূত'ৰ নিৰৱচ্ছিন্নভাৱে সম্পাদকৰ দায়িত্বত থকা, অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰা কনকসেন ডেকাৰ সম্পাদকীয় পৃষ্ঠা অসমীয়া সাহিত্য সাধনাৰ এক বিৰল উদাহৰণ। শিল্প-সাহিত্য, কলা-সংস্কৃতি, ধৰ্ম সমাজ, ইতিহাস আদিৰ আলোচনা-পৰ্যালোচনা বাদ দি যদি বিচাৰ কৰো, অকল সম্পাদকীয় স্তম্ভৰেই 'অগ্ৰদূত' অসমীয়া জাতিৰ সুস্থ আৰু বলিষ্ঠ কণ্ঠ।

ফোন ঃ ৯৯৫৪৭৬৭৫৭৫

# মানৱীয় সহমৰ্মিতাই সাম্প্ৰদায়িক সম্প্ৰীতিৰ আধাৰ


## ধৰ্মবিশ্বাস বা ধৰ্মীয় ৰীতি-নীতিৰ সামাজিক আৰু আইনগত অধিকাৰ প্ৰত্যেকটো ধৰ্মীয় সম্প্ৰদায়ৰে আছে

যোৱা ১০ জুলাইত মুছলমান ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ উৎসৱ ঈদ-উজ-জোহাৰ উদ্‌যাপন উলহ-মালহেৰে হৈ গ'ল। ক'ভিড অতিমাৰীৰ বাবে যোৱা দুবছৰে ঈদৰ ৰাজহুৱা নামাজৰ ব্যৱস্থা কৰিব পৰা নহৈছিল। এইবাৰ ক'ভিডৰ বাধা নিষেধ নথকাত ৰাজ্যৰ সৰ্বত্ৰ ব্যাপক প্ৰস্তুতিৰে ৰাজহুৱা নামাজৰ উদ্‌যাপন হৈ যায়। ৰাজ্যবাসীৰ বাবে সেইটো আনন্দৰ কথা।

অসমৰ বাবে এই ঈদৰ বিশেষ লক্ষ্যণীয় কথা আছিল গৰুৰ কোৰবানি বিষয়ক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্কটো। ঈদৰ আগে আগে ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে গো-সুৰক্ষা আইন (Assam Cattle Preservation Act 2021) আৰু Animal welfare Board of Indiaৰ অধিনিয়মৰ দোহাই দি ঈদত গৰু বা আন জীৱ-জন্তু অবৈধভাৱে হত্যা কৰিব নোৱাৰিব বুলি নিৰ্দেশনা জাৰি কৰিছিল আৰু তাৰ উলংঘনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলাসমূহৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক জনাই দিছিল। সেই চৰকাৰী নিৰ্দেশনাৰ প্ৰত্যাহ্বান জনাই হিফজুৰ ৰহমান চৌধুৰী নামৰ লোক এজনে গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন (পি আই এল) দাখিল কৰিছিল। সেই আবেদনৰে শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে ন জুলাইৰ দিনা স্পষ্ট কৰি দিছিল যে ইছলামধৰ্মী লোকসকলে অসম গো-সুৰক্ষা আইন ২০২১ ভংগ নকৰাকৈ ঈদত কোৰবানি দিব পাৰিব। সেই প্ৰসংগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও ইছলামধৰ্মী লোকসকলৰ প্ৰতি আহ্বান জনায় যে, তেওঁলোকে যেন আন ধৰ্মৰ লোক থকা অঞ্চলত কোৰবানি দি তেওঁলোকৰ মনত দুখ নিদিয়ে। তেওঁ এই কথাও স্পষ্ট কৰি দিয়ে যে আৰক্ষীয়ে কোনো আইন ভংগকাৰীৰ পাছত দৌৰা-দৌৰি নকৰিব আৰু ৰাইজেই তেওঁৰ অনুৰোধ বিবেচনা কৰিব।

উল্লেখনীয় যে এইবাৰ বদৰুদ্দিন আজমলেও অসমৰ মুছলমান ৰাইজক ঈদত গৰু কোৰবানি নিদিবলৈ ভালেকেইদিন আগৰে পৰা আহ্বান জনাই আছিল।

—The Assam cattle preservation Act, 2021ৰ মতে কোনো কোনো প্ৰশাসনৰ অনুমতি প্ৰাপ্ত স্থানৰ বাহিৰে আন ক'তো গো-মাংস পোনপটীয়াকৈ বেচা-কিনা কৰিব নোৱাৰে। একেদৰে গো-হত্যা আৰু গো-মাংস বিক্ৰী নিষিদ্ধ হোৱা বা কৰা স্থানসমূহৰ কথাও আইনখনত স্পষ্টভাৱে উল্লেখ কৰা আছে ঃ Areas where there is a population of 'Hindus, Jains, Sikhs and other non-beef-eating communities or within a radius of 5 kilometres of any temple, xatra or other religious institutions.' এইবোৰ স্থানৰ বাহিৰে বাকী মুছলমান-অধ্যুষিত ঠাইবোৰত ঈদৰ সময়ত গৰুৰ কোৰবানিত কোনো বাধা নাছিল। চৰকাৰী নিৰ্দেশনাটোতো এইখন আইনৰ কথাই কোৱা হৈছিল, গুৱাহাটী উচ্চ ন্যায়ালয়েও এইখন আইনকে ভংগ নকৰাকৈ কোৰবানি কৰিব পাৰিব বুলি স্পষ্ট কৰি দিছিল আৰু মুখ্যমন্ত্ৰী ড° শৰ্মাইও এই একেখন আইনতে থকা নিষিদ্ধ অঞ্চলবোৰত গৰু কোৰবানি নিদিবলৈ ৰাজ্যৰ মুছলমান সমাজখনক আহ্বান জনাইছিল। তাৰ পাছত পণ্ডিত আৰু



**অসবৰ্ণ**

**হীৰেন গগৈ**

সাংবাদিকসকলৰ কথা, তাক কেনেদৰে উপস্থাপন কৰে। 'একং সদ্ বিপ্ৰা বহুধা বদন্তি।'

ইছলাম আৰু খ্ৰীষ্টধৰ্ম প্ৰমুখ্যে পৃথিৱীৰ বহু ধৰ্মমতৰ মানুহে গো-মাংস নিয়মীয়া খাদ্যৰূপে ব্যৱহাৰ কৰে। ভাৰতৰে আমাৰ পূৰ্বোত্তৰৰ বহু জনজাতীয় লোকে গো-মাংস খায়। কেৱল হিন্দুৱেহে গৰুক পূজা কৰে। অৱশ্যে কৃষি কৰ্মত গৰুৰ ব্যৱহাৰ হোৱাৰ পৰাহে। তাৰ আগত হিন্দুৰ বাবেও গো-মাংস অভক্ষ নাছিল বুলি সমাজ-গৱেষকসকলে কয়। সেই কথা বাৰু বাদ। অতি দূৰ অতীতৰ পৰাই হিন্দুসকলৰ বাবে গৰু পূজাৰ পাত্ৰ হৈ আহিছে। আনহাতে, হিন্দুৰ চতুৰ্বৰ্ণ ব্যৱস্থা বা শৃংখলাৰ বাহিৰত ৰৈ যোৱা জনগোষ্ঠী বা সম্প্ৰদায়ৰ মানুহো ভাৰতত অতীজৰে পৰা আছে, যিসকলৰ খাদ্যাভ্যাস গোড়া হিন্দুসকলৰ খাদ্যাভ্যাসৰ স'তে নিমিলে। কালক্ৰমত ইছলাম আৰু খ্ৰীষ্টধৰ্মও ভাৰতলৈ আহিল। এতিয়া ভাৰতবৰ্ষ বিভিন্ন ধৰ্মৰ মানুহৰ উমৈহতীয়া গৃহভূমি বা মাতৃভূমি আৰু প্ৰত্যেকটো ধৰ্মৰ মানুহৰে নিজৰ ধৰ্মবিশ্বাস বা ধৰ্মীয় ৰীতি-নীতিৰ পৰম্পৰা মানি চলাৰ অধিকাৰো প্ৰকৃতি, ইতিহাস আৰু আইনৰ দ্বাৰা স্বীকৃত। খাদ্যাভ্যাস, সাজ-পাৰ, কলা-সংস্কৃতি, আচাৰ-আচৰণ, উৎসৱ-পাৰ্ৱণ, পূজা-উপাসনা, মাত-কথা সকলোতে ভাৰতবাসীৰ বৈচিত্ৰ্যৰ বৈভৱ।

ভাৰতীয় মনীষাই এই বৈচিত্ৰ্যৰ মাজতে সদায় ঐক্যৰ সন্ধান কৰি আহিছে আৰু সেই ঐক্যৰ আধাৰ হৈছে মানৱীয় সহমৰ্মিতা, যি ধৰ্মীয় সহনশীলতাৰো উদ্‌গাতা। মানুহৰ লগত মানুহৰ সংঘাত ধৰ্মক লৈয়ে আটাইতকৈ বেছি। সেই সংঘাতৰ উপশমৰ বাবেই আমি ধৰ্মীয় সহনশীলতা বা সহ-অৱস্থানৰ কথা কওঁ, অনুশীলন কৰিবলৈ চেষ্টা কৰো; কিন্তু ধৰ্মীয় আৱৰণবোৰৰ উৰ্ধ্বত সকলো মানুহৰে একক মানৱীয় পৰিচয় এটা স্বীকৃত নহ'লে আৰু সেই পৰিচয়ৰ লগত সংপৃক্ত সহমৰ্মিতা বা ভাতৃত্ববোধৰ চেতনা এটা জাগ্ৰত কৰিব নোৱাৰিলে, ধৰ্মীয় সহনশীলতাৰ তত্ত্বও কেৱল বাগাড়ম্বৰতহে পৰিণত হয় বা হ'বগৈ। ধৰ্মীয় সহনশীলতাই সহিবলৈহে শিকাব পাৰে, এৰিবলৈ নিশিকায়; কিন্তু প্ৰত্যেকেই কিছু (নিজৰ) এৰিবলৈ নিশিকিলে পৰস্পৰৰ মাজৰ শান্তিপূৰ্ণ সহাৱস্থান কেতিয়াও স্থায়ী হ'ব নোৱাৰে। ধৰ্মবিশ্বাস বা ধৰ্মীয় ৰীতি-নীতিৰ সামাজিক আৰু আইনগত অধিকাৰ প্ৰত্যেকটো ধৰ্মীয় সম্প্ৰদায়ৰে আছে আৰু সকলোৰে সেই অধিকাৰ আছে বাবেই অধিকাৰৰ মাজত সংঘাতো আছে। সেই সংঘাতে সাময়িক সহনশীলতাৰ বৌদ্ধিক ভেঁটিটোক ক্ষন্তেকতে বানে মথাউৰি ভাঙি উটুৱাই নিয়াৰ দৰে খহাই নিশ্চিহ্ন কৰি দিব পাৰে। মই হিন্দু, মই মুছলমান, মই খ্ৰীষ্টান, মই বৌদ্ধ, মই শিখ হ'লো বুলি আৰু কিমান



সহি থাকিম বুলি প্ৰত্যেকেই অপৰজনক ফেপেৰি পাতি ধৰিব পাৰে। এনে এক পৰিস্থিতি সৃষ্টিৰ পৰা মানুহক বিৰত ৰাখিব পাৰে কেৱল মানৱীয় সহমৰ্মিতাইহে, কোনো সংবিধান, আইন-আদালত বা যুক্তিবাদে নহয়।

সহমৰ্মিতাৰ ভাব নাথাকিলে মানুহ অমানুহ হয় আৰু অমানুহে নিজৰ ধৰ্ম, ঈশ্বৰ, ৰাজনীতিৰ নামত মানুহৰ ৰক্ত পান কৰে। সেয়ে মানৱীয় সহমৰ্মিতাক মানুহৰ সৰ্বশ্ৰেষ্ঠ অধিকাৰ হিচাপে বিধিবদ্ধ কৰাৰ প্ৰয়োজন আছে। সেই অধিকাৰ আইনগতভাৱে স্বীকৃত নহ'লে, এটা ধৰ্মৰ মানুহে ইটো ধৰ্মৰ পৰা আৰু পৰস্পৰে পৰস্পৰৰ পৰা সহমৰ্মিতা দাবী কৰাৰ আইনগত অধিকাৰ নাপালে, ভিন্ন সম্প্ৰদায়ৰ মাজত প্ৰকৃত আৰু স্থায়ী বুজা পৰাৰ পৰিৱেশ এটাৰ কেতিয়াও সৃষ্টি নহ'ব। ধৰ্মীয় গোড়ামি মানৱীয় অপৰাধ বুলি আৰু এৰা-ধৰাৰ কাৰ্য মানৱীয় দায়িত্ব বুলি বিধিবদ্ধ আৰু বলৱৎ যোগ্য হ'ব লাগিব।

**সহমৰ্মিতাৰ ভাব নাথাকিলে মানুহ অমানুহ হয় আৰু অমানুহে নিজৰ ধৰ্ম, ঈশ্বৰ, ৰাজনীতিৰ নামত মানুহৰ ৰক্ত পান কৰে। সেয়ে মানৱীয় সহমৰ্মিতাক মানুহৰ সৰ্বশ্ৰেষ্ঠ অধিকাৰ হিচাপে বিধিবদ্ধ কৰাৰ প্ৰয়োজন আছে**

ইছলামিক দেশবোৰৰ দৰে ধৰ্মীয় ৰাষ্ট্ৰত এনে এক বিধান অকল্পনীয় হ'ব পাৰে। কাৰণ ধৰ্মীয় ৰাষ্ট্ৰ মানেই মানৱীয় সহমৰ্মিতাৰ অপঘাত বা অৱদমন; কিন্তু ভাৰতবৰ্ষৰ দৰে উদাৰ গণতান্ত্ৰিক দেশ এখনক যদি ধৰ্মান্ধতাৰ পৰা বচাই ৰাখিব লাগে, তেনেহ'লে ইয়াত এখন ব্যতিক্ৰমধৰ্মী মানৱীয় সহমৰ্মিতা আইনৰ প্ৰণয়ন আৰু প্ৰয়োগ হ'ব লাগিব। সংখ্যালঘুৰ নামত ধৰ্মীয় তুষ্টিকৰণৰ নীতি পৰিহাৰ কৰি সংখ্যাগুৰু আৰু সংখ্যালঘু উভয় সম্প্ৰদায়কে পাৰস্পৰিক সহমৰ্মিতাৰ দায়বদ্ধতাৰ বান্ধোনেৰে বান্ধিব লাগিব; কিন্তু বৰ্তমান ভাৰতবৰ্ষত ধৰ্মনিৰপেক্ষতাৰ ভ্ৰান্ত তত্ত্বৰ নামত কেৱল সংখ্যাগুৰু সম্প্ৰদায়ক নিৰস্ত্ৰ কৰি সংখ্যালঘুক গোড়ামিৰ অবাধ সুযোগ দি থকা হৈছিল। তাৰ পৰিণাম স্বৰূপেই সংখ্যাগুৰু সম্প্ৰদায়ৰ মাজত প্ৰত্যাঘাতৰ প্ৰৱণতা জোৰদাৰ হৈ উঠিছে। হিন্দুত্ববাদী শক্তিৰ ৰাজনৈতিক উত্থানৰ কাৰণ সেইটোৱেই। তাৰ মূল্য ভৰিবলগীয়া হৈছে সংখ্যালঘু সম্প্ৰদায়ে। কংগ্ৰেছৰ বিকৃত ধৰ্মনিৰপেক্ষতাৰ নীতিয়ে ভাৰতবৰ্ষৰ মুছলমান সমাজখনৰে ক্ষতি কৰিলে সৰ্বাধিক— তেওঁলোকৰ গোড়ামিৰ লেকাম এৰি দি আৰু বিশাল সংখ্যাগুৰু হিন্দুৰ মুছলমান বিদ্বেষত জুই দি। এই অৱস্থাত ভাৰতবৰ্ষক এক চৰম ধৰ্ম সংঘাতৰ পৰা বচাবলৈ হ'লে উভয় সম্প্ৰদায়কে পৰস্পৰৰ প্ৰতি সহমৰ্মী হ'বলৈ বাধ্য কৰিব পাৰিব লাগিব। হিন্দুৱে যিদৰে বুজিব লাগিব যে দেশৰ মুছলমান সমাজখনৰ লগত চিৰকাল সহাৱস্থান কৰিয়েই আগবাঢ়ি যাব লাগিব আৰু সেয়ে মানৱীয় সহমৰ্মিতাৰে তেওঁলোকক সহযাত্ৰী বুলি আদৰি ল'ব লাগিব, একেলগে মুছলমানসকলেও মনে-প্ৰাণে মানি ল'ব লাগিব যে দেশৰ হিন্দু সমাজখনৰ প্ৰতিও তেওঁলোকৰ কিছু কৰণীয় আৰু এৰিবলগীয়া আছে, যি উপলব্ধি কেৱল মানৱীয় সহমৰ্মিতাৰ জৰিয়তেহে সম্ভৱ আৰু যিটোক আইন আৰু সংবিধানকেন্দ্ৰিক বিবাদ-বিতৰ্কই সদায় দমন কৰি ৰাখিব।

অসমত এই কোৰবানি বিতৰ্কৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যিটো নীতিগত স্থিতি গ্ৰহণ কৰিলে, সি আইনৰ উৰ্ধলৈ উধাই এক অভেদ্য আৰু অব্যৰ্থ ক্ষেপণাস্ত্ৰত পৰিণত হোৱা যেনেই লাগিছে। আনসকল মোৰ স'তে একমত হয়তো নহ'বও পাৰে আৰু নোহোৱাই স্বাভাৱিক; কিন্তু মোৰ অনুভৱ, ড° শৰ্মাই ৰাজ্যৰ মুছলমান জনসমাজখনক আইন-আদালতৰ ভয় দেখুওৱাৰ সলনি তেওঁলোকৰ বিবেকৰ ওপৰত যিটো টোকৰ মাৰিলে, সি তাত এটা জোঁকাৰণি নিশ্চয় তুলিছে বা তুলিব। অন্য ধৰ্মৰ মানুহেও বসবাস কৰি থকা স্থানত তেওঁলোকৰ মনত দুখ দি গৰু কোৰবানি কৰিলে মুছলমানসকলৰ প্ৰাৰ্থনাও আল্লাই মঞ্জুৰ কৰিব নোৱাৰে বুলি তেওঁ যি আবেগিক সকীয়নি দিলে, তাক প্ৰত্যাখ্যান কৰাটো শুভবুদ্ধি সম্পন্ন মুছলমানসকলৰ বাবে নিশ্চয় সহজ নহ'ব। ড° শৰ্মাই ঈদৰ শুভক্ষণত মুছলমান সমাজখনৰ মাজলৈ আইন বলৱৎকাৰী আৰক্ষীক পঠোৱা নাই, পঠাইছে খোদ আল্লাক, তেওঁলোকৰ বিবেকৰ আইন বলৱৎ কৰাৰ কাৰণে। গৰু কোৰবানি নকৰিবলৈ আহ্বান জনাই অহা বদৰুদ্দিন আজমলো দেখোন এতিয়া ড° শৰ্মাৰ শাৰীতে।

কিন্তু ড° শৰ্মাই জনোৱা আহ্বানটো আন যিকোনো এজন লোকেও নিশ্চয় জনাব পাৰে বা পাৰিলেহেঁতেন; কিন্তু তাৰ বহু আগতেই তেওঁ বা তেওঁৰ চৰকাৰখনে যিটো কাম যোৱা ২০২১তে কৰি লৈছিল, আন এটা দল বা আন কোনো নেতাৰ বাবে সেইটো হয়তো সম্ভৱ নহ'লহেঁতেন। মানৱীয় সহমৰ্মিতাৰ জাগৃতি আৰু ৰক্ষণা-বেক্ষণৰ বাবেও এটা আইনগত ভিত্তিৰ বা বিধিগত ব্যৱস্থাৰ যি প্ৰয়োজনীয়তাৰ কথা মই উল্লেখ কৰিছিলো, তাৰেই সাকাৰ ৰূপ এটা আছিল The Assam Cattle Preservation Act, 2021। সেই আইনখনৰ অবিহনে ড° শৰ্মাৰ বৰ্তমানৰ আহ্বানটো এজন পৰাজিত সেনাপতিৰ অসহায় অৰণ্যৰোদন বুলিহে চিহ্নিত হ'লহেঁতেন। But now he speaks from a position of strength and appeals from a heart overflowing with self-confidence.

ফোন ঃ ৮৮১১৮২৭৪৩২

## অসমীয়া মুছলমানক খিলঞ্জীয়াৰ স্বীকৃতি প্ৰদান

# চৰকাৰৰ আন্তৰিকতা নে বিভাজনৰ ৰাজনীতি?

**মজিবুৰ ৰহমান**

**যোৱা** পাঁচ জুলাইত অসম চৰকাৰে এক কেবিনেট সিদ্ধান্ত মৰ্মে অসমৰ পাঁচটাকৈ ইছলামধৰ্মী জনগোষ্ঠী ক্ৰমে দেশী, গৰিয়া, মৰিয়া, জলহা আৰু চৈয়দসকলক খিলঞ্জীয়াৰ মৰ্যাদা প্ৰদান কৰিছে। আচলতে মৰ্যাদা প্ৰদান কৰা নাই, তেওঁলোকৰ ইতিহাস, তেওঁলোকৰ সংস্কৃতি আদিক থলুৱা বুলি কৰি অহা দীৰ্ঘদিনীয়া দাবীক ন্যায্যতা প্ৰদান কৰিছে।

এক বৃহৎ সংখ্যক নাগৰিকে এই ঘোষণাক স্বাগতম জনাইছে। উক্ত জনগোষ্ঠী কেইটাও উৎফুল্লিত হৈ চৰকাৰক প্ৰশংসাৰে ওপচাই পেলাইছে। কাৰণ কেৱল নামৰ কাৰণে অবাঞ্চিত, অনাকাংক্ষিতভাৱে তেওঁলোকে ভুগি থকা পৰিচয় সংকটৰ উপশম হ'ল বুলি তেওঁলোকে গণ্য কৰিছে।

ঘোষণাটি হ'বলৈহে পালে। কিছুমান ন্যস্ত স্বাৰ্থ ব্যক্তিৰ বাবে যেন বৰলৰ বাঁহত জুইহে দিয়া হ'ল। ক্ষমতাৰ সোৱাদ নোপোৱা দল, কোনো দিনে গন্তিত নপৰা দল-সংগঠন, মুছলমান মুছলমান ভাই ভাই বুলি আওৰাই মুছলমানৰ মূৰত ৰামটাঙোন মাৰি ক্ৰীম খোৱা দল আৰু আনকি ৰাজ্যৰ বিৰোধী দলেও গতানুগতিকভাৱে দোষ উলিওৱা প্ৰতিযোগিতাত নামি পৰিছে। শাসনত থকা কালত কৰিবলগীয়া কামটো নকৰি বৰ্তমানৰ চৰকাৰে কৰাত নানা অযুক্তিকৰ যুক্তিৰ অৱতাৰণা কৰিছে।

বিশ্ব মুছলমান ভ্ৰাতৃত্বৰ মন্ত্ৰ মতা দল আৰু লগতে সেই দলৰ অন্ধ অনুগামীসকলে কৈছে যে মুছলমানসকল একত্ৰিত হৈ থাকিব লাগে। তেওঁলোকৰ মতে চৰকাৰৰ এয়া মুছলমানসকলক বিভাজিত কৰি মুছলমানক দুৰ্বল কৰাৰ কূটকৌশল। তেওঁলোকৰ ট্ৰ'ল আৰ্মিৰ দ্বাৰা সামাজিক মাধ্যমত ফেউৰাৰ দৰে আচৰণ কৰাবলৈ লৈছে।

ভাৰত এখন ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক ৰাষ্ট্ৰ বুলি সংবিধানৰ প্ৰস্তাৱনাতে লিখা আছে। তেন্তে অকল মুছলমানসকল একত্ৰিত হৈ থাকিবলৈ দিয়া আহ্বানৰ দ্বাৰা সংবিধানৰ ধৰ্ম-নিৰপেক্ষ চৰিত্ৰক অৱমাননা কৰা হোৱা নাইনে? মুছলমান ভ্ৰাতৃত্বৰ নামত আন ধৰ্মৰ প্ৰতি সদভাৱ আৰু সদভাৱনাৰ অভাৱ সূচোৱাৰ লগতে ধৰ্মীয় বৈষম্যক প্ৰৰোচিত কৰা হোৱা নাইনে? এনে ভাৱধাৰাৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰি সংবিধানৰ প্ৰস্তাৱনাক অৱমাননা কৰাৰ দোষত তেওঁলোক কিয় অপৰাধী নহ'ব? এই ধৰণে সংবিধান অৱমাননা কৰাটো শাস্তিযোগ্য অপৰাধ হয় নে নহয়, আইনজ্ঞসকলৰ ওপৰতে এৰি দিলো।

মুছলমানসকল ভাগ ভাগ নহৈ একত্ৰিত হৈ থাকিব লাগে কিয়? সুনাগৰিক হিচাপে ভাৰতীয়সকল বা অসমীয়াসকল একত্ৰিত হৈ থকাৰ আহ্বানহে দিব লাগে। মুছলমানসকল একত্ৰিত হৈ থকাৰ আহ্বান মানেই আন ধৰ্মৰ লোকসকলকো ধৰ্মীয়ভাৱেৰে একত্ৰিত হ'বলৈ উদগনি দিয়া। এয়া ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰখনৰ হিতৰ বাবে নিশ্চয় নহয়। ইয়ে আভ্যন্তৰীণ শান্তি-শৃংখলা বিঘ্নিত কৰাত ইন্ধনৰ কাম কৰিব নে নকৰিব?

নিৰাপদ দূৰৈত অৱস্থান কৰি দুই এজন



ৰাজনৈতিক ব্যক্তিৰ নিজ স্বাৰ্থ পূৰাবলৈ মুছলমানসকল একত্ৰিত হৈ থকাৰ বাবে প্ৰৰোচিত কৰাৰ ফলত সামূহিক লাভ একো নহ'লেও মুছলমানসকলৰ বাবে এক অপূৰণীয় ক্ষতি হোৱাটো খাটাং। ইতিমধ্যে বহুত হৈছেই। ধূৰ্ত ৰাজনৈতিক নেতাবোৰৰ কথাত গুৰুত্ব নিদি নিমাখিত সাধাৰণ মুছলমানসকলে অনুধাৱন কৰা উচিত যে মুছলমানসকল একত্ৰিত হ'বলৈ কৈ যিমানেই সপোন নেদেখুৱাওক কিয়, ১৭ শতাংশ মুছলমানে অনাদি কাললৈ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী দূৰৰ কথা, কোনো এখন ৰাজ্যৰ মুখ্যমন্ত্ৰীও পাতিব নোৱাৰে। এই অপ্ৰিয় সত্যটো যিমান সোনকালে .অনুধাৱন কৰিব পাৰিব সিমানেই মংগল। নিজৰ কাৰণেও, দেশৰ কাৰণেও।

বালিলৈ যিপাত, সুগ্ৰীৱলৈও সেইপাত। মুছলমানসকলক অভিন্ন হৈ থাকিবলৈ হিদায়াৎ দিয়া তথাকথিত মুছলমানৰ ৰক্ষাকৰ্তাসকলে আন আন ধৰ্মৰ লোকসকল একত্ৰিত হ'লে আকৌ বেয়া পায়। তেতিয়া আকৌ সংবিধানৰ ধৰ্মনিৰপেক্ষতাৰ কথা ক'বলৈ আৰম্ভ কৰো! কি দুতলীয়া চৰিত্ৰ!

এনে ধৰ্মীয় ঐক্যবদ্ধতাৰ কুমন্ত্ৰণাৰ বলি হৈ দেশ বিভাজন হৈছিল যাৰ দুখে আজিও প্ৰকৃত দেশভক্ত মুছলমানসকলক দহিছে। এনে কুমন্ত্ৰণাৰ ফলত আজিও কিমান হৃদয় বিদাৰক ঘটনা ঘটি আছে তাক যেন দিনকণা ধৰ্মান্ধবোৰে উপলব্ধি কৰিবলৈ যত্ন নকৰে। আকৌ যদিহে ধৰ্মকে একমাত্ৰ সাৰথি হিচাপে লৈ ৰাজনীতিৰ পথাৰত লুটি-পুটি খোৱা আদৰ্শবিহীন নেতাসকলৰ মুছলমান ভাতৃত্বৰ ভাষ্যত বিশ্বাস কৰাও যায়, তেন্তে একে ধৰ্মৰ কেইটামান গোষ্ঠীৰ দাবীক চৰকাৰে ন্যায্যতা প্ৰদান কৰাত উৎফুল্লিতহে হ'ব লাগিছিল। তাৰ সলনি বিৰোধ কিয়? এয়া তেওঁলোকৰ দুতলীয়া চৰিত্ৰৰ নগ্নৰূপ নহয় নে?

কিছুমান নেতাই সান্দহ খোৱা বালি তল যোৱাৰ ভয়ত চালে-বেৰে কোবাই আছে। এয়া চৰকাৰে ৰাজনীতি কৰা বুলি কৈছে। হয়, আমি মানি লৈছো ৰাজনীতি কৰিছে। ৰাজনৈতিক দলে ৰাজনীতি কৰিবই। নকৰাটোহে আচৰিত কথা। ৰাজনৈতিক দলে ৰাজনীতি নকৰিলে শিক্ষক, কৃষক, ডাক্তৰে কৰিব নেকি? যি ৰাজনীতি কৰিলে নিৰ্বলীজনৰ উপকাৰ হয়, তেনে ৰাজনীতি সদায় কাম্য।

চৰকাৰী ঘোষণাই দীৰ্ঘদিনীয়া সমস্যা এটাৰ আশুসমাধানৰ বাট মুকলি কৰিছে। এয়া প্ৰথম পৰ্যায়হে। এতিয়াও বহুদূৰ বাট বুলিবলৈ আছে। আচল সমস্যা হ'ব ৰূপায়ণ কৰাতহে। বাট মসৃণ নহয়। অনেক প্ৰতিবন্ধকতা যে আহিব তাৰ উমান পোৱা গৈছে। ঐকান্তিকতা আৰু সদিচ্ছাইহে ৰূপায়ণৰ বাট মুকলি কৰিব।

এই জনগোষ্ঠীকেইটাক অকল খিলঞ্জীয়া বা থলুৱা বুলি ঘোষণা কৰিলেই খিলঞ্জীয়া হৈ নাযায়। পানী নসৰকাকৈ আধুনিক প্ৰযুক্তিৰে শৃংখলাবদ্ধভাৱে তেওঁলোকৰ চিনাক্তকৰণ, লোকপিয়ল, পৰিচয় পত্ৰ প্ৰদানৰ উপৰি অসম চুক্তিৰ ষষ্ঠ দফাৰ অন্তৰ্গত সকলো সুবিধা প্ৰদান কৰিলেহে এই ঘোষণাৰ প্ৰকৃত মূল্যায়ন হ'ব। অন্যথা, সকলো ফুটুকাৰ ফেন হ'ব। ৰসতে নাম থোৱাৰ নিচিনা হ'ব, যাৰ ফল বৰ বেয়া ধৰণে ভুগিব লাগিব এই দুৰ্ভগীয়া জনগোষ্ঠীকেইটাই।

ফোন ঃ ৯৪৩৫৬৪৯৭৬৬

## 'অগ্ৰদূত'ৰ সোণালী জয়ন্তী বৰ্ষলৈ স্বাগতম

**'অগ্ৰদূত'** মোৰ বাবে এটি অতি প্ৰিয় শব্দ। ইয়াৰ কাৰণ হ'ল সৰুৰে পৰা মই শব্দটোৰ স'তে পৰিচিত। মোৰ তিনিটা গল্প, এটা প্ৰবন্ধ আৰু দুটা সাক্ষাৎকাৰ প্ৰকাশ হৈছিল 'অকণিৰ অগ্ৰদূত'ত। গতিকে ১৬-১৭ বছৰৰ পৰা জড়িত হ'লো এই শব্দটোৰ স'তে। 'মোৰ প্ৰথম লেখা' বুলিও প্ৰকাশ হৈছিল এই 'অকণিৰ অগ্ৰদূত'ত। তাৰ পাছত ২০০২ৰ পৰা যেতিয়া মই গুৱাহাটীলৈ আহিছিলো তেতিয়াৰ পৰা প্ৰথম দুই-তিনি বছৰ প্ৰায় একেৰাহে মোৰ লেখা প্ৰকাশ হৈছিল 'দৈনিক অগ্ৰদূত' কাকতত। চিঠিপত্ৰ-প্ৰবন্ধ আৰু সাক্ষাৎকাৰ প্ৰকাশ পাইছিল। মোৰ লেখাৰ বাবে মাননীও পাইছিলো। মই বৰ উৎসাহিত হৈছিলো। মুখ্য সম্পাদক কনকসেন ডেকাক লগ পালো। এয়া আমাৰ বাবে পৰম সৌভাগ্য। 'দৈনিক অগ্ৰদূত'ৰ পাতত মোৰ লেখা প্ৰকাশ হোৱাৰ লগতে দেওবৰীয়া 'শ্ৰীময়ী'তো নিয়মিত লেখা প্ৰকাশ হৈছিল। তাৰ পাছত কৰ্ম ব্যস্ততা আৰু ডক্টৰেট ডিগ্ৰীৰ বাবে পাঁচ বছৰ মই বিশেষ একো লিখা নাছিলো। 'অগ্ৰদূত'ৰ দেওবৰীয়া 'শ্ৰীময়ী' আৰু প্ৰকাশ হ'ব বুলি আশা কৰিলো।

**ড° জিন্টুমণি বৰা**, ফোন ঃ ৯৯৫৪৬৮৮৮২৮

## সাগৰ তলিৰ জুইকুৰা

**অভিমত**

**'আমি** অসমীয়া নহও দুখীয়া, কিহৰ দুখীয়া হ'ম', কবি কণ্ঠৰ নিসৃত গৌৰৱধ্বনি গৌৰৱতে আছেনে? হেজাৰ হেজাৰ কোটি টকা ধাৰে আনি আমাৰ মানুহক বিনা পইচাত চাউল-তেল দিছে, বিনা পইচাত ঘৰ দিছে, স্কুটী দিছে, কিতাপ দিছে, চাইকেল দিছে, ভ্ৰমণৰ সুবিধা দিছে, অৰুণোদয়ৰ ধন দিছে। বিনা পইচাই চিকিৎসাৰ সুবিধা প্ৰদান কৰিছে, সভাত উপস্থিত হ'লে খোৱা-ফুৰাত বাহিৰেও মাননি পাইছে, প্ৰশিক্ষণ নোহোৱাকৈ চাকৰি পাইছে আৰু প্ৰশিক্ষণ থকাই লাহে লাহে চাকৰিয়ালৰ অন্ত পেলাইছে। আমি এতিয়া প্ৰায় সকলোৱে কংক্ৰিটৰ অট্টালিকাৰ বাসিন্দা হৈ অস্তিত্ব ৰক্ষাৰ হুকে ফুলজাৰি মৰা লোকে অসমীয়া আহি আজি, অসমৰ শস্য পথাৰ উদং কৰি ৰাখি, হাতত হিলৈ লোৱাৰ পৰিৱৰ্তে, হাতে-হাতে ম'বাইলটো লৈ বাটে-পথে, যানবাহনত, সভাই-সমিতিয়ে নিজৰ নিজৰ লাইফ ষ্টাইল প্ৰদৰ্শন কৰা আমি এক অন্য-যুগৰ, অন্য বাসিন্দা নহ'লো জানো? আমাৰ পিতৃ-পুৰুষৰ মাটিত অবৈধ দখলদাৰীৰ দপ্‌দপনি বাঢ়ি যোৱাত, চৰকাৰী উচ্ছেদ অভিযানত খৰচৰ মাত্ৰা বঢ়াই লোৱা হ'ল। মন কাৰিছে নে ৰাইজ, আমাৰ সকলো ,প্ৰকাৰ স্নেহবন্ধন দেখোন এতিয়া এৰা-বাটৰ সুৰহে হ'ল। আজি আমাৰ ছাঁটোৰ পাছে-পাছে পৰশুৰামেই পৰশুৰাম হ'ল দেখোন। পিতৃ-মাতৃক পোহপাল দিব নিবিচৰা পুত্ৰৰ সংখ্যা বৃদ্ধি পোৱাৰ পাছত, ৰাতিটো বাহী নৌহওতেই বিশাল সম্পত্তিৰ গৰাকী হোৱা চাকৰিয়াল, দেশ-নেতাৰ ভিৰ হোৱাৰ পাছত আমি ঐক্যবদ্ধ হ'ব পাৰিমনে? নৰিয়া গাৰে যুদ্ধক্ষেত্ৰত জপিয়াই পৰি মোগলক খেদি পঠিয়াই দেশ ৰক্ষা কৰা বীৰ লাচিতৰ বীৰত্বৰহে প্ৰয়োজনত গুণ-গান গাঁও, তেৰাৰ বীৰত্বৰ অনুশীলন কৰিছোনে আমি? এতিয়া দেখোন কান্ধত নাঙল-যুঁৱলী, হাতত এছাৰি লৈ, হালৰ গৰু সন্মুখত খেদি লৈ যোৱা কৃষকৰ জাতৰ প্ৰায় অন্তৰ্ধান হ'ল। বিনা পইচাত জীয়াই থকাৰ সামগ্ৰী প্ৰাপ্তিৰ সুবিধা লাভে আমাক কৰ্মনাশা কৰা নহ'ল জানো?

**কেশৱ শৰ্মা**, ফোন ঃ ৯৪০১৮-৭৯৪০৮

দৈনিক অগ্ৰদূত



# অশান্ত মনত সংগীতৰ প্ৰভাৱ

সংগীতৰ লহৰে লহৰে শ্ৰোতাসকলে স্বতঃস্ফূৰ্তভাৱে হাত ভৰি লৰ চৰ কৰি আছিল। সংগীতৰ সুৰত সকলো ডুব গৈ আছিল। এনে অৱস্থাত হঠাতে সুৰটো সলনি হ'ল, লাহে লাহে সুৰটো এনে জটিল ৰূপত পৰিৱেশন কৰা হ'ল যে শ্ৰোতাসকলে আসনৰ পৰা উঠি নাচিবলৈ ধৰিলে। পাছত পাগলৰ দৰে নাচি নাচি ইজনে সিজনক মৰামৰি কৰিবলৈ আৰম্ভ কৰিলে।

**শশীপ্ৰভা দাস**

**পেৰিচৰ** 'অলিম্পিয়া মিউজিক হল'ত অনুষ্ঠিত হোৱা এটা সংগীতানুষ্ঠানত বহু সংখ্যক সংগীতপ্ৰেমী উপস্থিত আছিল। হলটোত মৃদু সংগীতৰ সুৰ বাজি আছিল। সংগীতৰ লহৰে লহৰে শ্ৰোতাসকলে স্বতঃস্ফূৰ্তভাৱে হাত ভৰি লৰ চৰ কৰি আছিল। সংগীতৰ সুৰত সকলো ডুব গৈ আছিল। এনে অৱস্থাত হঠাতে সুৰটো সলনি হ'ল, লাহে লাহে সুৰটো এনে জটিল ৰূপত পৰিৱেশন কৰা হ'ল যে শ্ৰোতাসকলে আসনৰ পৰা উঠি নাচিবলৈ ধৰিলে। পাছত পাগলৰ দৰে নাচি নাচি ইজনে সিজনক মৰামৰি কৰিবলৈ আৰম্ভ কৰিলে। সংগীত বন্ধ হোৱাতহে শান্ত হৈ ইজনে-সিজনক ক্ষমা খুজিবলৈ ধৰিলে। মানুহবিলাক আচৰিত হ'ল আয়োজকসকলে যেতিয়া শ্ৰোতাসকলক ক্ষমা খুজিলে। কাৰণ আয়োজকসকলে সুৰটো পৰীক্ষামূলকভাৱেহে সলনি কৰিছিল আক্ৰামক সুৰৰ প্ৰতিক্ৰিয়া চাবলৈ।

সংগীতে মানুহৰ মস্তিষ্কৰ ওপৰত গভীৰভাৱে প্ৰভাৱ পেলায়। পপ সংগীতে মানৱ মস্তিষ্কক আক্ৰমণ কৰে আৰু পাচনতন্ত্ৰকো প্ৰভাৱিত কৰে। এনে সংগীতে মানুহৰ ইন্ধন হ্ৰাস কৰি পেলায়। পপ সংগীতৰ গায়কে চিএঞৰ-বাখৰ কৰে, কেতিয়াবা কান্দে বা বিভিন্ন আচৰণ কৰে।

ভাৰতীয় সংগীত শুনিলে মানুহৰ একাগ্ৰতা বাঢ়ে, ফলত ধ্যানমগ্ন হয়, মন শান্ত হৈ পৰে। বৈজ্ঞানিক তথ্য মতে সংগীতত সৃষ্টিশীল প্ৰবৃত্তি আছে, শ্ৰোতাই মনোযোগেৰে শুনিলে গভীৰ প্ৰভাৱ পৰে। ব্ৰেইন স্কেনৰ দ্বাৰা কোৱা হৈছে যে সংগীতে ৰাজহাড়ত কম্পনৰ সৃষ্টি কৰে। ১৯৮৫ত প্ৰকাশিত গ্ৰন্থ 'জেনেৰেল অৱ মিউজিক থেৰাপি'ত মাৰ্ক ৰাইজাৰ আৰু ফ্লাইটে লিখিছে যে সংগীতে উদ্বিগ্নতা সৃষ্টি কৰা হৰমোন কাৰ্টিচেলৰ মাত্ৰা হ্ৰাস কৰে, যাৰ দ্বাৰা শৰীৰ উদ্বিগ্নমুক্ত আৰু শান্ত হৈ পৰে।

'দ্য হিলিং ফ'ৰ্চ অৱ মিউজিক'ৰ লেখক আৰ মেক্লিনে দাবী কৰিছে যে ভাৰতীয় সংগীতে দিব্য ঔষধৰ দৰে কাম কৰে, শৰীৰ মন আৰু মস্তিষ্কৰ জাগৰণৰ সৃষ্টি কৰে। সংগীতে এনে শ্ৰদ্ধাৰ ভাব জাগ্ৰত কৰে যাৰ তৰংগই মহাকাশত থকা দৈৱীশক্তিক আকৰ্ষণ কৰি কৃপা কৰিবলৈ বাধ্য কৰায়। ইয়াৰ আধাৰত প্ৰাচীন কালত ভাৰতত মন্ত্ৰদ্ৰষ্টাসকলে গায়ত্ৰী মন্ত্ৰ, মহামৃত্যুঞ্জয় আদিৰ দৰে নানা প্ৰকাৰৰ মন্ত্ৰ ৰচনা কৰিছিল, যি মন্ত্ৰৰ নিৰন্তৰ উচ্চাৰণে অলৌকিক শক্তি জাগ্ৰত কৰিব পাৰে। ইয়াৰ আধাৰতে বেদ, উপনিষদ আদি শাস্ত্ৰসমূহৰ সৃষ্টি হৈছিল।

সংগীতৰ এনে অলৌকিক শক্তি আছে, যিকোনো পৰিৱেশতে সংগীতে মানুহক আকৰ্ষণ কৰে। আনকি পশু-পক্ষী, গছ-গছনি সকলোৰে ওপৰত সংগীতৰ প্ৰভাৱ অপৰিসীম। ভগৱান শ্ৰীকৃষ্ণৰ মুৰলীৰ মধুৰ সুৰ শুনি সমগ্ৰ বৃন্দাবন মুখৰিত হৈ উঠিছিল। গোপ-গোপীসকলে কাম-বন এৰি ঘৰ-সংসাৰৰ কথা পাহৰি মুৰলীৰ ধ্বনিৰ প্ৰতি আকৰ্ষিত হৈছিল, তানসেনে পৰিৱেশন কৰা সংগীতৰ প্ৰভাৱে শ্ৰোতাৰ মনত গভীৰ প্ৰভাৱ পেলাইছিল। মেঘমল্লাৰ ৰাগৰ দ্বাৰা বৰষুণ আনিছিল, দীপক ৰাগৰ দ্বাৰা বন্তি প্ৰজ্বলন হৈছিল— এনে কথাৰ নানা কাহিনী শুনা যায়।

বিভিন্ন সুৰেৰে গাব পৰা শ্ৰীমন্ত শংকৰদেৱৰ ৰচিত কীৰ্তন, বৰগীত আদি আধ্যাত্মিক সংগীতৰ প্ৰয়োগে ভগৱানৰ প্ৰতি গভীৰ প্ৰেমৰ অনুভূতি জগাই তোলে আৰু আধ্যাত্মিক ভাব-চিন্তাৰে মন আচ্ছন্ন কৰি তোলে। গীত, বাদ্য আৰু সংগীতে অনুভূতিত স্পন্দন তোলে।



শ্ৰৱণৰ দ্বাৰা মানুহৰ মন আলোকিত হয়, মনত প্ৰেৰণা জন্মে, আত্মালৈ উদ্যম আনে। সকলো ধৰ্মতে শ্ৰৱণ-কীৰ্তন নকৰিলেও ধ্যান, ৰাজযোগ কৰোতে মঠ-মন্দিৰ, আধ্যাত্মিক কেন্দ্ৰ আৰু গিৰ্জাত ধ্যান-সংগীত পৰিৱেশন কৰা হয়। উপযুক্ত মানসিক স্তৰ গঢ়ি তোলাত সংগীত হৈছে বহিঃ আৰু অন্তঃ সহায়ক। সংগীতে মস্তিষ্কৰ সোঁ গোলাকাৰৰ ওপৰত প্ৰভাৱ পেলায় আৰু সমস্ত অংগ-প্ৰত্যংগ বিষয়ক প্ৰথা বাওঁ গোলাকাৰত সংযোজিত হয়। ইয়াৰ ফলত গভীৰ অনুভূতিসম্পন্ন আৰু উচ্চ সচেতনতাৰ সৃষ্টি হৈ মানুহক দেৱত্ব আৰু অতীন্দ্ৰিয় সুখ অনুভৱ কৰায়। এই দুই গোলাকাৰৰ মিলনে বহু সময়লৈকে শ্ৰোতাক গভীৰভাৱে অনুভৱ কৰায় আৰু ইয়াৰ প্ৰভাৱৰ ফলত ধ্যান আৰু মৌনতা বৰ্তি থাকে। সংগীতে মানুহৰ আবেগ-অনুভূতি সূক্ষ্ম কৰে আৰু স্পৰ্শকাতৰ কৰি তোলে। সেয়েহে ধ্যান-সংগীত, শ্ৰৱণ-কীৰ্তন শুনিলে মনত পবিত্ৰতা অনুভৱ হয়।

দুহেজাৰ বছৰৰ আগতেই প্লেটো আৰু সহযোগীসকলে দোকমোকালিতে উঠি সুৰ লগাই স্তোত্ৰ পাঠ কৰিছিল যাতে তেওঁলোকৰ স্তোত্ৰৰ প্ৰকম্পনত বায়ুমণ্ডল শুদ্ধ হয়। প্ৰকৃততে যিসকল যোগী আৰু সাধক তেওঁলোকৰ শুদ্ধ সংকল্পৰ প্ৰকম্পনে ৰঞ্জন ৰশ্মিৰ দৰে ক্ৰিয়া কৰে আৰু অশুদ্ধ বাতাবৰণ শুদ্ধ কৰি তোলে। এই শক্তিক যোগ বা সাধনাৰ শক্তি বোলা হয়। মন একাগ্ৰ হ'লে, শুভ ভাবনা থাকিলে অন্য মানুহৰ মনৰ ওপৰত প্ৰভাৱ পেলায়। আনকি বায়ুমণ্ডলো পৰিশোধিত কৰে। একেলগে যদি বহু যোগীয়ে ধ্যান কৰে তেন্তে সেই মনৰ শক্তিৰ দ্বাৰা হিংসা, দ্বেষ আদি মানসিক প্ৰদূষণৰ পৰিৱেশ নিৰ্মূল কৰি শুদ্ধ বাতাবৰণৰ সৃষ্টি কৰিব পাৰে। এয়া হ'ল আধ্যাত্মিক শক্তি। সেয়েহে বিশ্বশান্তিৰ বাবে আজিকালি বিভিন্ন ধৰ্মৰ মানুহে সমূহীয়া নাম-প্ৰসংগ, শ্ৰৱণ-কীৰ্তন আৰু সাধক-ৰাজযোগীয়ে যোগ সাধনা কৰে। ইয়াৰ মূল উদ্দেশ্য শান্তি প্ৰতিষ্ঠা কৰা।

*ফোন ঃ ৯৮৬৪০-২২৭০৩*



# প্ৰকৃতি ৰুষ্ট মানে জীৱকূল বিনষ্ট

এই পৃথিৱীৰ প্ৰকৃতিৰ বিনন্দীয়া ৰূপ উপভোগ কৰিছো, নিৰ্মল বায়ু সেৱন কৰিছো, ইয়াৰ বুকুৰ পৰা প্ৰয়োজনীয় আহাৰ, ফল-মূল আৰু লাগতিয়াল সম্পদ সমূহ আহৰণ কৰিছো। প্ৰকৃতিৰ অবিহনে জীৱকূল জীয়াই থাকিব নোৱাৰে।

**কৃষ্ণকান্ত বুঢ়াগোহাঁই**

জীৱৰ বাসোপযোগী গ্ৰহটো হ'ল পৃথিৱী। পৃথিৱীৰ বাহিৰে আন গ্ৰহত বাস কৰাৰ সুবিধা নাই। এই পৃথিৱীৰ প্ৰকৃতিৰ বিনন্দীয়া ৰূপ উপভোগ কৰিছো, নিৰ্মল বায়ু সেৱন কৰিছো, ইয়াৰ বুকুৰ পৰা প্ৰয়োজনীয় আহাৰ, ফল-মূল আৰু লাগতিয়াল সম্পদ সমূহ আহৰণ কৰিছো। প্ৰকৃতিৰ অবিহনে জীৱকূল জীয়াই থাকিব নোৱাৰে। সেয়েহে প্ৰকৃতিৰ, কোনো হানি বিঘিনি আৰু সংঘাত নোহোৱাকৈ সহবাস কৰা জীৱকূলৰ প্ৰধান কাম। প্ৰকৃতি লগত মানৱ জাতিৰ এৰিব নোৱাৰা চিৰযুগমীয়া সম্বন্ধ। প্ৰকৃতিয়েও এক নিজৰ নিয়ম মতে চলি আহিছে আৰু চলি থাকিব। পৃথিৱীৰ পৰিৱেশজনিত সমস্যাবোৰ ৰোধ কৰিব নোৱাৰিলে ভূমিৰ ক্ষয় স্খলন, জলবায়ুৰ প্ৰদূষণ, বনাঞ্চল ধ্বংস, উষ্ণতা বৃদ্ধিৰ আদি কাৰক সমূহে মানৱ জাতিৰ ভৱিষ্যতলৈ অন্ধকাৰ নমাব।

জীৱশ্ৰেষ্ঠ মানৱ জাতিৰ কাৰ্যকলাপবোৰে প্ৰকৃতিৰ ভাৰসাম্য পৰিস্থিতিতন্ত্ৰৰ মূল কাৰণ। মানৱ জাতিয়ে উন্নতিৰ জখলালৈ বগোৱাৰ নামত প্ৰকৃতিৰ ওপৰত চলোৱা অত্যাচাৰ, লুণ্ঠন, অপৰিকল্পিতভাৱে অধিক সম্পদ উদঘাটন কৰাত প্ৰকৃতিৰ ওপৰত অধিক নেতিবাচক প্ৰভাৱ পৰিছে। প্ৰকৃতিক নিজস্বভাৱে থাকিব পৰাকৈ, সুৰক্ষিত কৰিব লাগিব। প্ৰকৃতিয়ে আমাক সৌন্দৰ্য দান কৰিছে, আনন্দ দিছে, আমাক সতেজ কৰি ৰাখিছে। প্ৰকৃতিৰ পৰা যিখিনি পাইছো আৰু প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ যিমান প্ৰয়োজন সেই মতে সৌন্দৰ্য, আনন্দ, সতেজতা একেদৰেই পাই থাকিম। যদি পৰিমাণতকৈ অধিক বিচাৰো তেনেহ'লে উপকাৰতকৈ পৰিৱেশৰ ক্ষয়ক্ষতি অধিক হ'বলৈ ধৰিব, প্ৰকৃতিৰ ওপৰত মানুহৰ অত্যাচাৰ বাঢ়ি গ'লে, জনসংখ্যা বৃদ্ধি আৰু ভোগ বিলাসৰ স্বাৰ্থই প্ৰাকৃতিক সম্পদৰ দ্ৰুত ক্ষয় ক্ষতি আৰু জলবায়ু পৰিৱৰ্তন অনিবাৰ্য।

অনাদি অনন্ত কালৰ পৰাই প্ৰকৃতিয়ে এক নিজস্ব নিয়ম নীতিৰে বা ধৰণ কৰণে চলি আহিছে। প্ৰকৃতিৰ ওপৰত মানুহ বা জীৱকূলৰ কোনো ভূমিকা আৰু অধিকাৰ নাই আৰু থাকিব নোৱাৰে। গছ-গছনি, পাহাৰ-ভৈয়াম, নদ-নদীবোৰৰ নিজস্ব পদ্ধতি আছে। একোটা পাহাৰৰ গছ-গছনি, হাবি-বন, শিল, বালি, মাটিৰে গঠিত আকাৰক যুগ যুগ ধৰি সুৰক্ষিত আৰু হানি বিঘিনি নোহোৱাকৈ সকলোবোৰে খামুচ মাৰি ধৰি আহিছে। ইয়াকেই বিশ্ব ব্ৰহ্মাণ্ডৰ নিয়ম বুলি ক'ব পাৰি। এই প্ৰকৃতিৰ ওপৰত কিছু পৰিমাণে হীন ডেড়ি ঘটোৱা মানেই বিপদ অনিবাৰ্য। প্ৰকৃতিৰ ৰোষত পৰাৰ সম্ভাৱনাও অধিক। সম্প্ৰতি সভ্যতাৰ অতি আধুনিকীকৰণ আঁচনিৰ যোগেদি মানুহে স্বাৰ্থ পূৰণ কৰিবলৈ গৈ প্ৰকৃতিৰ ইচ্ছাৰ বিৰুদ্ধে বিজ্ঞানৰ অপব্যহাৰ কৰিছে। কোৱা বাহুল্য যে ইংৰাজ চৰকাৰে আজিৰ পৰা এশ বছৰৰ আগতে প্ৰকৃতিৰ ৰাণী ডিমা হাছাও জিলাত মিটাৰগজ ৰেল লাইন, সুৰংগ পথ, দলং নিৰ্মাণ কৰিছিল। কিন্তু ২০১০ত ৰেল পৰিবহনক ব্ৰডগজলৈ ৰূপান্তৰিত কৰাৰ সময়ত প্ৰকৃতিৰ ওপৰত অবিজ্ঞান সন্মতভাৱে নিৰ্মাণ কাৰ্য চলোৱা হয়। দূৰত্ব হ্ৰাস কৰাৰ নিমিত্তে নৃশংসভাৱে পাহাৰৰ গছ-গছনি কাটি, পাহাৰ মাটি খান্দি তহিলং কৰা হয়। ব্ৰডগজ ৰেলপথ নিৰ্মাণৰ ১২ বছৰৰ পাছত এইবাৰৰ ধাৰাষাৰ বৰষুণৰ ফলত এফালৰ পৰা ভূমিস্খলন ঘটি অভাৱনীয় হাৰত ধ্বংসলীলা চলিল। বানপানীয়ে জলপ্ৰলয় সৃষ্টি কৰি দেখুৱালে, ভূমিস্খলনৰ ফলত যাতায়ত ব্যৱস্থা বিচ্ছিন্ন হ'ল। ইংৰাজৰ দিনত ৰেল লাইন, সুৰংগ, দলং, নিৰ্মাণত প্ৰকৃতিৰ ওপৰত বিজ্ঞানসন্মতভাৱে পৰীক্ষা-নিৰীক্ষা কৰি আৰু ভৱিষ্যতলৈ হানিবিঘিনি নোহোৱাকৈ আৰু প্ৰকৃতিৰ ওপৰত আঁচোৰ নোখোৱাকৈ নিৰ্মাণ কৰা হৈছিল বাবে শতবৰ্ষ পাৰ হয়। ব্ৰডগজ লাইন প্ৰতিষ্ঠাৰ সময়ত প্ৰকৃতিৰ ওপৰত চিন্তা-চৰ্চা নকৰাৰ ফলত প্ৰকৃতিও ৰুষ্ট হৈ যি তাণ্ডৱলীলা ঘটিল এই ক্ষতি পূৰণ ভাবিব নোৱাৰা। এতিয়া নদীবান্ধৰ ক্ষেত্ৰত কিমান বিপৰ্যয় হ'ব বা ভূমিকম্পৰ প্ৰৱল অঞ্চলসমূহত ভৱিষ্যতে মানৱজাতি বা জীৱকুলৰ কি দুৰ্দশা হ'ব ঠিকনা নাই। যদি ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্পৰ সলনি বৃহৎ সংখ্যক বেছি শক্তিশালী জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণ কৰিছে, এই বৃহৎ প্ৰকল্পবোৰ প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা নকৰি বা ইচ্ছাৰ বিৰুদ্ধে চিন্তা নকৰি নিৰ্মাণ কৰাৰ ফলত বিধ্বংসী ৰূপ ল'ব ক'ব নোৱাৰি।



ভূটানৰ কুৰিশ্চু বান্ধ, ৰঙানদী, কপিলী বান্ধ অসমক এদিন সৰিয়হ ফুল দেখুৱাৰ দৰে দেখুৱাইছে। তেনে ক্ষেত্ৰত গাৰ বলেৰে দুহেজাৰ কিলোৱাট শক্তিসম্পন্ন সোৱণশিৰিৰ গেৰুকামুখৰ জলবিদ্যুৎ প্ৰকল্পই অসমৰ যে এদিন মানচিত্ৰ সলনি কৰাৰ আশংকা কৰা হৈছে। প্ৰকৃতিৰ ৰোষত পৰি অসমৰ ভৌগোলিক বুৰঞ্জীৰ পৰিৱৰ্তন ঘটি সভ্যতাই নিঃশেষ হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। অপ্ৰিয় হ'লেও কোৱাৰ প্ৰয়োজন যে ভাৰত চৰকাৰৰ মতে নদী বান্ধ হ'লে অফুৰন্ত বিজুলী উৎপাদন হ'ব। মানুহে ২৪ ঘন্টাই বিজুলি পাব, উদ্যোগ গঢ় লৈ উঠিব, বানপানীৰ চোক কমিব। বিজুলি উৎপাদন হ'ব ঠিকেই কিন্তু তাৰ পৰা উদ্ভৱ হ'বলগীয়া ক্ষতিৰ কথা চিন্তা কৰা নাই। বিশেষজ্ঞৰ মতে নদীৰ বান্ধ মানৱ জাতিৰ বন্ধু হ'ব নোৱাৰে। ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে ভাক্ৰা নাঙল বান্ধ উদ্বোধন কৰি সদৰ্পে ঘোষণা কৰিছিল যে, ভাক্ৰা নাঙল আমাৰ উন্নয়নৰ প্ৰতীক। কিন্তু কেই বছৰমান পাছত বান্ধটোৱে চাৰি লাখ মানুহৰ উপকাৰ সাধন কৰাতকৈ ৪০ লাখ লোকৰ বানত নাজল-নাথল অৱস্থা হয়। শেষত প্ৰধান মন্ত্ৰীয়ে কৈছিল যে ভাক্ৰা নাঙল খাল খান্দি বিপদ চপাই লোৱা হ'ল। উত্তৰ-পূৰ্বৰ দুৱাৰমুখ গুৱাহাটীৰ কৃত্ৰিম বান বছৰি বছৰি প্ৰকোপ বাঢ়িবলৈ ধৰিছে. পাহাৰ গছ-গছনি কাটি খাস্তাং কৰা পাহাৰ খহাই ঘৰ সজা, অপৰিকল্পিতভাৱে ঘৰ সজা, পানী সিঁচৰিত হোৱা খাল-ডোং পোতা, জলাশয় দখল কৰা ধাৰাষাৰ বৰষুণত পাহাৰৰ বালি-মাটি-শিল, জাৱৰ-জোঁথৰ পানী লগত আহি নলা নৰ্দমাবোৰত পৰি বাম হোৱাৰ ফলত পানী যেনি তেনি সোমাই বানৰ সৃষ্টি কৰিছে। পানী ওলাই যোৱাৰ বাট বন্ধ হৈ পৰিছে। চুবুৰীয়া ৰাজ্যবোৰৰ বৰষুণৰ ফলত পাহাৰৰ ভূমিস্খলনৰ ফলত ঘৰ-দুৱাৰ পোত যোৱা, যাতায়াত ব্যৱস্থা ব্যাহত হৈছে সঘনে।

এইবাৰ চুবুৰীয়া ৰাজ্য মণিপুৰত সৰ্বকালৰ বৃহৎ ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে। এসপ্তাহ ধাৰাষাৰ বৰষুণৰ ফলত মণিপুৰৰ ইম্ফল-জিৰিমান সংযোগী নিৰ্মীয়মান ৰেল প্ৰকল্পস্থলীত পাহাৰ খহি শতাধিকলোকক সমাধিস্থ কৰে। পূৰ্বতে মণিপুৰত ভূমিস্খলনৰ বিষয়ে শুনা নগৈছিল। এতিয়াও ভূমিস্খলন হৈ আছে। প্ৰকৃতিক ধ্বংস মানুহেই কৰে, আন জীৱ-জন্তুৱে নকৰে। বনমহোৎসৱৰ সাৰমৰ্ম বুজি গছ-গছনি কটাতকৈ দহজোপা ৰোপণ আৰু প্ৰতিপালন কৰা প্ৰধান কৰ্তব্য। প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰি নচলিলে মানৱজাতিও জীয়াই থাকিব নোৱাৰিব। পাহাৰৰ গছ-গছনি কটা, পাহাৰ খহাই ঘৰ সজাৰ সলনি বৃক্ষ ৰোপণ কৰি আটক ধুনীয়াকৈ সজাই তুলিব পাৰিলে মানৱজাতি বা জীৱকূলো সুখ শান্তিৰে জীয়াই থাকিবলৈ সক্ষম হ'ব।

প্ৰকৃতিক মানৱজাতিয়ে ধ্বংস কৰিবলৈ লোৱাৰ ফলত পৃথিৱীৰ তাপমাত্ৰা বৃদ্ধি পাবলৈ ধৰিছে। মেৰু অঞ্চলৰ বৰফ অস্বাভাৱিকভাৱে গলিবলৈ ধৰিছে। এদিন ই জল প্ৰলয়ৰ ৰূপ ধাৰণ কৰিব আৰু মানৱ জাতিও পানীত ডুব যাব লাগিব। সূৰ্যৰ পৰা অহা অতি বেঙুনীয়া ৰশ্মি বায়ুমণ্ডলৰ অ'জন স্তৰে বাধা দিয়ে। অ'জন স্তৰৰ ক্ষতি হৈছে বুলি বিজ্ঞানীসকলে সকীয়াইছে। প্ৰকৃতিক ৰক্ষণাবেক্ষণ দিয়াটো মানৱজাতিৰ প্ৰধান কৰ্তব্য আৰু উত্তৰ প্ৰজন্মলৈ এখন বাসৰ উপযোগী প্ৰকৃতিৰ বিনন্দীয়া ৰূপৰ পৃথিৱীৰ কথা আজিয়েই ভাবো আহক।

*ফোন ঃ ৯৯৫৪৮১৭০৯৭*



নৱপ্ৰজন্মৰ যুৱক-যুৱতীয়ে এই অনুষ্ঠানসমূহৰ জৰিয়তে সামাজিক আচাৰ-আচৰণ, মূল্যবোধৰ শিক্ষা আহৰণ কৰে। ঐক্য, সংহতি আৰু ভ্ৰাতৃত্ববোধেৰে সমাজৰ কামত উছৰ্গা কৰা মনোভাব আদিৰে ব্যক্তিত্ব আহৰণ কৰে।

# 'বং অ'ই ছেৰ আথান'-কাৰ্বি প্ৰণয় গীত

**সৰলা কাঠাৰ বৰদলৈ**

**কাৰবি** সমাজৰ 'বাংথে' (গাঁৱৰ মুৰব্বী) বা 'হাবে'সকল হৈছে এখন গাঁও বা সমাজৰ গুৰি ধৰোতা। তেওঁলোকে সমাজখনৰ সাংগঠনিক কাম-কাজ চলাই নিয়াৰ ক্ষেত্ৰত যথেষ্ট ভূমিকা গ্ৰহণ কৰে। বিভিন্ন সময়ত তেওঁলোকৰ বৈঠক অনুষ্ঠানত সমাজৰ যুৱক-যুৱতীৰ যোগদান অপৰিহাৰ্য। নৱপ্ৰজন্মৰ যুৱক-যুৱতীয়ে এই অনুষ্ঠানসমূহৰ জৰিয়তে সামাজিক আচাৰ-আচৰণ, মূল্যবোধৰ শিক্ষা আহৰণ কৰে। ঐক্য, সংহতি আৰু ভ্ৰাতৃত্ববোধেৰে সমাজৰ কামত উছৰ্গা কৰা মনোভাব আদিৰে ব্যক্তিত্ব আহৰণ কৰে।

এই সমূহীয়া মঞ্চবোৰৰ পটভূমিতে যুৱক-যুৱতীৰ বন্ধুত্ব ভাব গঢ়ি উঠে। কেতিয়াবা দেখা যায় সেই মঞ্চৰ জৰিয়তে যুৱক-যুৱতীৰ মাজত প্ৰেম-প্ৰীতি গঢ় লৈ উঠে। বং অ'ই আলুন (প্ৰণয়ৰ গীত) তো তেনে এখন মৰ্যাদাপূৰ্ণ মঞ্চৰ কথা উল্লেখ পোৱা যায়। তেনে এটি গীতৰ শীৰ্ষক নাম হৈছে 'বং অ'ই ছেৰ আথান।'—

বংঅ'ই ছেৰ আথান  
ক্ৰংছিংছাই আক্লাম  
লিৰহাম চেতং প্ৰাং  
পে আনছেং কাংছাম  
ছেং দলাং মা নাং।

ভাবাৰ্থ— অ' চেনেহী, সোণৰ টুকুৰা যেন তুমি ধুনীয়া, কোনোবা এখন গাঁৱত মুখীয়া বা হাবে সকলৰ অনুষ্ঠানত আমাৰ দুয়োৰে প্ৰথম দেখা হৈছিল, সেই দিনটোৰ কথা বাৰু তোমাৰ আজিও মনত পৰেনে?

গ্ৰাম্য হাট-বজাৰসমূহ গ্ৰাম্য জীৱনৰ স্নায়ুস্বৰূপ। সমাজ সভ্যতা অৰ্থনৈতিক সংযোগৰ প্ৰাণ কেন্দ্ৰ হোৱাৰ উপৰি বিভিন্ন জাতি উপ-জাতিৰ ভাৱ-ভাষা, আচাৰ-ব্যৱহাৰৰ বিনিময়ৰ প্ৰাণকেন্দ্ৰ। দেখা যায় বহুত ভিতৰুৱা অঞ্চলৰ মহিলা যুৱতীসকলেও হাটসমূহলৈ গৈ পছন্দৰ বয়বস্তু, আ-অলংকাৰ, কাপোৰ কানি আদি ক্ৰয় কৰিবলৈ যায়। সেই বজাৰসমূহতো যুৱক-যুৱতীসকলৰ চিনা পৰিচয়, দেখা সাক্ষাৎ হয়। সেই বজাৰ-হাটেও বহুত সময়ত প্ৰেম প্ৰীতি হোৱাৰ উদাহৰণ নোহোৱা নহয়।



তলৰ গীত ফাকিৰ জৰিয়তে প্ৰেমিক যুৱতীৰ স্বীকাৰোক্তিৰ পৰা সেই কথা প্ৰকাশ পাইছে—

আনচত কালি লাং  
হি থি আলং আন  
লি ৰহাম চেতং লাং  
নাং থাৰেপ আবাং  
ছতাত আমেত জাং  
নেপাজিৰ নেফান  
নে ছামীমেত আবাং  
নাংদেং পাংদুক্‌জান'

ভাবাৰ্থ ঃ চেনাইটি কেৱল প্ৰথম দেখাই নহয়। তাৰ পাছতো আমাৰ পুনৰ দেখা হৈছিল এখন হাটত য'ত তুমি মোলৈ এটি উপহাৰ হাতত দিছিলা আৰু ময়ো বৰ আগ্ৰহেৰে হাত পাতি লৈছিলো।

বিবাহ সিদ্ধান্তইহে প্ৰেমৰ পূৰ্ণতাৰ স্বীকৃতি দিয়ে। সেই স্বীকৃতি, সেই প্ৰাপ্তিৰ এটা চিন হিচাপে কিছুমানে আঙঠি ছোৱালীক পিন্ধায়।

তলৰ গীত ফাকিৰ জৰিয়তে প্ৰেমিকা-প্ৰেমিকাৰ স্বীকাৰোক্তিতো সেই কথা প্ৰকাশ পাইছে—

অ' কাংহুন ছেৰ আথান  
নাং নেজু আচাৰনাম  
ছিমছাত ছেৰ আৰনান  
পাজিৰল' নাংফান  
নে ছামীমেত আবাং  
চুং ফাৰে লা'আন  
পুছন আচাৰ নাম  
জে দেতৰি কাৰ তাং।

ভাবাৰ্থ ঃ মৰমী তুমি সোণৰ টুকুৰাৰ দৰে জিলিকিছা। তুমি থিকেই কৈছা— মৰমৰ চিন হিচাপে মই তোমাক সিদিনা এটা সোণৰ আঙুঠি দিছিলো।

ঃ হয়, চেনাইটি, তোমাৰ পৰা উপহাৰটি লোৱাৰ পাছত মোৰ মনটোৱে দুৰু দুৰু কঁপিছিল— কেলেই নো দিব লাগে এই বুলি ভাবি।

আঙঠি পিন্ধোৱাৰ পাছত এজনী যুৱতীৰ ওপৰত গভীৰ দায়িত্ব আহি পৰে। এখন ঘৰৰ পৰা আন এখন ঘৰলৈ গৈ ভালদৰে চলিব পাৰিম নে নাই তাক লৈ দুশ্চিন্তাত ভোগে। এখনৰ দায়িত্ব ল'ব পৰা যোগ্যতা কিমান তাক লৈও ভয়, সংশয়ত ভোগে। তলৰ গীত ফাকিৰ জৰিয়তে প্ৰকাশ পাইছে—

বং অ'ই ছেৰ আথান  
নে ছামীমেত আবাং  
তোনদাং থেকথে লাং  
দেং ছাজিৰ আলাম  
নে চিনিনে লাং  
ছাৰ মামৰে আলাম  
নে চিনিনে লাং  
লুজইনে ছেংহাংতা  
চুমফাৰে অক্‌প্ৰাণ।

হেৰা চেনাইটি তুমি সোণ সদৃশ জিলিকিছা। মই ছোৱালী হিচাপে এতিয়াও ৰন্ধা-বঢ়া জনা হোৱা নাই, পৰিষ্কাৰ-পৰিচ্ছন্ন বিষয়ে শিকা নাই অথবা জ্ঞানীলোকৰ উপদেশবাণীও মই শুনা নাই। সেয়েহে তোমাৰ প্ৰতি মোৰ হৃদয়ৰ টান আছে যদিও মোৰ অন্তৰখনে দুবিধাত ভুগিছে।

প্ৰেয়সীৰ মনত খুদুৰনি অৱস্থা প্ৰত্যক্ষ কৰি এবাৰ সোণৰ আঙঠি পিন্ধাই দিয়াৰ পাছতে প্ৰেমিকে সুনিশ্চিত হ'ব পৰা নাই। অজান আশংকাই প্ৰেমিকৰ মনত দেখা দিছে। সেয়েহে ভৱিষ্যতৰ অনিশ্চয়তা দূৰ কৰা উদ্দেশ্যে প্ৰিয়াৰ হাতত এডাল হনজেং' (সূতাৰ ধাগা) বান্ধি দিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। কাৰণ সমাজৰ এটা পূৰ্বৰ পৰম্পৰা মতে ল'ৰা-ছোৱালীৰ পছন্দ হ'লে ছোৱালীৰ হাতত হনজেং বান্ধি বাগদত্তা কৰিছিল। আনকি বাল্যকালতে অভিভাৱকৰ সমৰ্থনত হনজেং পিন্ধাই বাগ্‌দত্তা কৰা নিয়ম প্ৰচলন হৈ আহিছে। গতিকে পৰম্পৰা ৰক্ষা কৰি প্ৰিয়াৰ অটল সিদ্ধান্তৰ কথা প্ৰকাশ কৰিলে। তলৰ গীতত প্ৰকাশ পাইছে—

জেংকি আকাংজাং  
পাজিৰ নে ছেংহাং  
ছুনছে দুন লাং লাং  
পানং নাংলিফান  
হনজেং দেংথা নাং  
ছেংবে আৰং ক্লাং (পেন)  
নে পাজিৰল' নাংছাং।

**ভাবাৰ্থ ঃ** হেৰা মৰমী, ৰূপৰ পানী চৰোৱা সদৃশ তুমি জিলিকিছা। ভৱিষ্যতে মোৰ জীৱন সংগিনী নিশ্চিত কৰিলো— তোমাৰ হাতখন আগবঢ়াই দিয়াচোন এই সূতাডাল আজিয়েই বান্ধি দিলো চিন হিচাপে।

সমাজত বহুত ধৰণৰ মানুহ বাস কৰে। একশ্ৰেণী মানুহে আন ভাল হোৱা বা উন্নতি হোৱাটো নিবিচাৰে। বিশেষকৈ প্ৰেম-প্ৰীতিৰ ক্ষেত্ৰতো দেখা যায় তেনেলোকে বিধি পথালী দিবলৈ চেষ্টা কৰে। সেয়েহে প্ৰেয়সীক তাই প্ৰেমিকে তেনে বহিঃশত্ৰুৰ পৰা দূৰতে থাকিবলৈ উপদেশ দিছে। তলৰ গীত ফাঁকিৰ জৰিয়তে 'বাছি খাবা জাগি শুবা' সকীয়াই দিছে—

ছেংকান আলাৰ ৰাং(তা)  
তেঙৰি নেফান  
জু ৰানি কেৰাং  
ৰা'ইদ' নাংফান  
দেনৰৎ আচাৰ নাম  
ছাৰ' দুনৰি নাং  
ছত আংথিক আলাম  
জাদি তু দই নাং।

**ভাবাৰ্থ ঃ** সোণজনী, ঋতুবোৰ আহিব আৰু যাব। কিন্তু অনাগত দিনবোৰত যেন মোৰ কথাবোৰ মনত ৰাখা। আনৰ ছলাহী কথাতে ভুল গৈ মোক যেন পাহৰি নোযোৱা।

'ধানটো পতি কণটো, মানুহটো পতি মনটো' বা' 'চকুৰ আঁতৰ হ'লে মনৰো আঁতৰ' হয়— এই শংকাই সদায় প্ৰেমিক-প্ৰেমিকাৰ মনত পীড়া কৰি থাকে। এই গীতটোতো সেই ভাবটো প্ৰতিফলিত হৈছে। এই ধৰণৰ বং অ'ই আলুনবোৰে কেৱল যুৱক-যুৱতীৰ প্ৰেম প্ৰীতিৰ আবেগ অনুভূতিকেই প্ৰকাশ নকৰে বৰঞ্চ সমাজৰ প্ৰতিচ্ছবিবোৰো সুন্দৰ ৰূপত দাঙি ধৰে।

ফোন ঃ ৭৩৯৯১৭৬১৩৭

## ভাৰতীয় নৌসেনাৰ আই এন এছ বিক্ৰান্তৰ চতুৰ্থ পৰীক্ষণ সম্পন্ন



**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ জুলাই ঃ** আই এন এছ বিক্ৰান্তৰ পৰা কালি উৰণ মাৰিলে মিগ ২৯ যুঁজাৰু বিমানে। ইয়াৰ লগে লগে বিক্ৰান্তৰ যাৱতীয় পৰীক্ষা-নিৰীক্ষা এশ শতাংশ সফল হ'ল। উল্লেখ্য যে আই এন এছ বিক্ৰান্ত নামৰে দুখন ৰণতৰী নিৰ্মাণত ভাৰতে প্ৰায় ২৩ হেজাৰ কোটি টকা ব্যয় কৰিছে। অচিৰে ভাৰতৰ নৌসেনাত অন্তৰ্ভুক্ত হ'ব আই এন এছ বিক্ৰান্ত। ভাৰতীয় নৌসেনাই সমুদ্ৰত চতুৰ্থবাৰৰ বাবে আই এন এছ বিক্ৰান্তৰ পৰীক্ষামূলক পৰীক্ষণ সম্পন্ন কৰিলে। দেশীয় প্ৰযুক্তিৰে তৈয়াৰ কৰা আই এন এছ বিক্ৰান্ত হৈছে ভাৰতৰ প্ৰথম বিমানবাহী ৰণতৰী। অহা ১৫ আগষ্টত ভাৰতীয় নৌসেনাত আনুষ্ঠানিকভাৱে আই এন এছ বিক্ৰান্তক অন্তৰ্ভুক্ত কৰা হ'ব।

## প্ৰাণৰ শংকাতে ঈদত অনুৰাগীক দেখা নিদিলে ছলমানে!



নিউজ ব্যুৰ', মুম্বাই, ১১ জুলাই ঃ কালি বিশ্বজুৰি ইছলাম ধৰ্মাৱলম্বী পবিত্ৰ ঈদ উৎসৱ পালিত হ'ল। ঈদ উপলক্ষে বলিউডৰ তাৰকাসকলেও তেওঁলোকৰ অনুৰাগীক সামাজিক মাধ্যমৰ জৰিয়তে শুভেচ্ছা জ্ঞাপন কৰিছিল। নিজৰ বাসগৃহ মন্নতৰ চাদত উঠি মহাতাৰকা অভিনেতা শ্বাহৰুখ খানে তেওঁৰ অনুৰাগীক ঈদৰ দিনা শুভেচ্ছা জ্ঞাপন কৰিছিল। কিন্তু গেলেক্সি এপাৰ্টমেণ্টৰ বাৰাণ্ডাত পূৰ্বৰ দৰে ঈদৰ দিনা অনুৰাগীক সাক্ষাৎ নিদিলে আনজন জনপ্ৰিয় তাৰকা অভিনেতা ছলমান খানে। কিন্তু কিয় এইবাৰ ঈদত অনুৰাগীক নিজ বাসগৃহৰ পৰা শুভেচ্ছা জ্ঞাপন কৰাৰ পৰা বিৰত থাকিল ছলমানে? প্ৰকাশিত বাতৰি অনুসৰি নিৰাপত্তাৰ কাৰণতে ঈদত এইবাৰ অনুৰাগীক শুভেচ্ছা দিবলৈ ঘৰৰ বাৰাণ্ডাত ভুমুকি নামাৰিলে মহাতাৰকা অভিনেতাজনে। উল্লেখ্য যে কিছুদিন পূৰ্বে ছলমান আৰু তেওঁৰ পিতৃক পত্ৰযোগে কোনো লোকে হত্যাৰ ভাবুকি দিছিল। ইয়াৰ পাছতে খান পৰিয়ালৰ নিৰাপত্তা আৰক্ষীয়ে কটকটীয়া কৰিছিল। গেংষ্টাৰ লৰেন্স বিষ্ণোই গোটে ছলমানক হত্যাৰ পৰিকল্পনা প্ৰস্তুত কৰাৰ বাতৰিও সংবাদ মাধ্যমত প্ৰচাৰ হৈছিল। এনেবোৰ কাৰণতে আৰক্ষীৰ পৰামৰ্শত ছলমানে ঈদত অনুৰাগীক সাক্ষাৎ কৰাৰ পৰা বিৰত থাকিল বুলি ধাৰণা কৰা হৈছে।

## গুজৰাটত প্ৰবল বৃষ্টিপাত-বানত মৃতকৰ সংখ্যা ৬১ জনলৈ বৃদ্ধি



**নিউজ ব্যুৰ', আহমেদাবাদ, ১১ জুলাই ঃ** গুজৰাটত প্ৰবল বৃষ্টিপাতৰ ফলত একাধিক জিলাত বান পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰিছে। দক্ষিণ আৰু মধ্য গুজৰাটৰ জিলাসমূহত প্ৰবল বৃষ্টিপাতৰ ফলত নদীৰ জলস্তৰ বিপদসীমাৰ ওপৰেদি বৈছে। প্ৰশাসনে বৰ্তমানলৈকে এই দুই অঞ্চলত কমেও ১৫০০ জন লোকক নিৰাপদে উদ্ধাৰ কৰিছে। বিগত ৪৮ ঘণ্টা ধৰি ৰাজ্যখনত বৃষ্টিপাত অব্যাহত থকাৰ ফলত বহু অঞ্চলত বানে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, বৃষ্টিপাত আৰু বানৰ ফলত চলিত বৰ্ষত বৰ্তমানলৈকে ৰাজ্যখনত ৬১ জন লোকৰ মৃত্যু হ'ল।

## জাপানৰ নিৰ্বাচনত বিপুল জয় আবেৰ দলৰ



**নিউজ ব্যুৰ', টকিঅ', ১১ জুলাই ঃ** জাপানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বিনজু আবেৰ হত্যাৰ দুদিন পাছত অনুষ্ঠিত হোৱা সাধাৰণ নিৰ্বাচনত আবেৰ দল লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টি (এল ডি পি)য়ে বিপুল জয় লাভ কৰিলে। জাপানৰ শাসকীয় এল ডি পিৰ ক'মিট' মৰ্চাই এই নিৰ্বাচনত ৭৬ আসন জয়ৰে সংখ্যাগৰিষ্ঠতা অক্ষুণ্ণ ৰাখিলে। এইবাৰৰ নিৰ্বাচনত ৫২.০৫ শতাংশ লোকে ভোটদান কৰিছিল। এই জয়ৰ পাছত ২৪৮ সদস্যবিশিষ্ট উচ্চ সদনত এল ডি পিৰ সদস্যৰ সংখ্যা ১৪৬লৈ বৃদ্ধি পালে। আনহাতে, বিৰোধী ডেম'ক্ৰেটিক পাৰ্টিৰ সদস্যৰ সংখ্যা পূৰ্বৰ ২৩ জনৰ পৰিৱৰ্তে ২০ জনলৈ হ্ৰাস পালে। তিনিদিন পূৰ্বে নিৰ্বাচনৰ প্ৰচাৰত অংশ লোৱাৰ সময়তে জাপানৰ নাৰা চহৰত প্ৰাক্তন প্ৰধানমন্ত্ৰী আবেক গুলীয়াই হত্যা কৰা হৈছিল।

## ১৬ হেজাৰৰ ঘৰত দৈনিক সংক্ৰমণ, মৃত্যু ২৬ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ জুলাই ঃ** দেশৰ দৈনিক সংক্ৰমণ সামান্য হ্ৰাস পালেও এতিয়াও ১৬ হেজাৰৰ ঘৰতে আছে দৈনিক আক্ৰান্তৰ সংখ্যা। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত পুনৰ ১৬,৬৭৮ জন লোক ক'ভিডত সংক্ৰমিত হ'ল। কালি দৈনিক আক্ৰান্তৰ সংখ্যা আছিল ১৮,২৫৭ জন। যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ক'ভিডে প্ৰাণ কাঢ়িলে পুনৰ ২৬ জন লোকৰ। এই মুহূৰ্তত ভাৰতত এক লাখ ৩০ হেজাৰ ৭১৩ জন সক্ৰিয় ক'ভিড ৰোগী আছে।




## সেনা-সন্ত্ৰাসবাদীৰ সংঘৰ্ষত ধৰাশায়ী হ'ল জইচৰ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ' জম্মু, ১১ জুলাই ঃ** কাশ্মীৰৰ অৱন্তিপুৰাত নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত হোৱা এক সংঘৰ্ষৰ ঘটনাত দুজন সন্ত্ৰাসবাদী ধৰাশায়ী হ'ল। সেনাৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি মৃত সন্ত্ৰাসবাদীৰ এজন হৈছে জইচ এ মহম্মদৰ সদস্য কেইচৰ ক'কা। ক'কাই ২০১৮ বৰ্ষৰ পৰা কাশ্মীৰ উপত্যকাত জইচৰ সদস্য হিচাপে সক্ৰিয় হৈ আছিল। কাশ্মীৰ উপত্যকাত যুৱ প্ৰজন্মক প্ৰলোভিত কৰি ক'কাই সন্ত্ৰাসবাদৰ স'তে জড়িত কৰাইছিল বুলিও নিৰাপত্তা বাহিনীয়ে তথ্য নিশ্চিত কৰিছিল। নিহত দুই সন্ত্ৰাসবাদীৰ পৰা এটা এম ৪ ৰাইফল, এটা পিষ্টল আৰু গোলাবাৰুদ জব্দ কৰা বুলি সেনাই জানিবলৈ দিয়ে।

**প্ৰতি মিনিটত ২৭০ শিশুৰ জন্ম ঃ আজিৰ বিশ্বত এগৰাকী মহিলাই গড়ে ২.৫ টা সন্তান জন্ম দিয়ে**

# ২০২৩ বৰ্ষত বিশ্বৰ জনসংখ্যা আঠ বিলিয়নলৈ পাব বৃদ্ধি

**নিউজ ব্যুৰ' নতুন দিল্লী, ১১ জুলাই ঃ** এদিনত ২৪ ঘণ্টা, এক ঘণ্টাত ৬০ মিনিট আৰু প্ৰতি মিনিটত ২৭০ শিশুৰ জন্ম। এই গতিৰে জনসংখ্যা বৃদ্ধি অব্যাহত থাকিলে ২০২৩ বৰ্ষত বিশ্বৰ মুঠ জনসংখ্যা আঠ বিলিয়নৰ অধিক হ'ব। ১৯ শতিকাৰ আৰম্ভণিতে বিশ্বৰ মুঠ জনসংখ্যা আছিল এক বিলিয়ন। কিন্তু ইয়াৰ মাত্ৰ ২২০ বছৰ পাছত বিশ্বৰ জনসংখ্যা আঠ বিলিয়নলৈ বৃদ্ধি পাব। ২০১১ বৰ্ষত বিশ্বৰ জনসংখ্যাই সাত বিলিয়নৰ সীমা অতিক্ৰম কৰিছিল। বিশ্বৰ জনসংখ্যাৰ এই দ্ৰুত বৃদ্ধিৰ অন্যতম কাৰণটো হৈছে জন্মৰ হাৰ অধিক হোৱাটো। ১৮ শতিকাৰ পৰা ২০ শতিকাৰ অন্তলৈকে বিশ্বত জন্মৰ হাৰ যথেষ্ট অধিক আছিল। প্ৰায় ২৫০ বছৰ পূৰ্বলৈকে বিশ্বত এগৰাকী মহিলাই গড়ে ছটা সন্তান জন্ম দিছিল। এই স্থিতি প্ৰায় ১৫০ বছৰলৈকে বাহাল আছিল। ১৯৫০ত এই হাৰ সামান্য অৱনমিত হৈছিল। ১৯৫০ৰ পাছত জন্মৰ হাৰ ধাৰাবাহিকভাৱে অৱনমিত হৈছিল। আজিৰ বিশ্বত এগৰাকী মহিলাই গড়ে ২.৫ টা সন্তান জন্ম দিয়ে। জন্মৰ হাৰ উচ্চ হোৱা হেতুকে ১৯ শতাব্দীৰ আৰম্ভণিতে বিশ্বৰ জনসংখ্যা ১০০ কোটিলৈ বৃদ্ধি পোৱাৰ পাছত এই দ্ৰুতবৃদ্ধি অব্যাহত আছিল। বিশ্বৰ জনসংখ্যা ২০০ কোটিলৈ বৃদ্ধি পোৱাৰ বাবে প্ৰয়োজন হৈছিল ১২৩ বছৰ। ১৯২৭ বৰ্ষত বিশ্বৰ জনসংখ্যাই ২০০ কোটিৰ সীমা অতিক্ৰম কৰিছিল। ইয়াৰ পাছত ১৯৬০ বৰ্ষত বিশ্বৰ জনসংখ্যা ২০০ কোটিলৈ বৃদ্ধি পাইছিল। জন্মৰ হাৰ দ্ৰুত বৃদ্ধি অব্যাহত থকাৰ ফলত ২০২৩ বৰ্ষত বিশ্বৰ মুঠ জনসংখ্যা ৮০০ কোটিলৈ বৃদ্ধি পাব।



## আগন্তুক বৰ্ষতে জনসংখ্যাৰ নিৰিখত চীনক অতিক্ৰম কৰিব ভাৰতে



**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ জুলাই ঃ ২০২৩ বৰ্ষতে জনসংখ্যাৰ নিৰিখত চীনক অতিক্ৰম কৰিব ভাৰতে। আজি ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰা 'দ্য ৱ'ৰ্ল্ড পপুলেচন প্ৰছপেক্টছ ২০২২' শীৰ্ষক প্ৰতিবেদনত এই তথ্য সদৰী কৰা হৈছে। ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ হাৰ বৰ্তমানে চীনৰ তুলনাত যথেষ্ট অধিক। কেৱল ভাৰততে নহয়, সমগ্ৰ পূব আৰু দক্ষিণ-পূব এছিয়াৰ জনসংখ্যা বৃদ্ধিৰ হাৰ সৰ্বাধিক হৈছে। ৰাষ্ট্ৰসংঘই এই প্ৰতিবেদনত দাবী কৰি কৈছে যে মাত্ৰ এবছৰৰ ভিতৰতে ভাৰতৰ জনসংখ্যা চীনতকৈ অধিক হ'ব।**





## 'কালী' বিতৰ্ক অব্যাহত, এইবাৰ ধৰ্ষণৰ ভাবুকি লাভ নিৰ্দেশিকা লীনাৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ জুলাই ঃ** 'কালী' শীৰ্ষক তথ্যচিত্ৰৰ প'ষ্টাৰক লৈ দেশজুৰি বিতৰ্ক অব্যাহত আছে। এই বিতৰ্কৰ পাছতো তথ্যচিত্ৰখনৰ নিৰ্দেশিকা লীনা মণিমেকলায়ে নিজৰ স্থিতিত অটল আছে। 'কালী' তথ্যচিত্ৰৰ প'ষ্টাৰত হিন্দু দেৱী কালীক ধূমপানৰত অৱস্থাত উপস্থাপন কৰাক লৈ সৃষ্টি হোৱা বিতৰ্কৰ পৰিপ্ৰেক্ষিতত একাংশ ব্যক্তি-সংগঠনে পৰিচালিকা লীনাক ভাবুকি দিছে। এইবাৰ মহিলা নিৰ্দেশিকাগৰাকীক ধৰ্ষণৰ ভাবুকি দিলে এজন ব্যক্তিয়ে। লীনাক অকথ্য ভাষাত গালি দি এজন ব্যক্তিয়ে সামাজিক মাধ্যমত ধৰ্ষণৰ ভাবুকি দিছে। উল্লেখ্য যে 'কালী' প'ষ্টাৰ বিতৰ্কৰ পৰিপ্ৰেক্ষিতত দেশজুৰি একাধিক থানাত লীনাৰ বিৰুদ্ধে একাংশ লোকে গোচৰ তৰিছে। ইতিমধ্যে মধ্য প্ৰদেশ আৰক্ষীয়ে লীনাৰ সন্ধান বিচাৰি জাননী জাৰি কৰিছে।

## শ্ৰীলংকাত বিলাহী এহেজাৰ, আলু আঠশ টকাত হৈছে বিক্ৰী

**নিউজ ব্যুৰ' কলম্বো, ১১ জুলাই ঃ** তীব্ৰ বিত্তীয় সংকটৰ মাজতে আকৌ এবাৰ ৰাজনৈতিক অস্থিৰতাৰ সন্মুখীন হোৱা শ্ৰীলংকাত মূল্যবৃদ্ধিয়ে অতি ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ইন্ধনৰ অত্যধিক মূল্যবৃদ্ধিয়ে হাৰাশাস্তি কৰা দেশবাসীয়ে এতিয়া এসাঁজ আহাৰ যোগাৰ কৰাৰ বাবে ত্ৰাহিমধুসূদন সুঁৱৰিব লগা হৈছে। বিশেষকৈ শ্ৰীলংকাত খাদ্য সামগ্ৰীৰ যথেষ্ট অভাৱ ঘটিছে। দেশখনৰ বজাৰত শাক-পাচলি যোগান ইমানে হ্ৰাস পাইছে যে প্ৰতি কিলো বিলাহী এহেজাৰ টকা, প্ৰতি কিলো আলু ৮০০ টকাত বিক্ৰী কৰা হৈছে। ৰন্ধন গেছৰ নাটনি আৰু বিজুলী যোগান বন্ধ থকাৰ ফলত সৰহ সংখ্যক লোকে এতিয়া খাদ্য প্ৰস্তুত কৰাৰ বাবে খৰিৰ চৌকা ব্যৱহাৰ কৰিব লগা হৈছে।





## গাজাত ৰকেট আক্ৰমণত ২০ জন লোক নিহত, ৬৫ হ'ল আহত

**নিউজ ব্যুৰ', জেৰুজালেম, ১১ জুলাই ঃ** শেহতীয়াভাৱে পুনৰ উত্তপ্ত হৈ উঠিছে গাজা অঞ্চল। ইজৰাইলৰ চৰকাৰী বিষয়াই প্ৰকাশ কৰা অনুসৰি গাজাত ৰকেট আক্ৰমণৰ ঘটনাত কমেও ২০ জন লোক নিহত হ'ল। পেলেষ্টাইনৰ স্বাস্থ্য মন্ত্ৰণালয়ে জনোৱা অনুসৰি ৰকেট আক্ৰমণত প্ৰাণ হানি ঘটা ২০ জন লোকৰ মাজত নটা শিশু আছিল। তদুপৰি এই আক্ৰমণত ৬৫ জনৰো অধিক লোক গুৰুতৰভাৱে আহত হৈছে। ইজৰাইলী সেনাই টুইটাৰত প্ৰকাশ কৰা অনুসৰি তেওঁলোকে আকাশ মাৰ্গৰে চলোৱা আক্ৰমণত হামাছৰ তিনিজন সদস্যক লক্ষ্য হিচাপে লৈছিল আৰু এই আটাইকেইজনৰ মৃত্যু হয়। ইফালে, ইজৰাইলৰ সেনাই প্ৰকাশ কৰা অনুসৰি গাজাৰ পৰাও সোমবাৰে ইজৰাইললৈ ৰকেট নিক্ষেপ কৰা হৈছিল।

## পাকিস্তানী সাংবাদিকৰ চাঞ্চল্যকৰ দাবীত অস্বস্তিত ভাৰতৰ প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি আনছাৰি



**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ জুলাই ঃ** পাকিস্তানৰ সাংবাদিক নুছৰত মিৰ্জাই ইউ টিউব চেনেলত কৰা এক দাবীয়ে ভাৰতত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইউ টিউবাৰ চকিল চৌধুৰীৰ স'তে হোৱা এক সাক্ষাৎকাৰত সাংবাদিক মিৰ্জাই দাবী কৰা অনুসৰি, ভাৰতৰ প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি হামিদ আনছাৰি আৰু এখন ইংৰাজী সংবাদপত্ৰৰ প্ৰতিষ্ঠাপক জফৰুল ইছলাম খানৰ আমন্ত্ৰণত তেওঁ ভাৰতত উপস্থিত হৈছিল। মিৰ্জাই আনছাৰিৰ পৰা ভাৰতৰ বহু সংবেদনশীল গোপনীয় তথ্য পাতি আহৰণ কৰিছিল। এইদৰে আনছাৰিৰ পৰা লাভ কৰা ভাৰতৰ গোপনীয় তথ্য সাংবাদিক মিৰ্জাই পাকিস্তানৰ চোৰাংচোৱা সংস্থা আই এছ আইক যোগান ধৰিছিল বুলিও সাক্ষাৎকাৰটোত দাবী কৰিছিল। মিৰ্জাৰ এই চাঞ্চল্যকৰ দাবীৰ পাছত সামাজিক মাধ্যমত যথেষ্ট সমালোচিত হৈছে ভাৰতৰ প্ৰাক্তন উপ-ৰাষ্ট্ৰপতিজন। মাইক্ৰ' ব্লগিং ছাইট টুইটাৰত আনছাৰি, সাংবাদিক খানৰ লগতে সেই সময়ৰ ভাৰতৰ কংগ্ৰেছ চৰকাৰকো কঠোৰভাৱে সমালোচনা কৰিছে একাংশ লোকে। উল্লেখ্য যে ২০১১ত এই ঘটনা সংঘটিত হৈছিল আৰু সেই সময়ত ডঃ মনমোহন সিং ভাৰতৰ প্ৰধানমন্ত্ৰী আছিল। মিৰ্জাই প্ৰকাশ কৰা অনুসৰি, তেওঁ আনছাৰি আৰু 'মিলি গজত' নামৰ সংবাদপত্ৰৰ প্ৰতিষ্ঠাপক জফৰুল ইছলাম খানৰ আমন্ত্ৰণত ভাৰতত উপস্থিত হৈছিল আৰু সেই সময়ত তেওঁ ভাৰতৰ বহু গোপনীয় তথ্যপাতি আহৰণ কৰিছিল আৰু উক্ত তথ্যপাতি আই এছ আইক অৰ্পণ কৰিছিল।

## এ আই এ ডি এম কেত সংঘাত তুংগত, সকলো পদৰ পৰা বৰ্খাস্ত কৰিলে পনীৰছেলভমক



**নিউজ ব্যুৰ', চেন্নাই, ১১ জুলাই ঃ** তামিলনাডুৰ প্ৰাক্তন উপমুখ্যমন্ত্ৰী অ' পনীৰছেলভমক আজি দলৰ সকলো পদৰ পৰা বৰ্খাস্ত কৰা হ'ল। এ পালানিস্বামীয়ে এ আই এ ডি এম কেৰ অন্তৰ্বৰ্তীকালীন সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণৰ পাছত আজি দলে পনীৰছেলভমৰ বিৰুদ্ধে এই সিদ্ধান্ত গ্ৰহণ কৰিলে। দলৰ জ্যেষ্ঠ নেতা হিচাপে পৰিচিত জে চি ডি প্ৰভাকৰ, আৰ ভৈঠিলিলিংগম আৰু পি এইচ মনোজ পাণ্ডিয়ানকো এ আই এ ডি এম কেৰ পৰা বহিষ্কাৰ কৰা হ'ল। পালানিস্বামীয়ে পনীৰছেলভম আৰু তেওঁৰ অনুগামীৰ বিৰুদ্ধে এই সিদ্ধান্ত লোৱাৰ পাছতে এ আই এ ডি এম কেত সংঘাত সৃষ্টি হৈছে। দুই নেতাৰ অনুগামীয়ে পথৰ মাজতে পৰস্পৰক আক্ৰমণ কৰাৰ একাধিক ভিডিঅ' সামাজিক মাধ্যমত শেহতীয়াভাৱে ভাইৰেল হৈছে। ২০১৭ বৰ্ষত জয়ললিতাৰ মৃত্যুৰ পাছৰে পৰা এ আই এ ডি এম কেৰ পতাকা কোনে লাভ কৰিব তাক লৈ পনীৰছেলভম আৰু পালানিস্বামীৰ মাজত সংঘাত অব্যাহত আছিল।

## মানহানিৰ গোচৰত আদালতে সাময়িক সকাহ দিলে কংগনাক



**নিউজ ব্যুৰ', চণ্ডীগড়, ১১ জুলাই ঃ** মানহানিৰ গোচৰৰ সন্মুখীন হোৱা বলিউডৰ বিতৰ্কিত অভিনেত্ৰী কংগনা ৰণৌটক সাময়িক সকাহ দিলে উচ্চ ন্যায়ালয়ে। প্ৰকাশিত বাতৰি অনুসৰি এক গোচৰত ভঠিণ্ডা আদালতে অহা ১৪ জুলাইত অভিনেত্ৰীগৰাকী আদালতত হাজিৰ হ'বলৈ জাননী জাৰি কৰিছিল। উচ্চ ন্যায়ালয়ে অভিনেত্ৰীগৰাকীক এই ক্ষেত্ৰত সকাহ দি অহা আঠ ছেপ্টেম্বৰলৈকে আদালতত হাজিৰ হোৱাৰ সময় প্ৰদান কৰিলে। উল্লেখ্য যে কৃষক আন্দোলনৰ সময়ত কংগনাই ভঠিণ্ডাৰ এগৰাকী বয়োজ্যেষ্ঠ মহিলা মহিন্দৰ কৌৰৰ ফটো সামাজিক মাধ্যমত প'ষ্ট কৰি বিতৰ্কিত মন্তব্য প্ৰকাশ কৰিছিল। এই ঘটনাৰ পাছত মহিন্দৰে কংগনাৰ বিৰুদ্ধে ভঠিণ্ডা আদালতত মানহানিৰ গোচৰ তৰিছিল। এই গোচৰতে নিম্ন আদালতে অভিনেত্ৰীগৰাকীক ১৪ জুলাইত আদালতত হাজিৰ হ'বলৈ নিৰ্দেশ দিছিল। কংগনাই ইয়াৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল আৰু ন্যায়ালয়ে তেওঁক আঠ ছেপ্টেম্বৰলৈকে এই গোচৰত আদালতত হাজিৰ হোৱাৰ পৰা ৰেহাই দিলে।

## কঠিন সময়ত সমৰ্থন দিয়া বিধায়কক পত্ৰযোগে ধন্যবাদ জ্ঞাপন কৰিলে উদ্ধৱে



**নিউজ ব্যুৰ', মুম্বাই, ১১ জুলাই ঃ** মহাৰাষ্ট্ৰত বিসম্বাদী ৰাজনীতিত ক্ষমতাৰ পৰা আঁতৰি আহিবলৈ বাধ্য হোৱা প্ৰাক্তন মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেয়ে তেওঁৰ প্ৰতি সমৰ্থন ব্যক্ত কৰা ১৫ জন বিধায়কলৈ পত্ৰ লিখি ধন্যবাদ জ্ঞাপন কৰিলে। পত্ৰৰ জৰিয়তে বিধায়কৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি প্ৰাক্তন মুখ্যমন্ত্ৰীজনে এইদৰে লিখিলে, 'কঠিন সময়ত আপোনালোকৰ সমৰ্থনৰ বাবে ধন্যবাদ জনালো।' উল্লেখ্য যে কিছুদিন পূৰ্বে শিৱসেনাৰ ৪০ জন বিধায়কে বিসম্বাদ কৰি একনাথ শিণ্ডেৰ পক্ষত থিয় দিছিল। ইয়াৰ পাছতে মহাৰাষ্ট্ৰত থাকৰে নেতৃত্বাধীন চৰকাৰৰ পতন ঘটিছিল আৰু ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শিণ্ডেয়ে শপত গ্ৰহণ কৰিছিল। কঠিন দিনত থাকৰেলৈ ১৫ জন বিধায়কে সমৰ্থন দিছিল আৰু ইয়াৰ বাবে প্ৰাক্তন মুখ্যমন্ত্ৰীজনে পত্ৰযোগে ধন্যবাদ জ্ঞাপন কৰিলে। সংবাদ মাধ্যমৰ আন এক বাতৰি অনুসৰি থাকৰেয়ে আজি ৰাষ্ট্ৰপতিৰ আগন্তুক নিৰ্বাচন সন্দৰ্ভত শিৱসেনাৰ সাংসদৰ এখন বৈঠক অনুষ্ঠিত কৰিছিল। কিন্তু এই বৈঠকত শিৱসেনাৰ মুঠ ১৯ জন সাংসদৰ ১০ জনহে উপস্থিত আছিল।

## শ্বাহৰুখৰ প্ৰতিবেশী হ'ব দীপিকা-ৰণবীৰ, বান্দ্ৰাত ১১৯ কোটি টকাত এপাৰ্টমেণ্ট ক্ৰয়



**নিউজ ব্যুৰ', মুম্বাই, ১১ জুলাই ঃ** মুম্বাই চহৰত বলিউডৰ সৰহ সংখ্যক তাৰকাই বসবাস কৰে। বিশেষকৈ চহৰৰ জুহু বান্দ্ৰা, পালি হিল, লোখণ্ডৱালাত সৰহ সংখ্যক মহাতাৰকাই বসবাস কৰি আহিছে। বান্দ্ৰাত প্ৰতিবেশী হিচাপে বসবাস কৰি আহিছে বলিউডৰ দুই মহাতাৰকা অভিনেতা শ্বাহৰুখ খানে আৰু ছলমান খানে। এই দুই তাৰকা অভিনেতাৰ বাসগৃহৰ মুম্বাইলৈ যোৱা পৰ্যটকৰ বাবে এক দৰ্শনীয় স্থান। এইবাৰ শ্বাহৰুখ-ছলমানৰ প্ৰতিবেশী হ'বলৈ আগবাঢ়িছে বলিউডৰ আন এক তাৰকা দম্পতী। প্ৰকাশিত বাতৰি অনুসৰি বান্দ্ৰাৰ এক অভিজাত অঞ্চলত নতুন বাসগৃহ ক্ৰয় কৰিলে ৰণবীৰ সিং আৰু দীপিকা পাড়ুকনে। ৰণবীৰ আৰু তেওঁৰ পিতৃ জগজিৎ সুন্দৰ সিং ভৱনানিয়ে যৌথভাৱে এটা কোম্পানী পৰিচালনা কৰি আহিছে আৰু এই কোম্পানীৰ নামতে পঞ্জীয়ন কৰা হ'ল এটা বিলাসী এপাৰ্টমেণ্টৰ ১৬,১৭,১৮ আৰু ১৯ মহলৰ এপাৰ্টমেণ্ট। প্ৰকাশিত বাতৰি অনুসৰি, এই বাসগৃহ ক্ৰয়ৰ বাবদ ৰণবীৰে ১১৯ কোটি টকা ব্যয় কৰিলে। ইয়াৰ পূৰ্বে আলিবাগতো ৰণবীৰ-দীপিকাই এটা বিলাসী বাসগৃহ ক্ৰয় কৰিছিল। বৰ্তমানে পিতৃ-মাতৃ-ভগ্নীৰ স'তে পুৰণি এপাৰ্টমেণ্টতে বসবাস কৰি আহিছে দীপিকা-ৰণবীৰে। অচিৰে বান্দ্ৰাৰ নতুনকৈ ক্ৰয় কৰা এপাৰ্টমেণ্টলৈ দীপিকা-ৰণবীৰে স্থানান্তৰিত হোৱাৰ কথা।

## একেৰাহে আঠ ঘণ্টা কাম কৰিলে বৃদ্ধি পায় হৃদৰোগৰ শংকা ঃ দাবী গৱেষকৰ

**নিউজ ব্যুৰ', বেইজিং, ১১ জুলাই ঃ** শাৰীৰিক ব্যায়ামৰ অভাৱ আৰু নিৰ্দিষ্ট খাদ্য তালিকা মানি নচলাৰ ফলত কম বয়সতে জটিল ৰোগত আক্ৰান্ত হোৱাৰ সম্ভাৱনা বৃদ্ধি পায়। বিশেষজ্ঞৰ মতে, মানুহে জীৱনশৈলীৰ প্ৰতি বিশেষ সতৰ্কতা অৱলম্বন কৰিলে হৃদৰোগৰ দৰে বহু জটিল স্বাস্থ্যজনিত সমস্যাৰ পৰা সকাহ পাব পাৰি। সম্প্ৰতি চলোৱা এক গৱেষণামূলক অধ্যয়নত প্ৰকাশ পোৱা তথ্য অনুসৰি কাৰ্যালয়ত একেৰাহে দীৰ্ঘসময় বহি থাকি কাম-কাজ কৰাৰ ফলত এজন ব্যক্তিৰ হৃদৰোগত আক্ৰান্ত হোৱাৰ শংকা বৃদ্ধি পায়। আনকি এনে ব্যক্তিৰ ষ্ট্ৰ'ক আৰু হাৰ্ট এটেক হোৱাৰ শংকাও বাঢ়ে। চাইনীজ একাডেমী অৱ্ মেডিকেল ছায়েন্স আৰু পিকিং ইউনিয়ন মেডিকেল কলেজৰ যৌথ উদ্যোগত এই অধ্যয়ন চলোৱা হৈছিল। অধ্যয়নকাৰী গৱেষকৰ মতে, আঠ ঘণ্টা বা ততোধিক সময় একেৰাহে বহি কাম-কাজ কৰা লোকৰ ক্ষেত্ৰত হাৰ্ট এটেকৰ সম্ভাৱনা ৫০ শতাংশৰ অধিক হয়। গৱেষকৰ দলটোৱে ১১ বছৰ ধৰি বিশ্বৰ ২১ খন দেশৰ এক লাখৰো অধিক লোকক সামৰি এই অধ্যয়নটো চলাইছিল। অধ্যয়ন চলোৱাৰ সময়ত এইসকল লোকৰ ২,৩০০ জনৰ হাৰ্ট এটেক আৰু ৩,০০০ জনৰ ষ্ট্ৰ'ক আৰু ৭০০ জনৰ হৃদযন্ত্ৰ বিকল হৈ মৃত্যু হৈছিল। এইসকল লোকে অধ্যয়নকৰ্তাৰ আগত প্ৰকাশ কৰা অনুসৰি তেওঁলোকে দৈনিক একেৰাহে আঠ ঘণ্টাতকৈ অধিক সময় চকীত বহি কাম-কাজ কৰিছিল। গৱেষকৰ দাবী অনুসৰি দীৰ্ঘসময় একেৰাহে বহি থকাৰ ফলত শাৰীৰিক ব্যায়ামৰ অভাৱত মৃত্যুৰ সংখ্যা ৮.৮ শতাংশ আৰু হৃদৰোগত আক্ৰান্ত হোৱাৰ শংকা ৫.৮ শতাংশ বৃদ্ধি পায়। অধ্যয়নকাৰী গৱেষকে পৰামৰ্শ দি কয় যে দীৰ্ঘসময় একেৰাহে কৰ্মৰত হ'লে প্ৰতি এঘণ্টাৰ বিৰতিত কিছু সময় খোজ কঢ়াৰ লগতে বহাৰ ধৰণ সলনি কৰা প্ৰয়োজন। দৈনিক এনে ব্যক্তিক ৩০-৪০ মিনিট সময় শাৰীৰিক ব্যায়াম কৰিবলৈকো গৱেষকৰ দলটোৱে পৰামৰ্শ দিছে।



# দুধনৈত গোৱালপাৰা জিলা বাঙালী যুৱ ছাত্ৰ ফেডাৰেছনৰ উদ্যোগত অভিনন্দন অনুষ্ঠান



অগ্ৰদূত বাৰ্তা
**দুধনৈ, ১১ জুলাই ঃ** দুধনৈ জন মন্দিৰ প্ৰেক্ষাগৃহত গোৱালপাৰা জিলা বাঙালী যুৱ ছাত্ৰ ফেডাৰেছন আৰু বাঙালী মহিলা ফেডাৰেছনৰ উদ্যোগত আজি সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰাৰ বাবে বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। গোৱালপাৰা জিলা বাঙালী যুৱ ছাত্ৰ ফেডাৰেছনৰ সভাপতি দীপাংকৰ সৰকাৰৰ সভাপতিত্বত অনুষ্ঠিত হয় অভিনন্দন অনুষ্ঠান। অনুষ্ঠানত মুঠ ৭২ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক বাঙালী জনগোষ্ঠীৰ উত্তৰীয়, অভিনন্দন পত্ৰ আৰু গ্ৰন্থৰ টোপোলাৰে অভিনন্দন জ্ঞাপন কৰা হয়। ইয়াৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৪৭ গৰাকী। ইয়াৰে পাঁচগৰাকীয়ে ডিষ্টিংচন আৰু ১৪ গৰাকীয়ে ষ্টাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়। আনহাতে উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২৫ গৰাকী। ইয়াৰে অসমৰ ভিতৰত বাণিজ্য শাখাত চতুৰ্থ স্থান লাভ কৰা প্ৰিয়াক্ষী ঘোষ আৰু প্ৰীতম সৰকাৰকো বিশেষভাৱে অভিনন্দন জনোৱা হয়। তদুপৰি ডিষ্টিংছন লাভ কৰে চাৰিগৰাকী আৰু সাতগৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰে । অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা। বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে গোৱালপাৰা আইন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনুপ ৰায়, নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি নৃপেন খান্দা, দুধনৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক অশোক ৰঞ্জন ভট্টাচাৰ্য প্ৰমুখ্যে কে'বাগৰাকীও বিশিষ্ট ব্যক্তি।

# ২২ জুলাইত দৰঙী কলা কৃষ্টিৰ দৰঙী শিৰোমণি বঁটা প্ৰদান অনুষ্ঠান

অগ্ৰদূত বাৰ্তা
**মঙলদৈ, ১১ জুলাই ঃ** দৰঙীয়াৰ আপুৰুগীয়া সম্পদ দৰঙী লোক কৃষ্টিৰে সংপৃক্ত নিভাঁজ লোকশিল্পীসকলক উৎসাহিত কৰি আগুৱাই নিয়াৰ লক্ষ্যৰে ৰাজহুৱা ভাৱে প্ৰদান কৰিবলৈ লোৱা 'দৰঙী শিৰোমণি বঁটা' অহা ২২ জুলাইত লোক কৃষ্টি প্ৰদৰ্শনৰ মাজেৰে প্ৰদান কৰা হ'ব। সেইদিনা দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ ভৱনত দিনৰ ১০-৩০ বজাত দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ প্ৰতিষ্ঠাপক সহকাৰী সম্পাদক অৱসৰপ্ৰাপ্ত অধ্যক্ষ নীলকান্ত চহৰীয়াই বন্তি প্ৰজ্বলন, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াই ভোটা প্ৰজ্বলন আৰু ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে উদ্বোধন কৰিব লোক কৃষ্টি প্ৰদৰ্শন। উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই সংঘৰ মুখপত্ৰ দৰঙী উন্মোচন আৰু সাংসদ দিলীপ কুমাৰ শইকীয়াই প্ৰদান কৰিব দৰঙী শিৰোমণি বঁটা-২২। শুকনান্নী ওজাপালি, ব্যাসৰ ওজাপালি, দেওধনী নৃত্য, মালচী গীত, লিগিৰী ওজা, চিয়াগীত, খুলীয়া ভাউৰীয়াৰ সূত্ৰধাৰী নৃত্য, মহৌখুন্দা, চেৰাঞ্জকে, থিয়নাম, বিয়াগীত, ঝুমুই নৃত্য, ঘোষা কীৰ্তন আদি লোককৃষ্টি প্ৰদৰ্শন হ'বলগীয়া এই বঁটা প্ৰদান অনুষ্ঠানত জিলাখনৰ বিধায়ক ক্ৰমে বসন্ত দাস, দুৰ্গাদাস বড়ো, আলহাজ মজিবুৰ ৰহমান, অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, আৰক্ষী অধীক্ষক ৰাজ মোহন ৰায়, দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকা, মুখ্য কাৰ্যবাহী বিষয়া ৰমেন মালাকাৰ, ৰাজহ চক্ৰ বিষয়া কমলজিৎ শৰ্মা, বি ডি অ' মদন বৰ্মন, মনোজ বনিয়া, বিভাষ বৰা, সাংস্কৃতিক উন্নয়ন বিষয়া ধনদা দাস হাজৰিকা, মঙলদৈ আৰু ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰা আৰু প্ৰদীপ চন্দ্ৰ ডেকা, উদ্যোগপতি অনুপম ডেকা, সমাজসেৱী কুলেন হাজৰিকা, কল্পসিং বৰদলৈ আৰু কুলদীপ বৰুৱা সুহৃদ অতিথিৰূপে উপস্থিত থাকিব। দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ সাধাৰণ সম্পাদক নৰ কুমাৰ শইকীয়াই জনোৱা অনুসৰি, ব্যাস সংগীতৰ ডাইনাপালি নিজছিপাঝাৰৰ কোমল চন্দ্ৰ নাথলৈ কুঁহিৰাম চহৰীয়াৰ স্মৃতিত, বৰক'লাৰ নাগাৰা নামৰ শিল্পী দুলু বড়োলৈ দীন নাথ চহৰীয়াৰ স্মৃতিত, পাথৰিঘাটৰ চেৰাঢেকৰ শিল্পী ইদ্ৰিছ আলীলৈ মৌলৱী আলহাজ চমছেৰ আলীৰ স্মৃতিত আৰু মঙলদৈৰ ধনমালা দেৱীলৈ লম্ভাৱালা শইকীয়াৰ স্মৃতিত প্ৰদান কৰা হ'ব দৰঙী শিৰোমণি বঁটা-২০২২।

# কৃষক ৰাইজলৈ নগাঁও জিলা কৃষি বিভাগৰ আহ্বান

বিশেষ সংবাদদাতা
**নগাঁও, ১১ জুলাই ঃ** নগাঁও জিলাৰ কৃষক ৰাইজক জিলা কৃষি বিভাগৰ তৰফৰ পৰা জনাইছে যে যিসকল কৃষকে পি.এম. কিষাণ আঁচনিৰ অধীনত ধনৰাশি পাই আছে কিন্তু এতিয়াও আধাৰ সংযোগ আৰু ই.কে.ৱাই.চি কৰা নাই তেওঁলোকে ৩১ জুলাইৰ ভিতৰত স্থানীয় সমূহীয়া সেৱা কেন্দ্ৰ (চি.এছ.চি) বা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত বা চক্ৰ বিষয়াৰ কাৰ্যালয়ত অৱস্থিত ৰাজহুৱা সেৱা কেন্দ্ৰত (পি.এফ.চি)লৈ গৈ উক্ত কামকেইটা কৰিব লাগিব। অন্যথা কৃষকসকলে পাই থকা ধনৰাশি পোৱাৰ পৰা বঞ্চিত হ'ব। লগতে সমূহ কৃষক ৰাইজক আন এটা গুৰুত্বপূৰ্ণ কথা জনাইছে জিলা কৃষি বিভাগে। সেয়া হৈছে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত শালিধান আৰু মাটিমাহ শস্যৰ বীমাকৰণৰ কাম নগাঁও জিলাতো চলি আছে। কৃষক ৰাইজে এক হেক্টৰ অৰ্থাৎ ৭.৫ বিঘা মাটিৰ বীমাৰ বাবে মাত্ৰ এশ টকা প্ৰিমিয়াম দিব লাগে। শালিধানৰ বীমা কৰাৰ শেষ তাৰিখ হ'ল ৩১ জুলাই । এই শস্য বীমাৰ বাবে প্ৰয়োজনীয় নথিপত্ৰসমূহ হ'ল মাটিৰ কাগজ, আধাৰ কাৰ্ড আৰু বেংকৰ পাছবুক। কৃষকসকলে ওচৰতে থকা চি.এছ.চি কেন্দ্ৰত গৈ এই বীমাকৰণ কৰাব পাৰিব। সবিশেষ জানিবৰ বাবে স্থানীয় কৃষি উন্নয়ন বিষয়া, গাঁও পঞ্চায়ত, অথবা বীমা কোম্পানীৰ লগত যোগাযোগ কৰিবৰ বাবে অনুৰোধ জনাইছে নগাঁও জিলা কৃষি বিষয়া তৰুণ হাজৰিকাই ।

# ভাৰতীয় বায়ুসেনাৰ অৱসৰপ্ৰাপ্ত বিষয়া নগেন্দ্ৰ নাথ শইকীয়াৰ বিয়োগ

বিশেষ সংবাদদাতা
**নগাঁও, ১১ জুলাই ঃ** নগাঁও চহৰৰ মিলনপুৰ বৈদ্যটুপৰ নিবাসী ভাৰতীয় বায়ুসেনাৰ অৱসৰ প্ৰাপ্ত বিষয়া, বিশিষ্ট সমাজকৰ্মী, ধৰ্মপ্ৰাণ ব্যক্তি নগেন্দ্ৰ নাথ শইকীয়াৰ যোৱা নিশা প্ৰায় ১০-৩০ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত পৰলোক প্ৰাপ্তি ঘটে। হৃদৰোগত আক্ৰান্ত হৈ তেওঁ এসপ্তাহ ধৰি চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭২ বছৰ। অত্যন্ত নম্ৰ, সহজ-সৰল স্বভাৱৰ শইকীয়া বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। মৃত্যুৰ সময়ত শইকীয়াই পত্নী , এজন পুত্ৰ, এগৰাকী কন্যা-নাতিসহ বহু আত্মীয়-কুটুম্বক ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত অঞ্চলটোৰ অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠন আৰু ব্যক্তি বিশেষে গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# নিগমৰ বাগিচা লীজত দিয়া সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা চাহ কৰ্মচাৰী সংঘৰ


## ■ ১৮ জুলাইৰ পৰা আন্দোলনৰ হুংকাৰ সংঘৰ ■ বৰ্তমানেও অনাদায় শ্ৰমিকৰ গ্ৰেচুইটি, ভৱিষ্যনিধিৰ ৪০৫ কোটি

অগ্ৰদূত বাৰ্তা
**চিনামৰা, ১১ জুলাই ঃ** বহিৰ্বিশ্বত অসমৰ পৰিচয় স্বৰূপ চাহ উদ্যোগ। প্ৰায় দুটা দশকৰ আগলৈকে লাভজনক অৱস্থাত থকা চৰকাৰী খণ্ডত প্ৰতিষ্ঠিত অসম চাহ নিগমৰ বৰ্তমানৰ দুৰৱস্থাৰ দোহাই দি চৰকাৰে নিগমৰ অন্তৰ্গত বাগিচাসমূহ লিজত দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ তীব্ৰ বিৰোধিতা কৰিছে চাহ কৰ্মচাৰী সংঘই। চৰকাৰৰ এই সিদ্ধান্ত একপক্ষীয় আৰু ষড়যন্ত্ৰমূলক বুলি উল্লেখ কৰি সংগঠনটোৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ঋষভ কলিতাই এক প্ৰেছ বাৰ্তাত কয় যে বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীৰ স'তে কোনো ধৰণৰ আলোচনা আৰু মতামত গ্ৰহণ নকৰাকৈ ব্যক্তিগত খণ্ডক গতাই দিব বিচৰাতো চৰকাৰৰ একপক্ষীয় সিদ্ধান্ত। ১৯৭২ৰ পৰাই এক লাভজনক অৱস্থাত থকা নিগমৰ বাগিচাসমূহে ২০০২ৰ পৰা বিভিন্ন কাৰণত লোকচানৰ সন্মুখীন হয়। তেনে অৱস্থাত যোৱা ২২ বছৰে কৰ্মৰত শ্ৰমিকসকল একাধিক সমস্যাৰে জৰ্জৰিত। আজিৰ তাৰিখত কৰ্মচাৰীসকলৰ বকেয়া, গ্ৰেচুইটি, ভৱিষ্যনিধি, ভ্ৰমণ ভাট্টা, ৰন্ধন গেছ, ৰেছন আদিকে ধৰি কে'বাশ কোটি টকাৰ প্ৰাপ্য অনাদায় হৈ আছে। এই প্ৰাপ্যসমূহৰ ক্ষেত্ৰতো কোনো ধৰণৰ আলোচনা নকৰাকৈ চৰকাৰে গোপনে বাগিচা হস্তান্তৰকৰণ কৰিবলৈ লোৱাটো কোনো ধৰণে মানি লোৱা নহ'ব বুলি কয়। বাগিচা শ্ৰমিকৰ অনাদায় হৈ থকা সন্দৰ্ভত এটা গোচৰ সম্প্ৰতি উচ্চতম ন্যায়ালয়ত বিচাৰাধীন। তেনেক্ষেত্ৰত চৰকাৰে বাগিচা কেনেকৈ বেচিব বুলিও তেওঁ প্ৰশ্ন কৰে। লগতে তেওঁ কয় যে চাহ বাগিচাসমূহৰ লোকচানৰ কাৰণ সন্দৰ্ভতো এক তদন্ত হ'ব লাগে বুলি উল্লেখ কৰি কয় যে যি সময়ত ৰাজ্যৰ ৮৫০খন বাগিচাই লাভৰ মুখ দেখে তেনে সময়তে নিগমৰ বাগিচা কিয় লোকচানৰ সন্মুখীন হৈছে সেয়াও তদন্তলৈ আনিব লাগে। ইফালে, বিবৃতিটোত নিগমৰ অন্তৰ্গত বাগিচাৰ শ্ৰমিকৰ অনাদায়কৃত গ্ৰেচুইটি আৰু ভৱিষ্যনিধিৰ ধনৰ পৰিমাণ ৪০৫ কোটি টকা। কিন্তু চৰকাৰে শ্ৰমিক-কৰ্মচাৰীৰ বাবে ১৪২ কোটি ৫০ লাখ টকাৰ এক পেকেজৰ প্ৰস্তুতি কৰাৰ কথা জানিব পৰা বুলি উল্লেখ কৰি শ্ৰমিক-কৰ্মচাৰীৰ পাওনাৰ ক্ষেত্ৰত আলোচনা কৰি সেয়া দিয়াৰ ব্যৱস্থা কৰিলে চৰকাৰৰ সিদ্ধান্তক আদৰণি জনাব বুলি কয়। আৰু যদি তেওঁলোকৰ দাবী চৰকাৰে মানি নলয় তেতিয়া ১৮ জুলাইৰ পৰা ধাৰাবাহিকভাৱে এক আন্দোলনৰ কাৰ্যসূচী হাতত ল'ব বুলি সকীয়াই দিয়ে। সেই অনুসৰি ১৮, ১৯, ২০ জুলাইত ক'লা বেজ পৰিধান, ২১, ২২, ২৩ জুলাইত প্ৰতিখন বাগিচাৰ সন্মুখত ধৰ্ণা, ২৫, ২৬, ২৭ জুলাইত বাগিচা কাৰ্যালয়ৰ সন্মুখত ধৰ্মঘট আৰু ইয়াতো চৰকাৰে ব্যৱস্থা গ্ৰহণ নকৰিলে আগষ্টত নিগমৰ গুৱাহাটীৰ কাৰ্যালয়ৰ সন্মুখত অনিৰ্দিষ্টকালীন আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব।

# গোলাঘাট জিলা কোচ ৰাজবংশী সন্মিলনীৰ কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন

অগ্ৰদূত বাৰ্তা
**ফৰকাটিং, ১১ জুলাই ঃ** গোলাঘাট জিলা কোচ ৰাজবংশী সন্মিলনীৰ উদ্যোগত জিলা মহিলা আৰু যুৱ-ছাত্ৰ সন্মিলনীৰ সহযোগত জিলাখনৰ ৩০ গৰাকী কোচ ৰাজবংশী ৭৫ শতাংশ নম্বৰৰ পৰা অধিক নম্বৰ লাভ কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। সেই উপলক্ষে আজি গোলাঘাট নগৰৰ মৈত্ৰী সংঘত জিলা কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি চন্দ্ৰ কুমাৰ দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আঁত ধৰে জিলা সম্পাদক প্ৰবীণ শইকীয়া আৰু সহ-সম্পাদক খগেন বৰাই। সভাত জ্যেষ্ঠ সাংবাদিক দ্বীপেন দত্ত, সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ সহ-সম্পাদক উপেন শইকীয়া, ৰাজ্যিক সদস্য শিক্ষাবিদ তিলেশ্বৰ তামুলী, জিলা উপদেষ্টা গণেশ বৰতামুলী, জিলা মহিলা সন্মিলনীৰ সভানেত্ৰী মঞ্জুলা শইকীয়া আদিয়ে ভাষণ ৰাখে। উক্ত সভাত গোলাঘাট পৌৰসভাৰ নৱনিৰ্বাচিত ৱাৰ্ড কমিছনাৰ কোচ ৰাজবংশীৰ অজয় ভড়ালী আৰু ৰবীন বৰুৱাক অভিনন্দন জনোৱা হয়।

# আজাৰা লেখিকা সমাৰোহ সমিতিৰ বন্যাৰ্তলৈ সাহায্য



অগ্ৰদূত বাৰ্তা
**আজাৰা, ১১ জুলাই ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ আজাৰা শাখাৰ উদ্যোগত হাজোৰ সাতদলা দুখুটি গাঁৱৰ বানপীড়িত ৰাইজৰ মাজত কালি সাহায্য সামগ্ৰী বিতৰণ কৰা হয়। সাতদলা দুখুটি গাঁৱৰ ৪০ টা দুৰ্গত পৰিয়ালৰ মাজত চাউল, দাইল,আলু, বিস্কুট, নিমখ আৰু দুবিধ চাবোন বিতৰণ কৰা হয়। বাগটা সাতদলা ভূমা হাইস্কুলৰ শিক্ষক অমৃত দাস আৰু স্থানীয় যুৱক দ্বিজেন দাস, মনোজ কুমাৰ দাস, পৰেশ দাস সহ তথা আন কেঁবাগৰাকী জ্যেষ্ঠ ব্যক্তিয়ে উক্ত কাৰ্যত সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে মানুহৰ এনে দুৰ্যোগৰ সময়ত আজাৰা লেখিকা সমাৰোহ শাখা সমিতিয়ে যৎকিঞ্চিত সাহায্য আগবঢ়োৱাত গাঁওবাসী নথৈ আনন্দিত হয় আৰু আজাৰা লেখিকা সমাৰোহ শাখা সমিতি লৈ কৃতজ্ঞতা জ্ঞাপন কৰে। শাখাৰ সভানেত্ৰী ত্ৰিবেণী দাস, সম্পাদিকা কুঞ্জ লতা মেধী, কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যা সোমা দাস, কোষাধ্যক্ষ নিজৰা বৰুৱা কলিতা আৰু সদস্যা বন্তি শইকীয়াই এই সাহায্য বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।



কলিয়াবৰত সফলতাৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক অভিনন্দন অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্ত।

# আধাৰ কাৰ্ডৰ সংযোগ, শালিধান-মাটি মাহৰ বীমাকৰণৰ আহ্বান নগাঁও জিলা কৃষি বিভাগৰ

অগ্ৰদূত বাৰ্তা
**পুৰণিগুদাম, ১১ জুলাই ঃ** নগাঁও জিলাৰ যিসকল কৃষকে পি এম কৃষাণ আঁচনিৰ অধীনত ধনৰাশি পাই আছে কিন্তু এতিয়াও আধাৰ সংযোগ আৰু ইকেৱাইচি কৰা নাই তেওঁলোকে ৩১ জুলাইৰ ভিতৰত স্থানীয় সমূহীয়া সেৱা কেন্দ্ৰ (চিএছচি), খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত অথবা চক্ৰ বিষয়াৰ কাৰ্যালয়ত অৱস্থিত ৰাজহুৱা সেৱা কেন্দ্ৰত (পিএফচি) গৈ উক্ত কামকেইটা কৰিবৰ বাবে জিলা কৃষি বিভাগে আহ্বান জনাইছে । অন্যথা তেওঁলোকে পাই থকা ধনৰাশি পোৱাৰ পৰা বঞ্চিত হ'ব । লগতে সমূহ কৃষক ৰাইজক আন এটা গুৰুত্বপূৰ্ণ কথা অৱগত কৰি কয় যে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত শালিধান আৰু মাটিমাহ শস্যৰ বীমাকৰণৰ কাম নগাঁও জিলাতো চলি আছে । কৃষক ৰাইজে এক হেক্টৰ অৰ্থাৎ ৭.৫ বিঘা মাটিৰ বীমাৰ বাবে মাত্ৰ ১০০ টকা প্ৰিমিয়াম দিব লাগে। শালিধানৰ বীমা কৰাৰ শেষ তাৰিখ ৩১ জুলাই । এই শস্য বীমাৰ বাবে প্ৰয়োজনীয় নথিপত্ৰসমূহ মাটিৰ কাগজ, আধাৰ কাৰ্ড আৰু বেংকৰ পাছবুক। কৃষকসকলৰ ওচৰতে থকা চিএছচি কেন্দ্ৰত গৈ এই বীমাকৰণ কৰাব পাৰিব। সবিশেষ জানিবৰ বাবে স্থানীয় কৃষি উন্নয়ন বিষয়া, গাঁও পঞ্চায়ত, অথবা বীমা কোম্পানীৰ লগত যোগাযোগ কৰিবৰ বাবে নগাঁও জিলা কৃষি বিষয়া তৰুণ হাজৰিকাই কৃষকসকলক আহ্বান জনাইছে ।

# টীয়ক ৰজাবাৰীত আছুৰ উদ্যোগত বিনামূলীয়া পাঠদান কাৰ্যসূচী আৰম্ভ

অগ্ৰদূত বাৰ্তা
**টীয়ক, ১১ জুলাই ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ শৈক্ষিক কৰ্মসূচীৰ আধাৰত কালিৰে পৰা টীয়ক আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু ৰজাবাৰী শাখা ছাত্ৰ সন্থাৰ সহযোগত টীয়ক ৰজাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দশম শ্ৰেণীৰ বিনামূলীয়া পাঠদান কাৰ্যসূচী আৰম্ভ কৰে। কালি অনুষ্ঠানত অঞ্চলটোৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ইংৰাজী, সাধাৰণ বিজ্ঞান আৰু সাধাৰণ গণিতৰ পাঠদান কৰা হ'ব। টীয়ক আছুৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল দত্তই আঁত ধৰা সভাখনত সভাপতিত্ব কৰে ভাৰপ্ৰাপ্ত সভাপতি ৰক্তিম হাজৰিকাই। টীয়ক ৰজাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক কৃষ্ণ বৰা, অনিল শইকীয়া, গণেশ বৰঠাকুৰ, সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ৰণ্টু ভূএগ, সাংস্কৃতিক সম্পাদক প্ৰীতমজ্যোতি শইকীয়া, টীয়ক আছুৰ উপদেষ্টা প্ৰশান্ত দোলাকাষৰীয়াকে ধৰি টীয়ক আঞ্চলিক ছাত্ৰ সন্থা আৰু ৰজাবাৰী শাখা ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# বেকাজানত অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা আয়োজন

বিশেষ সংবাদদাতা
**নগাবাট, ১১ জুলাই ঃ** তিতাবৰ মহকুমাৰ বেকাজানৰ শংকৰ-মাধৱ নাট্যগোষ্ঠীৰ উদ্যোগত আঠদিনীয়া কাৰ্যসূচীৰে সদৌ অসম ভাওনা প্ৰতিযোগিতাৰ আয়োজনৰ যো-জা কৰিছে। সেয়ে অলপতে বেকাজানৰ ৰাজহুৱা প্ৰেক্ষগৃহত এখন সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক বুধীন্দ্ৰ নাথ বৰচেতিয়াৰ সভাপতিত্বত আৰু প্ৰফুল্ল দত্তই উদ্দেশ্য ব্যাখ্যা কৰা সভাত সদৌ যোৰহাট জিলা ভাওনা সমিতিৰ উপ-সভাপতি অমিতাভ বৰদলৈ, প্ৰশান্ত বৰা, পম্পী গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষক মুকুতা চুতীয়া, সত্য নাৰায়ণ যাদৱ, শিক্ষক ৰবীন চুতীয়া আদি উপস্থিত থাকি অনুষ্ঠিত হ'ব লগা ভাওনা প্ৰতিযোগিতাখনৰ সন্দৰ্ভত ভাষণ প্ৰদান কৰে। সভাত অংশগ্ৰহণ কৰা শংকৰ-মাধৱ নাট্যগোষ্ঠীৰ সভাপতি দেৱজিৎ দাস, কাৰ্যকৰী সভাপতি প্ৰশান্ত বৰা, সাধাৰণ সম্পাদক প্ৰফুল্ল দত্ত আৰু সহকাৰী সম্পাদক জ্যোতিষ্ময় চেতিয়া আদিয়ে ভাওনা উদ্‌যাপনৰ পৰিকল্পনাৰ সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। জানিব পৰা মতে, চলিত বৰ্ষৰ ন অক্টোবৰৰ পৰা ১৬ অক্টোবৰলৈ আঠদিনীয়া কাৰ্যসূচীৰে বেকাজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব এই ভাওনা প্ৰতিযোগিতাখন। ইতিমধ্যে উদ্যোক্তাসকলে এটা অস্থায়ী কাৰ্যালয় স্থাপন কৰি প্ৰাৰম্ভিক প্ৰস্তুতি আৰম্ভ কৰিছে।

# মাধপুৰৰ অগ্ৰণী নেত্ৰী প্ৰিয়ংকা ফুকনক সম্বৰ্ধনা বিজেপিৰ মৎস্যজীৱী কোষৰ



বিশেষ সংবাদদাতা
**নগাবাট, ১১ জুলাই ঃ** তিতাবৰ মহকুমাৰ মাধপুৰৰ অগ্ৰণী নেত্ৰী তথা সমাজ সেৱিকা প্ৰিয়ংকা ফুকনক দেওবাৰে গুৱাহাটীৰ খানাপাৰাস্থিত গণেশ মন্দিৰ ইনড'ৰ ষ্টেডিয়ামত বিজেপিৰ মৎস্যজীৱী কোষে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। জানিব পৰা মতে, মাধপুৰক আদৰ্শ গাঁওৰূপে প্ৰতিষ্ঠা কৰাৰ লগতে বিভিন্ন সময়ত সমাজ জীৱনত আগবঢ়োৱা অনবদ্য স্বীকৃতি স্বৰূপে প্ৰিয়ংকা ফুকনক বিশেষভাৱে এই সম্বৰ্ধনা জনায়। উল্লেখ্য যে ফুকন বৰ্তমান মাধপুৰ গাঁও পঞ্চায়তৰ সভানেত্ৰীৰ দায়িত্ব পালন কৰি আছে। ফুকনৰ প্ৰচেষ্টাতে মাধপুৰ গাঁও পঞ্চায়ত কাৰ্যালয়টো আটকধুনীয়াকৈ সজাই-পৰাই তোলা কাৰ্যই অলপতে বাতৰিৰ শিৰোনাম দখল কৰিছিল। বৃহত্তৰ বৰহোলা, তিতাবৰ, মাধপুৰ, ৰজাবাহৰ আদি অঞ্চলৰ বিভিন্ন সামাজিক কাৰ্যসূচী, অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে প্ৰিয়ংকা ফুকন। কিছুদিনৰ পূৰ্বে এটা সংস্থাই ফুকনক প্ৰেৰণা বঁটা প্ৰদান কৰিছিল। অতি ভিতৰুৱা অঞ্চলত থাকি ৰাজহুৱা কামেৰে অঞ্চলটোৰ উন্নয়নৰ লগতে নিজক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা প্ৰিয়ংকা ফুকনক আজি কে'বাটাও দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে আনন্দ প্ৰকাশ কৰি অভিনন্দন জ্ঞাপন কৰিছে।

# ঘগ্ৰাপাৰৰ বালিতাৰাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাংস্কৃতিক কৰ্মশালা

অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ ১১ জুলাই ঃ** ভাৰতবৰ্ষৰ সৰ্ববৃহৎ ধৰ্মীয়, সাংস্কৃতিক, আধ্যাত্মিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নলবাৰী জিলা শাখাৰ উদ্যোগত নলবাৰী আঞ্চলিক শাখাৰ আতিথ্যৰ লগতে পুৰুযোত্তম প্ৰাথমিক, পূব বালিতাৰা প্ৰাথমিক, শ্ৰীমন্ত শংকৰ-মাধৱ প্ৰাথমিক আৰু জগতগুৰু প্ৰাথমিক শাখাৰ সহযোগত ঘগ্ৰাপাৰৰ বালিতাৰা হাইস্কুলত অহা ১৬ জুলাইৰ পৰা ২০ জুলাইলৈ পাঁচদিনীয়া সাংস্কৃতিক কৰ্মশালা এখন আয়োজন কৰিছে। এই উপলক্ষে গোৱৰ্ধন হালৈক সভাপতি আৰু কৃষ্ণ কলিতাক সম্পাদকৰূপে লৈ এখন আদৰণি সমিতি গঠন কৰিছে বুলি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নলবাৰী জিলা শাখাৰ সম্পাদক কৰ্ণধৰ বৰ্মনে জানিবলৈ দিয়ে। কাৰ্যসূচী অনুসৰি ১৬ জুলাইত পুৱা নাম-প্ৰসংগ, গছপুলি ৰোপণ আৰু পতাকা উত্তোলন। পতাকা উত্তোলন কৰিব নলবাৰী জিলা শাখাৰ সভাপতি বৈকুণ্ঠ কলিতাই। পুৱা ১০ বজাত সাংস্কৃতিক কৰ্মশালাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যুটীয়া সম্পাদক ডাঃ দুৰ্লভ পাঠকে। অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কে'বাজনো মূলৰ প্ৰচাৰক, শৰণ সদস্য উপস্থিত থাকিব। সিদিনা কৰ্মশালাখন অনুষ্ঠিত হ'ব দিনৰ ১১ বজাত। উল্লেখ্য যে কৰ্মশালাৰ প্ৰতিদিনে পুৱা আঠ বজাৰ পৰা কৰ্মশালা অনুষ্ঠিত হ'ব। আনহাতে প্ৰতিদিনে পুৱা আৰু সন্ধিয়া বিশেষ নাম-প্ৰসংগ অনুষ্ঠিত হ'ব। ২০ জুলাইত দিনৰ ১২ বজাত সাংস্কৃতিক কৰ্মশালাৰ সামৰণি অনুষ্ঠানৰ লগতে মুকলি সভা অনুষ্ঠিত হ'ব। নলবাৰী জিলা শাখাৰ সভাপতি বৈকুণ্ঠ কলিতাই সঞ্চালনা কৰিবলগীয়া সভাখন উদ্বোধন কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাংস্কৃতিক প্ৰশিক্ষক ভগীৰথ ৰাজবংশীয়ে। মুখ্য অতিথিৰূপে উপস্থিত থাকিব জনস্বাস্থ্য কাৰিকৰী তথা পৰ্যটনৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাংস্কৃতিক শাখাৰ প্ৰশিক্ষক আনন্দ বৰা, গৱেষক তথা প্ৰশিক্ষক ৰবীন্দ্ৰ ৰাভা, গৱেষক প্ৰশিক্ষক প্ৰফুল্ল হাজৰিকা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰক মণিৰাম দাস, নলবাৰী জিলা শাখাৰ উপ-সভাপতি অতুল কলিতা আৰু জগদীশ পাঠক, শিশু আই মাতৃ কল্যাণ শাখা সমিতিৰ সভানেত্ৰী নিৰুপমা হালৈ আদি। সন্ধিয়া সংঘৰ পতাকা অৱতৰণ কৰি সাংস্কৃতিক কৰ্মশালাৰ সামৰণি মাৰিব।


# মৰাণত মিউজিক থেৰাপী, কণ্ঠ উৎকৰ্ষৰ কৌশল, বলিউদৰ সংগীত-কবিতা আবৃত্তিৰ কৰ্মশালা সম্পন্ন

অগ্ৰদূত বাৰ্তা
**মৰাণ, ১১ জুলাই ঃ** মৰাণৰ অগ্ৰণী সংগীত শিক্ষাৰ প্ৰতিষ্ঠান ষ্টুডিঅ' ৰং আৰু ৰিদমৰ উদ্যোগত তিনিদিনীয়াকৈ অনুষ্ঠিত মিউজিক থেৰাপী, কণ্ঠ উৎকৰ্ষৰ কৌশল, বলিউদৰ সংগীত আৰু কবিতা আবৃত্তিৰ কৰ্মশালাৰ সামৰণি। যোৱা আঠ জুলাইৰ পৰা মৰাণস্থ তাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠানত অনুষ্ঠিত কৰ্মশালাখনৰ আজি সফলভাৱে সামৰণি পৰে। আজি অনুষ্ঠিত সামৰণি অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে তাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ড° গিৰিণ ফুকন, জ্যেষ্ঠ সাংবাদিক ক্ৰমে বাছা বৰা, শিক্ষক ভূপেন নাথ, অৱসৰপ্ৰাপ্ত শিক্ষক সুনন্দ মহন, সুলেখক-সমাজকৰ্মী ডাঃ ৰূপম বৰুৱা, কবি নৃপেন বৰুৱা, সাংবাদিক শোভিত কুমাৰ ছেত্ৰী, অনাতাঁৰ শিল্পী লোহিত মহন ফুকন, ষ্টুডিঅ' ৰং আৰু ৰিদমৰ অধ্যক্ষ শুভজ্যোতি মহন আদি উপস্থিত থাকে। উল্লেখ্য যে তিনিদিনীয়া এই কৰ্মশালাত মৰাণৰ বিভিন্ন প্ৰান্তৰ তিনিকুৰিৰো অধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। এই কৰ্মশালাত অসমৰ লগতে মুম্বাইৰ এগৰাকী প্ৰতিষ্ঠিত সংগীতৰ চিকিৎসক তথা কণ্ঠশিল্পী অনুভূতি কাকতি গোস্বামী, অসমৰ বিশিষ্ট কণ্ঠশিল্পী লোকনাথ গোস্বামীৰ সুযোগ্য পুত্ৰ, বহুকেইখন হিন্দী বোলছবিৰ সংগীত ব্যৱস্থাপনাৰ লগতে ছনি, টি ছিৰিজ আদি বহুকেইটা সংগীত কোম্পানীৰে জড়িত থকা সংগীত শিল্পী ইমন সেউজ গোস্বামীয়ে মিউজিক থেৰাপী, বলিউদৰ সংগীতৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰিছে। আনহাতে, অসমৰ দুগৰাকী বিশিষ্ট কবি, আবৃত্তিকাৰ দিতিমণি দত্ত আৰু ধৰিত্ৰী গগৈ বৰুৱাই কৰ্মশালাত আবৃত্তিৰ সমল ব্যক্তি হিচাপে অংশ লৈছে। আজি কৰ্মশালাৰ সামৰণিত প্ৰশিক্ষকসকলক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়।

# ভৰ বাৰিষাতো পৰ্যাপ্ত পানীৰ অভাৱ

## ■ শুকান পথাৰত কৃষি কৰ্ম কৰিব নোৱাৰি চিন্তিত বৰহোলাৰ কৃষক

বিশেষ সংবাদদাতা
**নগাবাট, ১১ জুলাই ঃ** ৰাজ্যৰ এফালে যদি বান, আনফালে হৈছে খৰাং। ভৰ বাৰিষাৰ এই সময়তো পানীৰ অভাৱত কৃষি কৰ্ম কৰিব নোৱাৰি মূৰে-কপালে হাত দিবলগীয়া হৈছে বৰহোলাৰ একাংশ কৃষকে। সময় মতে, ৰুব নোৱাৰি শুকান পথাৰতে মৰহি যোৱাৰ উপক্ৰম হৈছে লহপহকৈ বাঢ়ি অহা কঠীয়া কেইডৰাও। উল্লেখ্য যে বৰহোলাৰ বালিজান মিচিং গাঁৱৰ প্ৰায় শতাধিক পৰিয়ালৰ খেতিপথাৰত বাৰিষাৰ এই ভৰপক সময়তো পানী নাই। পৰ্যাপ্ত বৰষুণৰ অভাৱত শুকান হৈ পৰি ৰৈছে বিঘাই বিঘাই কৃষিভূমি। ইফালে, অঞ্চলটোত জলসিঞ্চনৰো কোনো সু-ব্যৱস্থা নাই। পৰিতাপৰ বিষয় যে বালিজান মিচিং গাঁৱৰ শতাধিক পৰিয়ালৰ দুৰ্দশা বুজ ল'বলৈ আজিকোপতি আহৰি নহ'ল জনপ্ৰতিনিধিৰ। ফলত বছৰি বৰষুণৰ টোপালকেইটাৰ ওপৰতে নিৰ্ভৰ কৰি ধানকেইটা উৎপাদন কৰাৰ আশাত ৰয় কৃষকসকল। ভুক্তভোগী কৃষকসকলে জানিবলৈ দিয়ে যে পূৰ্বে এনে দুৰ্যোগৰ সময়ত কে'বাবাৰো জনপ্ৰতিনিধি আহি তেওঁলোকক অলেখ প্ৰতিশ্ৰুতি দি গৈছিলহি। কিন্তু সেই প্ৰতিশ্ৰুতি আজিও প্ৰতিশ্ৰুতি হৈয়ে ৰ'ল। আজিকোপতি কৃষকসকল উপকৃত হোৱাকৈ চৰকাৰীভাৱে কোনো পদক্ষেপ গ্ৰহণ কৰা দেখিবলৈ পোৱা নগ'ল। ফলত প্ৰতি বছৰেই অনিশ্চিত ভৱিষ্যতৰ আশংকাত কৃষিকৰ্ম কৰিবলগীয়া হয় কৃষকসকলে। কৃষিমন্ত্ৰী অতুল বৰাক বৰহোলাৰ বালিজান মিচিং গাঁওবাসী ৰাইজৰ প্ৰশ্ন যে ধান উৎপাদনত চহকী বৰহোলা অঞ্চলৰ কৃষকৰ দুৰৱস্থাৰ খবৰ কৃষি বিভাগে ৰাখিছেনে ? কৃষি আঁচনিয়ে প্ৰকৃত দৰিদ্ৰ কৃষক ৰাইজক আজিও ঢুকি পোৱা নাই। বছৰ বছৰে বঞ্চিত হৈ অহা বৰহোলাৰ নগালেণ্ড সীমান্তৰ কৃষকৰ মনৰ বেদনা আঁতৰিব কেতিয়া? এনেদৰে ধান উৎপাদনত বৰহোলা অঞ্চল চহকী হিচাপে ৰাজ্যৰ ভিতৰতে থকা সুনাম বেছিদিন নাথাকিব বুলি সচেতন কৃষক ৰাইজে দুখেৰে প্ৰকাশ কৰিছে।



অসম দাপোণ
গুৱাহাটী, ১২ জুলাই, মঙলবাৰ, ২০২২ পৃষ্ঠা ১৪

# মৰিয়নিৰ ৰেলৱে আৱাসিক কল'নীত আজিৰে পৰা হ'ব বেদখল উচ্ছেদ

## গোপনে চলিছে প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১১ জুলাই ঃ** ৰেল নগৰী মৰিয়নিত ৰেলৱে আৱাসিক কল'নীসমূহত বেদখল উচ্ছেদৰ ব্যাপক যো-জা চলাইছে ৰেল বিভাগে। মৰিয়নি নগৰৰ ৰেলৱে কল'নীৰ কেঁবাঠাইতো এই উচ্ছেদ অভিযানৰ প্ৰস্তুতি চলাই থকা হৈছে বিভাগীয়ভাৱে । অতি গোপনে ইয়াৰ প্ৰস্তুতি চলোৱা বুলি জানিব পৰা গৈছে। আনকি এই সন্দৰ্ভত আগতীয়া জাননী প্ৰেৰণ কৰা নাই বুলিও জানিব পৰা গৈছে। ইতিমধ্যে ৰেল বিভাগে সংশ্লিষ্ট সকলো পক্ষকে সাজু হ'বলৈ নিৰ্দেশ দিয়া বুলিও জানিব পৰা গৈছে। ৰেল বিভাগৰ এক সূত্ৰৰ যোগেদি জানিব পৰা মতে, চলিত মাহৰ ১২ জুলাইৰ পৰা এই উচ্ছেদ অভিযান চলাব। সেই অনুসৰি ১২ জুলাইত ফ'ৰেষ্ট কল'নী, ১৩ জুলাইত আমেৰিকান কল'নী, ১৯ জুলাইত ইঞ্জিনীয়াৰিং কল'নী আৰু ২০ জুলাইত বজাৰ কল'নীত উচ্ছেদ কৰিব বুলি সূত্ৰটোৱে জানিবলৈ দিছে। ৰেল বিভাগৰ মৰিয়নিৰ জ্যেষ্ঠ খণ্ড অভিযন্তা (কাৰ্য)ই ৰেলৱে নিৰাপত্তা বাহিনী আৰু ৰেলৱে আৰক্ষীলৈ পৰ্যাপ্ত নিৰাপত্তাৰক্ষী বিচাৰি পত্ৰ প্ৰেৰণ কৰিছে বুলিও জানিব পৰা গৈছে। ইয়াকে লৈ মৰিয়নিত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আন এক সূত্ৰই জানিবলৈ দিয়া মতে এইবাৰ ৰেলৱে মাটিত বসবাস কৰি থকা লোকৰ আৱাসগৃহ, দোকান আনকি মন্দিৰ আদিৰো উচ্ছেদ কৰাৰ বাবে ৰেল বিভাগে পৰিকল্পনা যুগুত কৰিছে। কিন্তু উচ্ছেদ সম্পৰ্কীয় কোনো জাননী এই মুহূৰ্তলৈকে লাভ কৰা নাই বুলি একাংশ লোকে আজি জানিবলৈ দিয়ে। ফলত উচ্ছেদ কৰিবলৈ আহোতে দুয়োপক্ষৰ মাজত সংঘাত হোৱাৰো আশংকা প্ৰকট হৈ পৰিছে। উল্লেখ্য যে বিগত পৌৰ নিৰ্বাচনৰ পূৰ্বে মৰিয়নিৰ একাধিক স্থানত থকা মন্দিৰৰ উচ্ছেদ চলাইছিল। অৱশ্যে ৰাইজৰ ব্যাপক প্ৰতিবাদ আৰু ৰাজনৈতিক হেঁচাৰ পৰিপ্ৰেক্ষিতত উক্ত উচ্ছেদ অভিযান স্থগিত ৰাখিবলৈ বাধ্য হৈছিল। এইবাৰ ৰেল বিভাগে পুনৰ আৱাসিক কল'নীত উচ্ছেদ চলাবলৈ সাজু হোৱাটোৱে মৰিয়নি নগৰত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# সংগীতৰ কৰ্মশালাৰ আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১১ জুলাই ঃ** গৌৰীসাগৰৰ স্বৰাংগিনী সংগীত বিদ্যালয়ৰ উদ্যোগত আজিৰে পৰা গৌৰীসাগৰৰ গৌৰী হোটেলৰ প্ৰথম মহলাত আয়োজিত জ্যোতি-বিষ্ণু-ভূপেন্দ্ৰ সংগীতৰ কৰ্মশালাৰ আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। আঠ দিনীয়াকৈ অনুষ্ঠিত হ'ব লগা কৰ্মশালাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে দিখৌমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ বৰুৱা, সংগীত শিল্পী ৰাতুল কাকতি আৰু সুৰেশ বৰাই। জ্যোতি-বিষ্ণু আৰু ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক বিনোদ বৰা, ড° ৰঞ্জিত কুমাৰ বৰুৱা আৰু ৰাতুল কাকতিয়ে।

# জিলাত বুথ পৰ্যায়ত বিজেপিৰ সংগঠন শক্তিশালী কৰাৰ আহ্বান

## যোৰহাটত দলৰ জিলা কাৰ্যনিৰ্বাহক সভাত মন্ত্ৰী নন্দিতা গৰ্লোছা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১১ জুলাই ঃ** বিজেপি যোৰহাট জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সভা আজি দিনজোৰা কাৰ্যসূচীৰে উৰুলি বিবাহ ভৱনত অনুষ্ঠিত হয়। জিলা বিজেপিৰ সভাপতি হেমন্ত কলিতাৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণ কৰে অসম চৰকাৰৰ মন্ত্ৰী নন্দিতা গৰ্লোছা, বিজেপি যোৰহাট ৰাজ্যিক উপ-সভাপতি তথা সাংসদ তপন কুমাৰ গগৈ, ৰাজ্যিক সাধাৰণ সম্পাদক দিপ্লু ৰঞ্জন শৰ্মা, ৰাজ্যিক মুখ্য মুখপাত্ৰ তথা সাংসদ কামাখ্যা প্ৰসাদ তাছা, যোৰহাট জিলাৰ প্ৰভাৰী তথা বিধায়ক ৰূপক শৰ্মা, বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, ৰূপজ্যোতি কুৰ্মী, যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি সিদ্ধাংকু অংকুৰ বৰুৱাৰ লগতে ১২টা সাংগঠনিক মণ্ডলৰ সভাপতি, প্ৰভাৰী, জিলা বিষয়ববীয়া আৰু মৰ্চাৰ বিষয়ববীয়াসকলে। জিলা সাধাৰণ সম্পাদক অমৰজ্যোতি শইকীয়াই আঁত ধৰা সভাত বক্তব্য প্ৰদান কৰি অসম চৰকাৰৰ মন্ত্ৰী নন্দিতা গৰ্লোছাই দেশৰ যশস্বী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নতুন ভাৰতৰ পৰিকল্পনা, মন কী বাত, মহিলা সৱলীকৰণৰ সন্দৰ্ভত আলোকপাত কৰে। জিলা সভাপতি হেমন্ত কলিতাই আদৰণি ভাষণ আগবঢ়োৱা সভাত ৰাজনৈতিক প্ৰস্তাৱ উত্থাপন কৰে সাধাৰণ সম্পাদক অমৰজ্যোতি শইকীয়াই। ৰাজনৈতিক প্ৰস্তাৱৰ সমৰ্থনত বক্তব্য প্ৰদান কৰে ৰাজ্যিক উপ-সভাপতি তথা সাংসদ তপন কুমাৰ গগৈ আৰু ৰাজ্যিক মুখ্য মুখপাত্ৰ কামাখ্যা প্ৰসাদ তাছাই। ইয়াৰ পাছত তিনিটা নিৰ্দিষ্ট গোটত আপেক্ষিক বিচাৰবিন্দুত প্ৰাক্তন জিলা সভাপতি ক্ৰমে কামাখ্যা মোহন দাস, শান্তনু পূজাৰী আৰু জিতু হাজৰিকাৰ সঞ্চালনাত কাৰ্যনিৰ্বাহকৰ তিনিটা সত্ৰৰ আলোচনা সম্পন্ন হয়। জিলা প্ৰভাৰী তথা বিধায়ক ৰূপক শৰ্মাই সাংগঠনিক বৃত্তি গ্ৰহণ কৰাৰ লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ জনমুখী আঁচনিৰ সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। সভাত অংশগ্ৰহণ কৰি ৰাজ্যিক সাধাৰণ সম্পাদক দিপ্লু ৰঞ্জন শৰ্মাই ভাৰতীয় জনতা পাৰ্টিৰ ইতিহাসৰ বিকাশ যাত্ৰাৰ সন্দৰ্ভত তথ্য সমৃদ্ধ বক্তব্যৰে মাৰ্গদৰ্শন কৰে। সভাই যোৰহাট জিলাত মন কী বাতৰ সফল ৰূপায়ণ, বুথ শক্তিকৰণ অভিযানৰ সন্দৰ্ভত ৰাজনৈতিক কৌশল যুগুত কৰে। সভাই ৰাজ্যখনৰ শেহতীয়া বানপানীত ক্ষতিগ্ৰস্ত দুৰ্গতজনৰ উদ্ধাৰ অভিযানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰে গ্ৰহণ কৰা ভূমিকাক ধন্যবাদ জনাই কৃতজ্ঞতাসূচক প্ৰস্তাৱ গ্ৰহণ কৰে। সভাত প্ৰাক্তন বিধায়িকা সুশীলা হাজৰিকা, ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰতাপ কছাৰী, যোৰহাট উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ প্ৰশান্ত গোস্বামী প্ৰমুখ্যে পৰিষদসমূহৰ জনপ্ৰতিনিধি, পৌৰসভাৰ পৌৰপতি, উপ-পৌৰপতি, জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত, গাঁও পঞ্চায়তৰ জনপ্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

# চামগুৰিত ৭২ ঘণ্টাত চিকিৎসালয়ৰ কৰ্মচাৰীসহ আঠ জন ক'ভিডৰ নতুন ঢৌত আক্ৰান্ত

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ১১ জুলাই ঃ** ক'ভিডৰ নতুন ঢৌত নগাঁও জিলাৰ চামগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ বিভিন্ন স্থানত বিগত ৭২ ঘণ্টাত দ্ৰুত গতিৰে ক'ভিড পজিটিভ সংক্ৰমিত হোৱা পৰিলক্ষিত হৈছে। বিগত তিনি দিনত খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোৰ অন্তৰ্গত বিভিন্ন পৰীক্ষা কেন্দ্ৰত কৰা পৰীক্ষাত স্বাস্থ্য বিভাগৰ কৰ্মচাৰীসহ আঠজনৰ দেহত ক'ভিডৰ উপস্থিতি ধৰা পৰিছে। চামগুৰি প্ৰাথমিক চিকিৎসালয়ৰ চতুৰ্থ বৰ্গৰ এজন কৰ্মচাৰীও ক'ভিডৰ নতুন ঢৌত আক্ৰান্ত হৈছে। যোৱা ন জুলাইত ক'ভিডৰ উপস্থিতি ধৰা পৰা চামগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কৰ্মচাৰীজন সোনাৰিবালিৰ নিবাসী নুৰুল হুছেইন বুলি জানিব পৰা গৈছে। চামগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ চাপানালা ৰাজ্যিক চিকিৎসায়লৰ অন্তৰ্গত চাপানালা গড়চুক বেবেজীয়াৰ একেটা পৰিয়ালৰে ৰোহিত নায়ক (৪৫), উমা নায়ক (৩৫) আৰু শুভ্ৰজিৎ নায়ক (১৯) ইতিমধ্যে ক'ভিডত আক্ৰান্ত হৈছে বুলি যোৱা আঠ জুলাইত চিকিৎসালয়খনত কৰা পৰীক্ষাৰ পাছতে নিশ্চিত হয়। আজি চামগুৰিৰ কাৱৈমাৰী এফআৰইউ চিকিৎসালয়ৰ অধীনস্থ দুই নম্বৰ ভাটিয়াখালিৰ আইনুল ইছলাম (২৫) আৰু কাৱৈমাৰীৰ চৰিফুল ইছলাম (৩৭)ৰ দেহত ক'ভিডৰ বীজাণু উপস্থিতি ধৰা পৰে। চামগুৰি বাজিয়াগাঁৱৰ আৰফুজা খাটুন (১৯)ৰ দেহত ক'ভিড পজিটিভ হৈছে বুলি নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসায়ত কৰা পৰীক্ষাত আজি নিশ্চিত হয়। পুৰণিগুডাম ৰাজ্যিক চিকিৎসালয়ৰ অধীনস্থ ভীমৰগাঁৱৰ গুণাৰাম দাস (৬৭) নামৰ লোকজনৰ দেহত আজি ক'ভিডৰ উপস্থিতি ধৰা পৰে। বিগত তিনি দিনত স্বাস্থ্য বিভাগে কৰা পৰীক্ষাসমূহ লক্ষ্য কৰিলে দেখা যায় চামগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ প্ৰায়বোৰ চিকিৎসালয়ৰ অধীনস্থ অঞ্চলত ক'ভিডৰ নতুন ঢৌত ইতিমধ্যে আক্ৰান্ত হৈছে বিভিন্ন বয়সৰ লোক।

## জৰাজীৰ্ণ ধোদৰআলি নিৰ্মাণৰ বাবে চৰকাৰক ১০ দিনৰ চৰমসীমা

# তিতাবৰত বিধায়ক বিৰোধী শ্ল'গানেৰে ৰাজপথলৈ ওলাই আহিল আছু




**তিতাবৰ, ১১ জুলাই ঃ** বিগত ২২ টা বছৰে তিতাবৰ মহকুমাৰ হৃদপিণ্ড স্বৰূপ ধোদৰআলিৰ মেৰামতিৰ নামত শিলগুটি এটাও পেলাবলৈ সক্ষম নোহোৱা শাসনাধিষ্ঠ চৰকাৰ তথা ৰাজনৈতিক দলসমূহৰ বিৰুদ্ধে শেহতীয়াকৈ গৰজি উঠিছে তিতাবৰ আঞ্চলিক ছাত্ৰ সন্থা। অসম-নগালেণ্ডৰ সীমামূৰীয়া ৰাজ্য দুখনৰ আন্তঃৰাজ্যিক পথৰূপে বিবেচিত হৈ অহা ধোদৰআলিৰ মাজত বৰ্তমান সময়ত সৃষ্টি হোৱা প্ৰকাণ্ড প্ৰকাণ্ড পুখুৰী সদৃশ গাঁত তথা পথটোৰ সকলো অংশতে ব্লেকটেপিঙৰ পৰিৱৰ্তে অস্থি চৰ্মসাৰহীন বিধ্বস্ত ৰূপ লৈ ভয়ানক পৰিস্থিতি সৃষ্টি হোৱাৰ পাছতো নিবোকা চামোনৰ দৰে শীত-তাপ নিয়ন্ত্ৰিত কোঠাত বহিয়েই দায়িত্ব সামৰিছে চৰকাৰী প্ৰশাসনিক আমোলা-বিষয়াসকলেও। নিজৰ দায়িত্ববোধৰ প্ৰতি যেন কাৰো কৰণীয় নাই, কৰ্তব্যবোধৰ প্ৰতি সচেতনতা নাই। পোনপ্ৰথমবাৰলৈ অসম বিধানসভালৈ নিৰ্বাচিত হোৱা কংগ্ৰেছী বিধায়ক ভাস্কৰজ্যোতি বৰুৱায়ো নিৰ্বাচনী প্ৰতিশ্ৰুতি পাহৰি থকাত ক্ষোভত ফাটি পৰিছে তিতাবৰ আঞ্চলিক ছাত্ৰ সন্থা। আজি তিতাবৰ আঞ্চলিক ছাত্ৰ সন্থাৰ আহ্বানত ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলে হাতে হাতে প্লেকাৰ্ড লৈ কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু বিধায়ক ভাস্কৰজ্যোতি বৰুৱাৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান দি তিতাবৰ তিনিআলিত অৱস্থান গ্ৰহণ কৰে। প্ৰতিবাদী ছাত্ৰকৰ্মীসকলে কেন্দ্ৰীয় চৰকাৰ হুচিয়াৰ, বিজেপি চৰকাৰৰ কাম নাই, হিমন্ত বিশ্ব শৰ্মা মিছলীয়া, ভাস্কৰজ্যোতি বৰুৱা হায় হায় শ্ল'গান দি ৰাজপথত উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। ছাত্ৰকৰ্মীসকলৰ এনে প্ৰতিবাদৰ মাজতে আইন-শৃংখলাজনিত পৰিস্থিতিৰ অৱনতি নঘটাৰ আগতেই ততাতৈয়াকৈ প্ৰতিবাদথলীত উপস্থিত হয় তিতাবৰ মহকুমাৰ দণ্ডাধীশ ডাঃ বিশ্বজিত বৰা। দণ্ডাধীশজনৰ হাততে ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰ অহা ১০ দিনৰ চৰমসীমা বান্ধি দি তৎকালে ধোদৰআলিৰ উপৰি তিতাবৰৰ অন্যান্য জৰাজীৰ্ণ পথসমূহৰ মেৰামতিৰ কাম আৰম্ভ কৰিবলৈ দাবী জনাইছে অন্যথা পৰৱৰ্তী সময়ত জংগী আন্দোলনেৰে তিতাবৰত ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰিব বুলি সকীয়নি দিছে।

# বিজ্ঞান কেন্দ্ৰ-তাৰকাগৃহৰ গ্ৰীষ্মকালীন কৰ্মশালা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১১ জুলাই ঃ** অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ অধীনস্থ যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিজ্ঞানৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে গ্ৰীষ্মকালীন বিজ্ঞান কৰ্মশালাৰ আয়োজন কৰিছে। বিজ্ঞান কৰ্মশালাৰ ২২-২৩ জুলাইত বায়' কেম্প, ২৪-২৫ জুলাইত থ্ৰী ডি প্ৰিন্টিং, ২৬-২৭ জুলাইত ৰব'টিক, ২৮-২৯ জুলাইত ছায়েন্স অব মিৰাকল, ৩০-৩১ জুলাইত এষ্ট্ৰ' কেম্প অনুষ্ঠিত হ'ব। ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিতব্য প্ৰতিটো কৰ্মশালাৰ যোগদান মাচুল পাঁচশ টকা। ইচ্ছুকসকলক ১৭ জুলাইৰ ভিতৰত তাৰকাগৃহলৈ আহি যোগদান কৰিব পাৰিব বুলি বিজ্ঞান কেন্দ্ৰৰ তত্বাৱধায়কে জনাইছে। সবিশেষ জানিবৰ কাৰণে ফোন ৭০০২১৭৬২৭৫, ৯১০১৭২৮২১৮,৯০৮৫৯৭১৪৬৫ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

# নলবাৰীৰ পাইকাৰকুছিত 'দ্য হাৰ্ট'ৰ বিনামূলীয়া চিকিৎসা শিবিৰ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১১ জুলাই ঃ** ৰাজ্যখনৰ বানপীড়িত অঞ্চলসমূহত বিভিন্ন ৰোগৰ প্ৰাদুৰ্ভাৱে সম্প্ৰতি বানাক্ৰান্ত ৰাইজক বিপৰ্যস্ত কৰি তুলিছে। এনে দুৰ্দশা জৰ্জৰিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আগশাৰীৰ স্বেচ্ছাসেৱী সংস্থা দ্য হাৰ্ট, সহৃদয় গোষ্ঠীয়ে আৰম্ভ কৰিছে এলানি বিনামূলীয়া চিকিৎসা শিবিৰৰ। ইয়াৰ অংশৰূপে নলবাৰীৰ পাইকাৰকুছিস্থিত ৰজত কদমতল সন্ধা হাইস্কুলত কালি সংস্থাটোৱে এটা শিবিৰ অনুষ্ঠিত কৰে। জেডিএ, জিএমচি এইচ, চিফুং দ্য আৰ্টিষ্ট আৰু পূব নলবাৰী যুৱ সমাজৰ সহযোগত আয়োজিত এই চিকিৎসা শিবিৰত অংশগ্ৰহণ কৰে দ্য হাৰ্টৰ সভাপতি তথা বিশিষ্ট হৃদৰোগ বিশেষজ্ঞ ডাঃ চন্দন মোদক , নাক, কাণ ডিঙিৰ কৰ্কট ৰোগ বিশেষজ্ঞ ডাঃ বুবুল চন্দ্ৰ ৰায়, শিশু ৰোগ বিশেষজ্ঞ ডাঃ পংকজ নাথৰ লগতে ১৮জনীয়া চিকিৎসকৰ এটি দলে। এই শিবিৰত ৪৯২ গৰাকী বিভিন্ন বয়সৰ লোকৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। ইয়াত বিনামূলীয়াকৈ ৰক্ত চাপ, তেজৰ শৰ্কৰা পৰীক্ষা কৰাৰ লগতে ইচিজি কৰা হয়। সমান্তৰালকৈ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰা লোকসকলৰ মাজত বিনামূলীয়াকৈ দৰব বিতৰণ কৰা হয়। পৰৱৰ্তী সময়ত সংস্থাটোৱে আন বিভিন্ন অঞ্চলতো এনে চিকিৎসা শিবিৰৰ আয়োজন কৰা হ'ব বুলি জানিবলৈ দিছে।

# অমৰনাথ ভোলে সেৱা দলৰ অমৰনাথ যাত্ৰাত নিহত যাত্ৰীলৈ শ্ৰদ্ধাঞ্জলি



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১১ জুলাই ঃ** নলবাৰীৰ পৰা ৬২জনীয়া পুৰুষ-মহিলাৰ দলটোৱে কাশ্মীৰৰ হিমালয় পৰ্বতত থকা অমৰনাথ বাবা বাৰফানী দৰ্শন কৰি সুৰক্ষিতভাৱে ঘূৰি আহে। লাখ লাখ ভক্তৰ সমাগম ঘটা এই অমৰনাথ যাত্ৰাৰ সময়ত যোৱা আঠ জুলাইত গুফাৰ ওচৰত ডাৱৰ বিস্ফোৰণ হৈ কে'বাজনো অমৰনাথ যাত্ৰী নিহত হৈছে আৰু যথেষ্টসংখ্যক যাত্ৰী নিখোঁজ হৈ আছে। এই দুখজনক ঘটনাৰ বাবে আজি অমৰনাথ ভোলে সেৱা দলৰ সকলো যাত্ৰীয়ে যাত্ৰা কৰি ঘূৰি আহি নলবাৰী ৰেল ষ্টেছনত নামিয়ে নিহত হোৱা যাত্ৰীসকলৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি বন্তি প্ৰজ্বলন কৰে। তদুপৰি নিখোঁজ হৈ থকা যাত্ৰীসকলৰ উদ্ধাৰৰ বাবে এছডিআৰএফ, চিআৰপিএফ, বিএছএফ, কাশ্মীৰ পুলিচ আৰু ভাৰতীয় সেনাৰ সৈনিকসকলে যিমানখিনি উদ্ধাৰ কাৰ্যত লাগি আছে তাৰ বাবে সেই সৈনিকসকলক অমৰনাথ ভোলে সেৱা দলৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছে। আজি নলবাৰীত উপস্থিত হৈ যাত্ৰীসকলে নিহত হোৱা যাত্ৰীসকলৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে নিখোঁজ হৈ থকা যাত্ৰীসকল যাতে সোনকালে উদ্ধাৰ হয় আৰু তেওঁলোকৰ আশু আৰোগ্য কামনা কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰে।

# চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গ্ৰীষ্মকালীন নাট্য কৰ্মশালাৰ উদ্বোধন

**চেলেংহাট, ১১ জুলাই ঃ** চেলেংহাটৰ এক অগ্ৰণী সামাজিক সাংস্কৃতিক অনুষ্ঠান শংকৰ-মাধৱ সামাজিক সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত তথা বৰনগঞা মহিলা সমাজৰ সহযোগত চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গ্ৰীষ্মকালীন এক ১০দিনীয়া নাট্য কৰ্মশালাৰ আয়োজন কৰা হৈছে। আজি উক্ত নাট্য কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠান সম্পন্ন হয়। শংকৰ-মাধৱ সামাজিক সাংস্কৃতিক গোষ্ঠীৰ সম্পাদক মদন মোহন পাগবন্ধাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দিগন্ত শইকীয়াই। শংকৰ-মাধৱ গোষ্ঠীৰ সভাপতি সুনীল দত্তই আদৰণি ভাষণ আগবঢ়ায়। নাট্য কৰ্মশালা উদ্বোধন কৰে চেলেংহাট অঞ্চলৰ বিশিষ্ট নাট্যকৰ্মী মুনিন্দ্ৰ গগৈয়ে। উদ্বোধনী অনুষ্ঠানত ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ শিক্ষাৰ্থী তথা কৰ্মশালাৰ প্ৰশিক্ষক সৌমাৰজ্যোতি বৰা, সমীৰণ দত্ত, বিদ্যুৎ বিকাশ শইকীয়াৰ লগতে আন দুজন প্ৰশিক্ষক চম্পক ভূঞা আৰু দেৱ বৰদলৈ, চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা ৰঞ্জুলা দাস, নাট্য কৰ্মী অৰিন্দম গগৈৰ উপৰি বিভিন্ন গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# আদিবাসী ছাত্ৰ সন্থাৰ সজাগতা সভা



**নাহৰকটীয়া, ১১ জুলাই ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা) নাহৰকটীয়া আঞ্চলিক সমিতিৰ উদ্যোগত যোৱা ১০ জুলাইত নাহৰকটীয়াৰ লেংগেৰীজান চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ত এখনি লীডাৰশ্বিপ ট্ৰেইনিং কেম্প অনুষ্ঠিত কৰে। উক্ত অনুষ্ঠানটিত আছাৰ কৰ্মকৰ্তা আৰু যুৱক-যুৱতীসকলক সামাজিক কৰ্মত সবল কৰি তুলি বৰ্তমানেও সমাজত প্ৰচলিত কুসংস্কাৰসমূহ নিঃশেষ কৰিবৰ বাবে যুৱ সমাজৰ দায়িত্ব সম্বন্ধে সজাগ কৰাৰ লক্ষ্যৰে, আদিবাসী সমাজত থকা সমস্যাসমূহ সমাধান কৰাৰ বিষয়ে বহুলভাৱে আলোচনা কৰা হয়। এই অনুষ্ঠানত আছাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি গডউইন হেমৰম, প্ৰচাৰ সম্পাদক মহেশ ঘাটোৱাৰ, সাংগঠনিক সম্পাদক নীতিশ কুমাৰ গঞ্জ, সাংবাদিক পৰেশ আইন্দ, আছা ডিব্ৰুগড় জিলা সমিতিৰ উপ-সভাপতি শিৱ কুৰ্মী, উপ-সভাপতি বিকাশ গঞ্জ উপস্থিত থাকি সামাজিক বিষয়ত আৰু নাহৰকটীয়াৰ আছাৰ কৰ্মকৰ্তাসকলক সবলভাৱে সামাজিক কাম-কাজবোৰ কৰিবৰ বাবে বহু শিক্ষা প্ৰদান কৰে। উক্ত অনুষ্ঠানত আছা নাহৰকটীয়া আঞ্চলিকৰ ভাৰপ্ৰাপ্ত সভাপতি অজয় গোৱালা, সাধাৰণ সম্পাদক মিখেল পুৰ্তিৰ লগতে নাহৰকটীয়া আৰু নামৰূপ অঞ্চলৰ বহু আছাৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

# খুমটাইৰ বৰফলং চাহ বাগিচাত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**

**খুমটাই, ১১ জুলাই ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা, বৰফলং প্ৰাথমিক গোট, বৰফলং নৱ-মিলন উন্নয়ন সমিতিৰ উদ্যোগত আৰু বৰফলং বাগিচা সংঘ, গাঁওৰক্ষী বাহিনী, প্ৰয়াস উন্নয়ন সমিতিৰ সহযোগত, ২০২২ত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰীক বিশেষ অভিনন্দন অনুষ্ঠানটো আজি বৰফলং বাগিচা ৰাজহুৱা নাট্যমঞ্চত অনুষ্ঠিত হয়। ছাত্ৰ নেতা সন্তোষ তাছাৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত বৰফলং চাহ বাগিচালৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ গৌৰৱ কঢ়িয়াই অনা ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন আৰু সম্বৰ্ধনা জনায়। শাওতলী উপ-শাখাৰ সম্পাদক তথা বৰফলং নৱ মিলন উন্নয়ন সমিতিৰ সম্পাদক অংকুৰ দেউৰীয়ে আঁত ধৰা অনুষ্ঠানটোত আটছা, গোলাঘাট জিলা সমিতিৰ সম্পাদক সুশীল কালিন্দী, জিলা সমিতিৰ বিষয়ববীয়া প্ৰফুল্ল তাঁতী, আটছা, গোলাঘাট শাখাৰ সভাপতি সুমিত দ্বীপ, মেলামৰা মহাবিদ্যালয়ৰ অধ্যক্ষ সঞ্জীৱ বৰুৱা, অধ্যাপক তথা ডায়নমিক প্ৰফেছৰ এৱাৰ্ড ২০২২ বঁটা প্ৰাপক বিশ্বজিৎ বৰা, দৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক মদন পাল উপস্থিত থাকি শৈক্ষিক দিশত বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে এই অভিনন্দন অনুষ্ঠানতে সুখ্যাতিৰে উত্তীৰ্ণ চাৰিগৰাকী ছাত্ৰ-ছাত্ৰীক আৰ্থিকভাৱে সহায় আগবঢ়ায় আয়োজক সমিতিয়ে।

# নগাঁও জিলা বিজেপি যুৱ মৰ্চাৰ উদ্যোগত স্বাস্থ্য শিবিৰ



**বিশেষ সংবাদদাতা**

**নগাঁও, ১১ জুলাই ঃ** ভাৰতীয় জনতা যুৱ মৰ্চা নগাঁও জিলা সমিতিৰ উদ্যোগত আৰু ৰহা নগৰ মণ্ডল সমিতিৰ সহযোগত আজি ৰহাৰ বালিপাৰা প্ৰাথমিক বিদ্যালয়ৰ বান শিবিৰত বানাক্ৰান্ত ৰাইজৰ সেৱাৰ্থে এক বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হয়। ভাৰতীয় জনতা যুৱ মৰ্চাৰ জিলা সমিতিৰ সভাপতি সুন্দৰ শৰ্মাৰ উপস্থিতিত উদ্বোধন কৰা স্বাস্থ্য শিবিৰটোত অঞ্চলটোৰ প্ৰায় পাঁচশ লোকক স্বাস্থ্য পৰীক্ষা আৰু ঔষধ বিতৰণৰ ব্যৱস্থা কৰা হয়। যুৱ মৰ্চাৰ কাৰ্যকৰ্তাসকলৰ সহযোগিতাত কে'বাগৰাকী অভিজ্ঞ চিকিৎসকে স্বাস্থ্য শিবিৰত বানাক্ৰান্তসকলক চিকিৎসা প্ৰদান আৰু ঔষধ বিতৰণ কৰা হয়। নগাঁও জিলা বিজেপি যুৱ-মৰ্চাই বানপানীৰ সময়ত প্ৰথমৰে পৰা ৰাইজৰ কাষত থাকি কৰা সহায়-সহযোগিতা প্ৰশংসনীয় বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰে।

## কঠোৰ জনসংখ্যা আইন প্ৰণয়নৰ দাবীৰে জনসংখ্যা সমাধান ফাউণ্ডেছনৰ গুৰুত্বপূৰ্ণ সভা

# দেশৰ প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী, আইন মন্ত্ৰী-ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ১১ জুলাই ঃ** গোলাঘাট জিলা জনসংখ্যা সমাধান ফাউণ্ডেছনৰ এখন অত্যন্ত গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা কালি সৰুপথাৰ উন্নয়ন খণ্ডৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সৰুপথাৰৰ নিৰ্বাচনী বিষয়া কিষাণ ডেকাই ভাৰত মাতাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা কাৰ্যনিৰ্বাহক সভাখনত জিলা অধ্যক্ষ মহেন্দ্ৰ নাথ শইকীয়াই সভাপতিত্ব কৰে। দেশপ্ৰেমমূলক গীতেৰে মঞ্চ উদ্বোধন কৰা মুকলি সভাত জনসংখ্যা সমাধান ফাউণ্ডেছনৰ ৰাজ্যিক সংগঠন সচিব মৃণাল গোস্বামী, ৰাজ্যিক মহিলা যুৱ শক্তিৰ সংগঠন সচিব ধৃতিমালা ডেকা, জিলা মহিলা শক্তিৰ অধ্যক্ষা ৰূপা কোচ লহকৰ, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ জিলা কাৰ্যবাহক প্ৰেম বৰা উপস্থিত থাকি জনসংখ্যা বিস্ফোৰণৰ ভয়াৱহতাৰ ওপৰত বিশদ ব্যাখ্যা দাঙি ধৰে। কঠোৰ জনসংখ্যা আইন প্ৰণয়নৰ দাবী জনোৱা সভাখনত জিলাখনৰ পাঁচোটা সমষ্টিৰ কে'বাশতাধিক লোকৰ লগতে বহু বিশিষ্ট লোক উপস্থিত থাকে। ইপিনে, আজি জিলাখনৰ প্ৰতিটো মহকুমা আৰু সদৰত পৃথকে পৃথকে কঠোৰ জনসংখ্যা আইন প্ৰণয়নৰ দাবীত জিলা উপায়ুক্ত আৰু মহকুমাধিপতিৰ জৰিয়তে দেশৰ প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী, আইনমন্ত্ৰী আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰেৰণ কৰে। গোলাঘাট জিলা জনসংখ্যা সমাধান ফাউণ্ডেছনৰ সভাপতি মহেন্দ্ৰনাথ শইকীয়া আৰু মহাসচিব দীপ কলিতাৰ নেতৃত্বত যোৱা এটা সঁজাতী দলে জিলা উপায়ুক্তৰ জৰিয়তে স্মাৰকপত্ৰ প্ৰেৰণ কৰে। অতি সুন্দৰকৈ সভাখন অনুষ্ঠিত কৰাত সৰুপথাৰ সমষ্টিৰ সংযোজক শ্বেৰবাহাদুৰ ছেত্ৰী আৰু চন্দ্ৰ লহকৰক জিলা সমিতিৰ অধ্যক্ষ আৰু মহাসচিবে শলাগ লয় । কাকতলৈ প্ৰেৰণ কৰা প্ৰেছ বিবৃতিৰ জৰিয়তে জিলা মহাসচিব দীপ কলিতাই এইদৰে জানিব দিয়ে।

# আটছাৰ বিন্দুকুৰি উপ-শাখাৰ নতুন সমিতি গঠন


**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ১১ জুলাই ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ (আটছা)ৰ বিন্দুকুৰি উপ-শাখাৰ নতুন সমিতিখন আজি গঠন কৰা হয়। দিনৰ ১১ বজাত বিন্দুকুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা কাৰ্যনিৰ্বাহক সভাখনত পুৰণি সমিতিখনৰ সম্পাদকে তেওঁলোকৰ কাৰ্য বিৱৰণি পাঠ কৰাৰ পাছতে পুৰণি সমিতিখন ভংগ কৰে। ইয়াৰ পাছতে অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত আটছাৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য সঞ্জীৱ বাঘ, শোণিতপুৰ জিলা সমিতিৰ সাংস্কৃতিক সম্পাদিকা অঞ্জলী মাহাতু, তেজপুৰ শাখা সমিতিৰ সম্পাদক পংকজ নায়ক, তেজপুৰ শাখা সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য দিলীপ কুমাৰ আৰু অনন্ত তাঁতী, যোনাচ নাগ পৰ্যবেক্ষক ৰূপে উপস্থিত থকা সভাখনত চয়ম মুণ্ডাক সভাপতি আৰু মনিশ তেলীক সম্পাদকৰূপে লৈ ২১ জনীয়া বিন্দুকুৰি উপ-শাখা সমিতিখন শক্তিশালী ৰূপত গঠন কৰে। ইয়াৰ পাছতে নতুন সমিতিখনক শপত বাক্য পাঠ কৰোৱায়। ইফালে, আটছাৰ বিন্দুকুৰি উপ-শাখা সমিতিখনে চাহ বাগিচা অঞ্চলত শৈক্ষিক, সামাজিক দিশত নতুন উদ্যমেৰে কাম কৰি যাব বুলি বিষয়ববীয়াসকলে আশা প্ৰকাশ কৰিছে।

# মঙলদৈৰ ৰাজঘাট উঃ মাঃ বিদ্যালয়ত পুনৰ চুৰি

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১১ জুলাই ঃ** মঙলদৈৰ ৰাজঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা নিশা পুনৰ চুৰিকাৰ্য সংঘটিত হয়। অধ্যক্ষ লোহিত ডেকাই জনোৱা মতে, নিশা চোৰে তিনিটা কোঠাৰ মুঠ আঠটা তলা ভাঙি বয়-বস্তু লণ্ড-ভণ্ড কৰি কে'বা বস্তা চাউল লৈ যায়। কম্পিউটাৰ নিবলৈ প্ৰয়াস চলাইছিল যদিও অজ্ঞাত কাৰণত এৰি থৈ যায়। চোৰে পুৰণি বহুখিনি নথি-পত্ৰও লৈ যোৱাটো তাৎপৰ্যপূৰ্ণ। ইতিমধ্যে আৰক্ষী বিদ্যালয়খনত গৈ প্ৰাৰম্ভিক অনুসন্ধান আৰম্ভ কৰিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও এবাৰ ২০টা কম্পিউটাৰ, অগা-পিছাকৈ মুঠ ১০টা পানী তোলা মটৰ আদিও চুৰি হৈছিল।





অসম হেণ্ডবল সন্থাই আয়োজন কৰা প্ৰথম আছাম প্ৰিমিয়াৰ হেণ্ডবল লীগত হিমাচল প্ৰদেশ-এছএছবিৰ খেলৰ এটি মুহূৰ্ত, সোমবাৰে।

# উইম্বলডন জয়ৰ পাছতো কেৰিয়াৰ অনিশ্চিত ডক’ভিচৰ

## খেলেই ত্যাগ কৰিব, তথাপি নলয় ক’ভিড প্ৰতিষেধক

**নিউজ ব্যুৰ’**

**লণ্ডন, ১১ জুলাই ঃ** উইম্বলডনৰ সপ্তম তথা কেৰিয়াৰৰ ২১সংখ্যক গ্ৰেণ্ডশ্লাম খিতাপ জয়ৰ পাছতো ভৱিষ্যতক লৈ নিশ্চিত হ’ব পৰা নাই ন’ভাক ডক’ভিচ। কিয়নো ক’ভিডৰ প্ৰতিষেধক গ্ৰহণ নকৰাৰ সিদ্ধান্তত তেওঁ আঁকোৰগোজ হৈ আছে। কালি উইম্বলডনৰ ফাইনেলত জয়লাভৰ পাছতে ছাৰ্বিয়ান তাৰকাজনে নিজৰ কেৰিয়াৰৰ অনিশ্চয়তাৰ বিষয়ে সদৰী কৰে।

উল্লেখ্য যে কালিৰ ফাইনেলত ডক’ভিচে অষ্ট্ৰেলিয়াৰ নিক কিৰ্গিয়জক প্ৰবল প্ৰতিদ্বন্দ্বিতাৰ অন্তত ৪-৬, ৬-৩, ৬-৪, ৭-৬ (৭/৩) ছেটত পৰাজিত কৰে। ইয়াৰ জৰিয়তে তেওঁ উইম্বলডনত একেৰাহে চতুৰ্থ তথা সামগ্ৰিকভাৱে সপ্তম খিতাপ অৰ্জন কৰে। লগতে ৰজাৰ ফেডেৰাৰক অতিক্ৰম কৰি ডক’ভিচে সৰ্বাধিক গ্ৰেণ্ডশ্লাম পুৰুষ ছিংগলছ খিতাপ জয়ৰ তালিকাত দ্বিতীয় স্থানলৈ অগ্ৰগতি অৰ্জন কৰে। ২২টা খিতাপেৰে তেওঁতকৈ এখোজ আগুৱাই আছে ৰাফেল নাডাল। অথচ পৰৱৰ্তী দুখন গ্ৰেণ্ড শ্লাম প্ৰতিযোগিতাত ডক’ভিচ এতিয়াও অনিশ্চিত হৈ আছে। এই সন্দৰ্ভত ফাইনেলৰ অন্তত সংবাদমেলত তেওঁ কয়, ‘মই প্ৰতিষেধক লোৱা নাই আৰু লোৱাৰ কোনো পৰিকল্পনাও নাই। যদি আমেৰিকাই নিজৰ নিয়ম সলনি কৰিব পাৰে বা ৰেহাই দিয়ে, সেয়াই মোৰ বাবে ভাল খবৰ হ’ব পাৰে। মই ইউ এছ অপেনত খেলিব বিচাৰো। সেয়ে তালৈ যোৱাৰ বাবে উন্মুখ হৈ আছো। যদি নোৱাৰো, তেন্তে আগন্তুক দিনত কি সূচী আছে চাব লাগিব।’ উল্লেখ্য যে অহা ২৯ আগষ্টৰ পৰা আৰম্ভ হ’ব বছৰৰ অন্তিম গ্ৰেণ্ড শ্লাম ইউ এছ অপেন। তাৰ পাছত পৰৱৰ্তী বছৰৰ আৰম্ভণিতে অষ্ট্ৰেলিয়ান অপেন। সেই দুখন প্ৰতিযোগিতাত খেলাৰ বাবে ক’ভিডৰ প্ৰতিষেধক ল’বই লাগিব। একেটা কাৰণতে ডক’ভিচক এই বছৰৰ অষ্ট্ৰেলিয়ান অপেনত খেলিবলৈ দিয়া হোৱা নাছিল।



# খিতাপ জয় সত্ত্বেও ৰেংকিং হেৰুৱালে ন’ভাক ডক’ভিচে

**নিউজ ব্যুৰ’**

**লণ্ডন, ১১ জুলাই ঃ** সপ্তমবাৰলৈ উইম্বলডনৰ পুৰুষ ছিংগলছৰ খিতাপ জয়ৰ সত্ত্বেও ৰেংকিঙত যথেষ্ট ক্ষতিগ্ৰস্ত হ’ল ন’ভাক ডক’ভিচ। আজি ঘোষিত এটিপি ৰেংকিং তালিকাত চাৰিটাকৈ স্থান হেৰুৱালে ছাৰ্বিয়ান তাৰকাজনে। এই উইম্বলডনত কোনো ৰেংকিং পইণ্ট নাছিল। ইয়াৰ ফলতে ডক’ভিচ ৰেংকিঙত অৱনমিত হ’ল। কালিৰ ফাইনেলত পৰাজিত হোৱা নিক কিৰ্গিয়জৰ ৰেংকিঙো অৱনমিত হৈছে।

উল্লেখ্য যে ইউক্ৰেইন যুদ্ধৰ পৰিপ্ৰেক্ষিতত ৰাছিয়া আৰু বেলাৰুছৰ সকলো খেলুৱৈকে নিষিদ্ধ কৰা হৈছে। ইয়াৰ প্ৰতিবাদচে পুৰুষ টেনিছৰ অভিভাৱক সংস্থা এটিপি আৰু মহিলা টেনিছৰ সংস্থা ডব্লিউটিএৰ তৰফৰ পৰা জনাইছিল যে এইবাৰৰ উইম্বলডনৰ মেচত জয়ী হ’লেও খেলুৱৈক কোনো ৰেংকিং পইণ্ট দিয়া নহ’ব। ইয়াৰ বিপৰীতে খেলুৱৈসকলে ৰেংকিং পইণ্ট হেৰুৱাবহে পাৰে। আজি সেয়াই হ’ল। উইম্বলডন জয়ৰ আগলৈকে ডক’ভিচ ৰেংকিঙৰ তৃতীয় স্থানত আছিল। আজি ঘোষিত ৰেংকিং তালিকাত তেওঁ সপ্তম স্থানলৈ অৱনমিত হৈছে। আনহাতে, কিৰ্গিয়জে পাঁচটা স্থান হেৰুৱাই ৪৫সংখ্যক ৰেংক লাভ কৰিছে। পুৰুষ টেনিছৰ এক নম্বৰত আছে ৰাছিয়াৰ ডানিল মেডভেডেভ। দ্বিতীয় স্থানত জাৰ্মানীৰ আলেকজেণ্ডাৰ জেৰেভ আৰু তৃতীয় স্থানত ৰাফেল নাডাল।

# ১৫ জুলাইৰ পৰা টংলাত চতুৰ্থ সদৌ অসম থাই বক্সিং চেম্পিয়নশ্বিপ

**অগ্ৰদূত বাৰ্তা**

**টংলা, ৰৰ জুলাই ঃ** ওদালগুৰি জিলা থাই বক্সিং সন্থাৰ উদ্যোগত ক্ৰীড়া নগৰী টংলাস্থিত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অহা ১৫ জুলাইৰ পৰা ১৭ জুলাইলৈকে ৰাজ্যিক ভিত্তিত দিবা-নৈশ পুৰুষ-মহিলা উভয়ৰে ছাব জুনিয়ৰ, ছিনিয়ৰ থাই বক্সিং প্ৰতিযোগিতা-২০২২ অনুষ্ঠিত কৰা হ’ব বুলি জানিবলৈ দিয়ে থাই বক্সিং সন্থা অসমৰ কাৰ্যকৰী সভাপতি খৰ্গেশ্বৰ বৰা (জিন্না)ই। ১৫ জুলাইৰ পৰা অনুষ্ঠিত হ’বলগীয়া প্ৰতিযোগিতাখনি বিয়লি ১-৩০ বজাত প্ৰতিযোগীৰ নাম পঞ্জীয়ন, ৪-৩০ বজাত আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি ৰবীন্দ্ৰ বড়োৰ দ্বাৰা আদৰণি, সাংস্কৃতিক অনুষ্ঠান আৰু আদৰণি ভাষণ। ১৬ জুলাইত পতাকা উত্তোলনৰ পাছতে কে’বাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব থাই বক্সিং সন্থা অসমৰ অধ্যক্ষ দিঠকানন্দ হাজৰিকা, বিটিচিৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱা, কেবিএৰ সভাপতি নৃপেন চন্দ্ৰ ৰয়, এনএছডিৰ স্নাতক পবিত্ৰ ৰাভাই। ১৭ জুলাইত ন বজাৰ পৰা প্ৰতিযোগিতা আৰম্ভ, বিয়লি চাৰি বজাত পুৰস্কাৰ বিতৰণী অনুষ্ঠান। চতুৰ্থ সদৌ অসম থাই বক্সিং চেম্পিয়নশ্বিপ-২০২২ত মুখ্য অতিথিৰূপে অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, বিটিচিৰ উপ মুখ্য কাৰ্যবাহী গোবিন্দ বসুমতাৰী প্ৰমুখ্যে বিশিষ্ট অতিথি উপস্থিত থাকিব। এন টিভি ছিজন দ্বিতীয় ভইচ ইণ্ডিয়া কিডছৰ বিজয়ী মানসী চহৰীয়াই সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিবলগীয়া সামৰণি অনুষ্ঠানৰ লগতে তিনিওদিনৰ কাৰ্যসূচীত উদ্‌যাপন সমিতিৰ সভাপতি প্ৰফুল্ল ৰাভা আৰু অসম থাই বক্সিং সন্থাৰ সাধাৰণ সম্পাদক ৰিতুমণি ৰাভাই ক্ৰীড়াপ্ৰেমী ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

# গোলাঘাটত অনূৰ্দ্ধ ১২ বছৰৰ আইটা টেনিছ

**গুৱাহাটী, ১১ জুলাই ঃ** ল’ৰা আৰু ছোৱালীৰ অনূৰ্দ্ধ ১২ বছৰৰ আইটা চেম্পিয়নশ্বিপ ছিৰিজ টেনিছ পহিলা আগষ্টৰ পৰা গোলাঘাট টেনিছ ক্লাবত অনুষ্ঠিত হ’ব। উক্ত প্ৰতিযোগিতাৰ বাবে যোগ্যতা অৰ্জনকাৰী খেলসমূহ অহা ৩০-৩১ জুলাইত অনুষ্ঠিত হ’ব বুলি জনাইছে অসম টেনিছ সন্থাৰ প্ৰধান সম্পাদক অংকুশ দত্তই। ইচ্ছুক খেলুৱৈক golaghattennisclub1968@gmail.comত যোগাযোগ কৰি নাম পঞ্জীয়ন কৰিবলৈ আহ্বান জনাইছে দত্তই।



ভাৰত-ইংলণ্ডৰ তৃতীয়খন টি-২০ মেচ উপভোগ কৰাৰ মাজতে দুই প্ৰাক্তন তাৰকা ক্ৰিকেটাৰ ৰবি শাস্ত্ৰী আৰু মহেন্দ্ৰ সিং ধোনি, দেওবাৰে।

### ফৰ্মলৈ ওভতাৰ আন এক সুযোগ কোহলিৰ ঃ দৃষ্টি থাকিব ধৱনত

# আজি ভাৰত-ইংলণ্ডৰ প্ৰথম এদিনীয়া

**নিউজ ব্যুৰ’**

**লণ্ডন, ১১ জুলাই ঃ** টি-২০ শৃংখলাত জয়ৰ পাছত কাইলৈৰ পৰা ইংলণ্ডৰ বিপক্ষে এদিনীয়া মেচৰ শৃংখলা জয়ৰ অভিযান আৰম্ভ কৰিব ভাৰতে। জো ৰুট, বেন ষ্ট’ক্‌ছ আৰু জনী বেয়াৰষ্ট’ৰ দৰে তাৰকা খেলুৱৈৰ প্ৰত্যাৱৰ্তনত ইংলণ্ডে পূৰ্ণ শক্তিৰে খেলত অৱতীৰ্ণ হ’ব। ইয়াৰ বিপৰীতে ভাৰতৰ দুই জ্যেষ্ঠ খেলুৱৈ বিৰাট কোহলি আৰু শিখৰ ধৱনৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ থাকিব। ফৰ্মলৈ ওভতাৰ বাবে এদিনীয়া শৃংখলাতেই আন এক সুযোগ পাব কোহলিয়ে। কিয়নো ৱেষ্টইণ্ডিজ ভ্ৰমণৰ পৰা তেওঁ বিৰত থাকিব। সেইদৰে টি-২০ বিশ্বকাপৰ দলত অন্তৰ্ভুক্তিৰ দাবী সবল কৰাৰ সুযোগ পাব ধৱনে। ৱেষ্টইণ্ডিজ ভ্ৰমণত ধৱনৰ কান্ধতে নেতৃত্বৰ দায়িত্ব লাভৰ সম্ভাৱনা আছে। তেওঁ কাইলৈ অধিনায়ক ৰোহিত শৰ্মাৰ স’তে ইনিংছ মুকলি কৰিব। ফলত ঈশান কিষাণৰ মূল দলত স্থান অনিশ্চিত হৈ পৰিছে। কাৰণ অন্তিম টি-২০ত দুৰ্দান্ত শতকেৰে সূৰ্যকুমাৰ যাদৱে স্থান নিশ্চিত কৰিছে। মধ্যক্ৰমত হাৰ্দিক পাণ্ডিয়া, ঋষভ পণ্ট আৰু ৰবীন্দ্ৰ জাদেজাৰ স্থানো নিশ্চিত। পেচবলিঙত যশপ্ৰীত বুমৰাহৰ স’তে আন দুটা স্থানৰ বাবে যুঁজ হ’ব মহম্মদ ছিৰাজ, শাৰ্দুল ঠাকুৰ, প্ৰসিদ্ধ কৃষ্ণ, মহম্মদ ছামি আৰু অৰ্শদীপ সিঙৰ। আনহাতে, স্পীন বিভাগত জাদেজাৰ সংগী হ’ব যুজৱেন্দ্ৰ চাহাল বা অক্ষৰ পেটেল।

### চণ্ডিমলৰ অপৰাজিত দ্বিশতক ঃ অভিষেকতে ১২ উইকেট জয়সূৰ্যৰ

# অষ্ট্ৰেলিয়াৰ বিপক্ষে ইনিংছ জয় শ্ৰীলংকাৰ



**নিউজ ব্যুৰ’**

**গল, ১১ জুলাই ঃ** দীনেশ চণ্ডিমল আৰু অভিষেককাৰী প্ৰভাত জয়সূৰ্যৰ দুৰ্দান্ত প্ৰদৰ্শনৰ সূত্ৰে দ্বিতীয় টেষ্টত অষ্ট্ৰেলিয়াক ইনিংছ ব্যৱধানত পৰাস্ত কৰিলে শ্ৰীলংকাই। এটা দিন বাকী থকা অৱস্থাতে এক ইনিংছ আৰু ৩৯ ৰাণত বিজয়ী হৈ ঘৰুৱা দলটোৱে শৃংখলাত ১-১ত সমতা স্থাপন কৰে। প্ৰথম টেষ্টত অষ্ট্ৰেলিয়াই ১০ উইকেটত জয়লাভ কৰিছিল। শ্ৰীলংকাৰ বিজয়ত প্ৰধান ভূমিকা পালন কৰি চণ্ডিমলে দ্বিশতৰাণ অৰ্জন কৰাৰ বিপৰীতে স্পীনাৰ জয়সূৰ্যই মুঠ ১২টা উইকেট দখল কৰে।

উল্লেখ্য যে অষ্ট্ৰেলিয়াৰ ৩৬৪ ৰাণৰ প্ৰত্যুত্তৰত শ্ৰীলংকাই নিজৰ প্ৰথম ইনিংছত ৫৫৪ ৰাণ সংগ্ৰহ কৰে। ফলত দলটোৱে ১৯০ ৰাণৰ অগ্ৰগতি অৰ্জন কৰে। ইয়াৰ মূলতে আছিল চণ্ডিমলৰ অপৰাজিত ২০৬ ৰাণ। কালি তেওঁ ১৪৫ ৰাণত অপৰাজিত আছিল। চণ্ডিমলে মুঠ ৩২৬টা বল খেলি ১৬টা বাউণ্ডেৰী আৰু পাঁচটা ছিক্সাৰ মাৰে। অষ্ট্ৰেলিয়াৰ ফাষ্টবলাৰ মিচেল ষ্টাৰ্কে চাৰিটা উইকেট পায়।

ইফালে, দ্বিতীয় ইনিংছ আৰম্ভ কৰিয়ে অষ্ট্ৰেলিয়াই জয়সূৰ্যৰ তীক্ষ্ণ বলিঙৰ সন্মুখীন হয় আৰু মাত্ৰ ১৫১ ৰাণতে সকলো উইকেট হেৰুৱাই পৰাজয় স্বীকাৰ কৰে। মাৰ্ণাছ লাবুচেনে সৰ্বাধিক ৩২ আৰু ওছমান খাৱাজাই ২৯ ৰাণ কৰে। জয়সূৰ্যই ৫৯ ৰাণৰ বিনিময়ত ছটা উইকেটৰ পতন ঘটায়। উল্লেখ্য যে অষ্ট্ৰেলিয়াই প্ৰথমবাৰলৈ কোনো টেষ্টৰ প্ৰথম ইনিংছত ৩৫০ৰ অধিক ৰাণ সংগ্ৰহ কৰাৰ পাছতো ইনিংছ ব্যৱধানত পৰাজিত হ’ল।



# অসম যুৱ অলিম্পিকলৈ বিহপুৰীয়াৰ কাৰাটে খেলুৱৈ



**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ১০ জুলাই ঃ** বিহপুৰীয়া কাৰাটে-ড’ একাডেমীৰ খেলুৱৈ ইয়াটি গুপ্তা অসম যুৱ অলিম্পিকলৈ নিৰ্বাচিত হৈছে। অহা ২৩ জুলাইৰ পৰা ২৭ জুলাইলৈকে গুৱাহাটীত অনুষ্ঠিত হ’ব অসম যুৱ অলিম্পিক। বিহপুৰীয়া কাৰাটে-ড’ একাডেমীৰ প্ৰশিক্ষক চেনচেই ৰাজকুমাৰ বৰাৰ তত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰি থকা ইয়াটি বিহপুৰীয়া নগৰৰ তিনি নম্বৰ ৱাৰ্ডৰ ছ’হান গুপ্তা আৰু গীতা গুপ্তাৰ সন্তান ।

# অন্তিম অভাৰত সৰ্বাধিক ৰাণৰ অভিলেখ ব্ৰেচৱেলৰ

**নিউজ ব্যুৰ’**

**ডাবলিন, ১১ জুলাই ঃ** মাইকেল ব্ৰেচৱেলৰ বিশ্ব অভিলেখৰ সহায়ত আয়াৰলেণ্ডৰ বিপক্ষে প্ৰথম এদিনীয়া মেচত এক উইকেটৰ নাটকীয় জয় সাব্যস্ত কৰিলে নিউজিলেণ্ডে। তিনি শতাধিক ৰাণ অনুসৰণ কৰি কিৱি দলটোৱে এটা সময়ত পৰাজয়ৰ আশংকাত ভুগিছিল। যদিও ব্ৰেচৱেলে শতৰাণ অৰ্জন কৰাৰ লগতে এদিনীয়া আন্তৰ্জাতিক মেচৰ অন্তিম অভাৰত সৰ্বাধিক ৰাণৰ বিশ্ব অভিলেখ গঢ়ি দললৈ ৰোমাঞ্চকৰ জয় কঢ়িয়াই আনে।

উল্লেখ্য যে প্ৰথমে বেটিং কৰি ঘৰুৱা দল আয়াৰলেণ্ডে ন উইকেটৰ বিনিময়ত ৩০০ ৰাণ সংগ্ৰহ কৰে। হেৰী টেক্টৰে ১১৩ ৰাণৰ অৱদান যোগায়। প্ৰত্যুত্তৰত নিউজিলেণ্ডে এটা সময়ত ১২০ ৰাণতে পাঁচ উইকেট হেৰুৱাই গভীৰ বিপদত পৰে। ইয়াৰ পাছতে ছয় নম্বৰত বেটিং কৰিবলৈ নমা ব্ৰেচৱেলে বিপক্ষৰ শিবিৰৰ প্ৰত্যাক্ৰমণ কৰি ৮২টা ১২৭ ৰাণৰ অপৰাজিত ইনিংছটো খেলি দললৈ জয় কঢ়িয়ায়। অন্তিম অভাৰত কিৱি দলক ২০ ৰাণৰ প্ৰয়োজন আছিল। ব্ৰেচৱেলে তিনিটা চাৰি আৰু দুটা ছয়ৰ সহায়ত ২৪ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে ১৯৮৭ৰ বিশ্বকাপত ইংলণ্ডে অন্তিম অভাৰত অষ্ট্ৰেলিয়াৰ বিপক্ষে ১৮ ৰাণ সংগ্ৰহ কৰিছিল।

# মহিলা বিশ্বকাপ হকীৰ পৰা বিদায় ভাৰতৰ

**নিউজ ব্যুৰ’**

**মাদ্ৰিদ, ১১ জুলাই ঃ** মহিলা হকী বিশ্বকাপৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশত ব্যৰ্থ হ’ল ভাৰতীয় দল। প্ৰতিযোগিতাৰ অন্যতম আয়োজক স্পেইনৰ বিপক্ষে পৰাজিত হৈ ভাৰতে কালি প্ৰতিযোগিতাৰ পৰা বিদায় ল’লে। কালিৰ খেলখনত স্পেইনে ভাৰতক ১-০ গ’লৰ ব্যৱধানত পৰাজিত কৰে। খেলখনত ভাৰতে প্ৰথমৰে পৰা ঘৰুৱা দলটোৰ স’তে সমানে ফেৰ মাৰিছিল। যদিও খেল সমাপ্তিলৈ মাত্ৰ তিনি মিনিট বাকী থকা অৱস্থাত মাৰ্টা ছেগুৱে স্পেইনৰ হৈ জয়সূচক গ’লটো দিয়ে। ভাৰতে খেলখনত চাৰিটা পেনাল্টী লাভ কৰিও গ’ললৈ ৰূপান্তৰ কৰিব নোৱাৰিলে। উল্লেখ্য যে পুল ‘বি’ত ভাৰতে ইংলণ্ড আৰু চীনৰ বিপক্ষে ড্ৰ খেলাৰ উপৰি নিউজিলেণ্ডৰ বিপক্ষে পৰাজিত হয়। অৱশ্যে উন্নত গ’ল হাৰত তৃতীয় স্থান অধিকাৰ কৰি স্পেইনৰ স’তে খেলাৰ সুযোগ পাইছিল যদিও মুৰকত বিদায় ল’বলগীয়া হয়।

# কোহলিক সমৰ্থন কৰি কপিলক আক্ৰমণ ৰোহিতৰ

## সূৰ্যকুমাৰৰ বিধ্বংসী শতক সত্ত্বেও ‘হোৱাইট ৱাশ্ব’ত ব্যৰ্থ হ’ল ভাৰত



**নিউজ ব্যুৰ’**

**বাৰ্মিংহাম, ১১ জুলাই ঃ** ক্ৰমাগতভাৱে ব্যৰ্থ হোৱা সত্ত্বেও সতীৰ্থ বিৰাট কোহলিৰ কাষত থিয় দিলে অধিনায়ক ৰোহিত শৰ্মাই। আনকি ইয়াৰ বাবে তেওঁ কিংবদন্তি ক্ৰিকেটাৰ কপিল দেৱক আক্ৰমণ কৰিবলৈকো ইতঃস্ততবোধ নকৰিলে। যোৱা নিশা ইংলণ্ডৰ বিপক্ষে অন্তিম টি-২০ মেচৰ পাছতে অধিনায়ক ৰোহিতে সংবাদমেলত কোহলিক সমৰ্থন কৰি কপিলক সমালোচনা কৰে।উল্লেখ্য যে যোৱা নিশাৰ খেলখনত ইংলণ্ডে ভাৰতক ১৭ ৰাণত পৰাজিত কৰে। সূৰ্যকুমাৰ যাদৱৰ বিস্ফোৰক শতৰাণ সত্ত্বেও ভাৰতে ইংলণ্ডক ‘হোৱাইট ৱাশ্ব’ কৰিব নোৱাৰিলে যদিও শৃংখলাটো ২-১ত জয় কৰে।

বিশ্বকাপজয়ী অধিনায়ক কপিলে সম্প্ৰতি কোহলিয়ে দলত স্থান পোৱাৰ ক্ষেত্ৰত প্ৰশ্ন উত্থাপন কৰিছিল। এই সন্দৰ্ভতে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত ৰোহিতে কয়, ‘তেওঁ বাহিৰৰ পৰা খেল চাইছে। দলৰ ভিতৰত কি হৈছে সেয়া নাজানে। আমাৰ এটা নিৰ্দিষ্ট পৰিকল্পনা আছে। সেই পৰিকল্পনা অনুসৰিয়ে আমি এই দল গঠন কৰিছো। দল সকলো সময়তে ক্ৰিকেটাৰৰ লগত আছে। এইবোৰ বাহিৰৰ পৰা বুজা নাযায়।’

উল্লেখ্য যে কালি ইংলণ্ডে প্ৰথমে বেটিং কৰি সাত উইকেটত ২১৫ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ সৰ্বাধিক ৭৭ ৰাণ কৰে ডাৱিদ মালানে। লিয়াম লিভিংষ্টোনে ৪২ ৰাণ কৰি অপৰাজিত হৈ ৰয়। প্ৰত্যুত্তৰত ভাৰতে আৰম্ভণিতে উজুটি খায় যদিও সূৰ্যকুমাৰে বিপক্ষৰ শিবিৰত প্ৰত্যাক্ৰমণ চলায়। তেওঁ শ্ৰেয়াছ আয়াৰ (২৮)ৰ স’তে শতৰাণৰ যুটি গঢ়ে। শ্ৰেয়াছৰ বিদায়ৰ পাছতে দীনেশ কাৰ্তিক, ৰবীন্দ্ৰ জাদেজা আদিয়ে ৰাণৰ গতি হ্ৰাস কৰাত চাপত পৰে সূৰ্যকুমাৰ। অত্যধিক আক্ৰমণাত্মক হ’বলৈ গৈ তেওঁ ব্যক্তিগত ১১৭ ৰাণত আউট হোৱাত ভাৰতৰ আশা নিৰ্বাপিত হয়। ভাৰতৰ পঞ্চম বেটাৰৰূপে টি-২০ আন্তৰ্জাতিকত শতৰাণ অৰ্জন কৰা সূৰ্যকুমাৰে ৫৫টা বলত ১৪টা বাউণ্ডেৰী আৰু ছটা ছিক্সাৰ মাৰে।

# অৱশেষত জয়ৰ মুখ দেখিলে বাংলাদেশে

**নিউজ ব্যুৰ’**

**কিংষ্টন, ১১ জুলাই ঃ** চলিত ৱেষ্টইণ্ডিজ ভ্ৰমণত টেষ্ট আৰু টি-২০ত ক্ৰমাগত পৰাজয়ৰ পাছত অৱশেষত জয়ৰ মুখ দেখা পালে বাংলাদেশে। কালি অনুষ্ঠিত প্ৰথম এদিনীয়া মেচত বাংলাদেশে ঘৰুৱা দলক ছয় উইকেটত পৰাজিত কৰে। বৰষুণৰ বাবে ৪১ অভাৰলৈ হ্ৰাস পোৱা খেলখনত প্ৰথমে বেটিং কৰি কেৰিবিয়ান দলে ন উইকেট হেৰুৱাই ১৪৯ ৰাণ কৰে। দলৰ হৈ সৰ্বাধিক ৩৩ ৰাণ কৰে ছামাৰ ব্ৰুকছে। বাংলাদেশৰ ছৰিফুল ইছলামে চাৰিটা উইকেট পায়। প্ৰত্যুত্তৰত বাংলাদেশে আৰম্ভণিতে লিটন দাস (১)ক হেৰুৱালেও ইনিংছ গঢ়ে অধিনায়ক তামিম ইকবাল (৩৩) আৰু নাজমুল হুছেইনে (৩৭)। তেওঁলোকৰ বিদায়ৰ পাছত মাহমুদুল্লাই ৪১ ৰাণত অপৰাজিত হৈ থাকি দলক জয়ৰ দুৱাৰডলিত উপনীত কৰায়।

# আন্তঃজিলা টাইকোৱান-ড’ত বামুন্দীৰ ডৰিয়নীয়ে জয় কৰিলে সোণৰ পদক

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ১১ জুলাই ঃ** গুৱাহাটী কাহিলিপাৰাৰ মডাৰ্ণ ইংলিছ স্কুলত অনুষ্ঠিত আন্তঃজিলা টাইকোৱান-ড’ প্ৰতিযোগিতাত ৪৭ কেজিৰ তলৰ শাখাত বামুন্দীৰ ডৰিয়নী কলিতাই সোণৰ পদক লাভ কৰে। ডৰিয়নী বামুন্দীৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী। মডাৰ্ণ টাইকোৱান-ড’ এছ’চিয়েছন শুৱালকুছিৰ প্ৰশিক্ষক ৰাকেশ কলিতাৰ তত্বাৱধানত ডৰিয়নীয়ে প্ৰশিক্ষণ লৈ আছে। ছাত্ৰীগৰাকীৰ সাফল্যত সদৌ কামৰূপ জিলা, পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থা, বামুন্দী ক্ৰীড়া সন্থা লাহ কয়াটোল হালোগাঁও শিলিগুৰি আঞ্চলিক কৰ্মচাৰী পৰিষদৰ বিষয়ববীয়াসকলে ছাত্ৰীগৰাকীক সম্বৰ্ধনা জনায়। উল্লেখ্য যে ইতিমধ্যে ছাত্ৰীগৰাকীয়ে জিলা আৰু ৰাজ্যিক ভিত্তিত হোৱা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি নটা সোণৰ, দুটা ৰূপৰ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰে।



গুৱাহাটী ক্ৰীড়া সন্থাৰ ‘চি’ ডিভিজন ফুটবল লীগৰ গুৱাহাটী চিটী এফচি আৰু আৰামবাগ এফ চিৰ মাজৰ খেলৰ এটি মুহূৰ্ত, সোমবাৰে।

